GPS S6 04 (M)
Exam Code: PSM6D

অসমৰ ৰাজনীতি ঃ অতীত আৰু বৰ্তমান

ষষ্ঠ ষাণ্মাসিক

ৰাজনীতি বিজ্ঞান

খণ্ড ২



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শান্তণু চক্রৱর্তী, কটন বিশ্ববিদ্যালয়
ড° ধ্রুব প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° শুভ্রজিৎ কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড° অভিজিৎ ভূঞা আৰু জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
৯, ১১	ডেইজী ৰাণী তালুকদাৰ,	পল্লৱ বৰুৱা,
	গৱেষিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	সর্বোদয় মহাবিদ্যালয়, যোৰহাট (অধ্যায় ৯,১২,১৫)
১০, ১৩	ড° অভিজিৎ ভূঞা	জোনালী ৰাভা, গুৱাহাটী (অধ্যায় ১০,১৩)
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ভৃগু কলিতা, বাক্সা (অধ্যায় ১১)
১২	ড °নন্দিতা দাস, গুৱাহাটী	গীতাঞ্জলী মেধি,
১৪	ড °দিব্যজ্যোতি দত্ত, ডিব্রুগড় বিশ্ববিদ্যালয়	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১৪)
১৫	পৰিস্মিতা ভাগৱতী, কটন বিশ্ববিদ্যালয়	

সম্পাদনা ঃ

মূল বিষয়বস্তু সম্পাদনা ঃ ড° ধ্রুব প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়

ভাষা সম্পাদনা ঃ ত্রিৱেণী শর্মা বৰুৱা, গুৱাহাটী (অধ্যায় ৯,১২,১৩,১৪,১৫)
ড° অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১০)
ড° নিভাৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১১)

গাঁথনিক সম্পাদনা ঃ ড° অভিজিৎ ভূঞা আৰু জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ডিচেম্বৰ, ২০২০

ISBN : 978-93-89559-45-3

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী-৭৮১০১৭ ; Web : www.kkhsou.in
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৯ ঃ **অসমৰ পুনৰ্গঠন** ১০৯-১২০

পটভূমি; নাগালেণ্ডৰ গঠন; উত্তৰ পূব অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১/North Eastern Areas (Reorganisation) Act, 1971

অধ্যায় ১০ ঃ **ভাষা আন্দোলন আৰু অসম আন্দোলন** ১২১-১৩৫

ভাষা আন্দোলন; অসম আন্দোলন

অধ্যায় ১১ ঃ **অসমত বিদ্রোহৰস্থা** ১৩৬-১৫০

সশস্ত্র বিদ্রোহৰ অর্থ ঃ অসমত সশস্ত্র বিদ্রোহ বৃদ্ধিৰ আঁৰৰ কাৰকসমূহ ঃ সশস্ত্র বিদ্রোহৰ অর্থ, অসমৰ বিদ্রোহাৰস্থাৰ বিকাশৰ কাৰকসমূহ ; অসমৰ বিদ্রোহী সংগঠন ঃ আলফা (ULFA) আৰু এন ডি এফ বি (NDFB) ঃ ইউনাইটেড লিবাৰেচন প্রণ্ট অব্ আসাম (ULFA) ; নেচনেল ডেম'ক্রেটিক ফ্রণ্ট অব্ বড়োলেণ্ড (NDFB) ; বিদ্রোহী সমস্যা সমাধানৰ কিছুমান প্রত্যাক্রিত সমাধান

অধ্যায় ১২ ঃ **ষষ্ঠ অনুসূচী আৰু পাহাৰীয়া অঞ্চলত স্বায়ত্ব শাসনৰ বাবে আন্দোলন** ১৫১-১৬৪

ষষ্ঠ অনুসূচীৰ অধীনত সাংবিধানিক বৈশিষ্ট্যসমূহ; কার্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰত স্বায়ত্ব শাসনৰ দাবীৰ আন্দোলন

অধ্যায় ১৩ ঃ **বড়োভূমিৰ আন্দোলন** ১৬৫-১৭৭

বড়োভূমিৰ আন্দোলন ঃ বড়োভূমি আন্দোলনৰ পটভূমি, বড়োভূমি গঠনৰ দাবী, নিষ্পত্তিৰ স্মাৰকপত্র আৰু বড়োভূমি ক্ষেত্রীয় পৰিষদৰ গঠন

অধ্যায় ১৪ ঃ **অসমত আঞ্চলিকতাবাদৰ বিকাশ ঃ আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান— অসম গণ পৰিষদ (AGP) আৰু বড়োলেণ্ড পীপলচ্ প্রগ্রেছিভ ফ্রণ্ট (BPPF)** ১৭৮-১৯০

আঞ্চলিকতাবাদৰ পটভূমি ঃ ভাৰতত আঞ্চলিকতাবাদৰ বিকাশ, অসমত আঞ্চলিকতাবাদ ; অসমত আঞ্চলিক ৰাজনৈতিক দলৰ উত্থানঃ অসম গণ পৰিষদ (AGP), বড়োলেণ্ড পীপলচ্ প্রগ্রেছিভ ফ্রণ্ট (বিপিপিএফ-BPPF)

অধ্যায় ১৫ ঃ **অসমত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণ** ১৯১-২০৪

মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণ ; অসম ৰাজ্যৰ প্রসংগত ভাৰতৰ স্বাধীনতা সংগ্রামত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণ ; স্বাধীনতাৰ পাছৰ সময়ছোৱাত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণ ঃ অসম আন্দোলনত মহিলাসকলৰ অংশগ্রহণ, বড়োভূমি আন্দোলনত মহিলাসকলৰ অংশগ্রহণ

খণ্ড- ২ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান (প্ৰধান) বিষয়ৰ ষষ্ঠ ষাণ্মাসিকৰ চতুৰ্থ পাঠ্যবিষয় অথবা কাকতখনৰ এইটো হ'ল দ্বিতীয় খণ্ড। এই পাঠ্যবিষয়ৰ শিৰোনাম হ'ল "অসমৰ ৰাজনীতিঃ অতীত আৰু বৰ্তমান"। দ্বিতীয় খণ্ডটিত মুঠ সাতটা অধ্যায় (অধ্যায় ৯-১৫) সন্নিৱিষ্ট কৰা হৈছে।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয় (প্ৰধান)ৰ ষষ্ঠ ষাণ্মাসিকৰ চতুৰ্থ পাঠ্যবিষয়ৰ শিৰোনাম হ'ল " অসমৰ ৰাজনীতি ঃ অতীত আৰু বৰ্তমান"। ঔপনিৱেশিক যুগৰ পৰা বৰ্তমান সময়লৈকে অসমৰ সমাজ-ৰাজনৈতিক ব্যৱস্থাটোৰ সৈতে জড়িত বিভিন্ন দিশ বুজাত শিক্ষার্থীক সহায় কৰিব পৰাকৈ এই পাঠ্যবিষয়টো প্ৰস্তুত কৰা হৈছে। আমি বিচাৰোঁ, ৰাজনীতি বিজ্ঞানৰ স্নাতক মহলাৰ শৈক্ষিক কার্যসূচী অধ্যয়ন কৰি থকা শিক্ষার্থীসকলে নিজ ৰাজ্যখনৰ ৰাজনৈতিক ব্যৱস্থাটোৰ সৈতে জড়িত বিভিন্ন বিষয়ত পুংখানুপুংখ জ্ঞানৰ অধিকাৰী হওক। উল্লিখিত কথাবোৰ মনত ৰাখি ঔপনিৱেশিক শাসনকালত অসমৰ ৰাজনৈতিক সংৰচনা আৰু প্ৰক্ৰিয়াবোৰৰ আলোচনাৰে পাঠ্যবিষয়টোৰ পাতনি মেলা হৈছে। নৱম অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল অসমৰ পুনৰ সংগঠন । পাঠ্যবিষয়ৰ দশম অধ্যায়ত অসমৰ ভাষা আন্দোলন আৰু অসম আন্দোলন সম্পৰ্কে আলোচনা কৰা হৈছে। অসমত ঘটা বিভিন্ন বিদ্রোহ, বিদ্রোহৰ কাৰণসমূহ, অসমৰ বিদ্রোহী সংগঠন - আলফা আৰু এন ডি এফ বি সম্পৰ্কে একাদশ অধ্যায়ত আলোচনা কৰা হৈছে। দ্বাদশ অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল ষষ্ঠ অনুসূচী আৰু পাহাৰীয়া অঞ্চলত স্বায়ত্ব শাসনৰ বাবে কৰা আন্দোলন। ত্ৰয়োদশ অধ্যায়ত বড়োভূমিৰ আন্দোলনৰ বিষয়ে আলোচনা কৰা হৈছে। চতুৰ্দশ অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল অসমত আঞ্চলিকতাবাদৰ বিকাশ। এই অধ্যায়টিত অসমৰ দুটা আঞ্চলিক ৰাজনৈতিক দল - অসম গণ পৰিষদ (AGP), বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (বিপিপিএফ-BPPF) ৰ বিষয়ে আলোচনা কৰা হৈছে। পঞ্চদশ অধ্যায়ত অসমত মহিলাসকলৰ ৰাজনৈতিক অংশগ্ৰহণৰ বিষয়ে আলোচনা কৰা হৈছে। ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ মহিলাসকলৰ ৰাজনৈতিক অংশগ্ৰহণ, স্বাধীনতাৰ পাছৰ সময়ছোৱাত অসম আন্দোলন আৰু বড়োভূমি আন্দোলনত অসমৰ মহিলাসকলৰ ৰাজনৈতিক অংশগ্ৰহণৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল ' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ৯ ঃ অসমৰ পুনৰ্গঠন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ পটভূমি
৯.৪ নাগালেণ্ডৰ গঠন
৯.৫ উত্তৰ-পূব অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১/North-Eastern Areas (Reorganisation) Act, 1971
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্রগতিৰ খতিয়ান
৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমৰ পুনৰ্গঠনৰ পটভূমিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- নাগালেণ্ডৰ গঠন সম্পর্কে আলোচনা কৰিব পাৰিব।
- নগা পাহাৰত সাংবিধানিক বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- উত্তৰ-পূব অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১ ৰ ব্যৱস্থাসমূহ আৰু প্রভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

ভাৰতীয় উপ মহাদেশৰ উত্তৰ পূৱক ইয়াৰ সাংস্কৃতিক আৰু নৃগোষ্ঠীয় বৈশিষ্ট্যৰ বাবে আৰু ভাষিক পুনৰ গঠন আৰু নৃগোষ্ঠীয় দাবী আৱৰি এই অঞ্চলক গ্রাস কৰা সমস্যা সমূহৰ বাবে বেছি ভালকৈ জনা যায়। এই অঞ্চলটো ভাষা সংস্কৃতি ইতিহাস আৰু নৃগোষ্ঠীয় কাৰণে এক সংগ্রামৰ মাজত অৱস্থান কৰিছে। পৰিণতি স্বৰূপে, অঞ্চলটোৱে পৃথক ৰাজনৈতিক অস্তিত্ব ৰক্ষাৰ বাবে, ভাষিক ধাৰাৰ সৈতে পৃথক ৰাজ্যৰ অন্তর্ভুক্তিৰে চৰকাৰৰ হেঁচা প্রয়োগ কৰিবলৈ সঘনাই যথেষ্ট সংখ্যক নৃগোষ্ঠীয় আন্দোলন প্রত্যক্ষ কৰিছে। এই ক্ষেত্রত প্রথম পদক্ষেপ হিচাপে উত্তৰ-পূৱ অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১ গ্রহণ কৰা হৈছিল যিয়ে অসমক সাতখন ভিন্ন ৰাজ্যত ভাগ হোৱাৰ বাট দেখুৱাইছিল।

৯.৩ পটভূমি

ভাৰতৰ উত্তৰ পূৱ অঞ্চলে দেশৰ যিকোনো অংশৰ অঞ্চলৰ সৈতে মিল থকাৰ অবিহনে, হয় আংশিকভাৱে অথবা গোটেই অঞ্চলটোৱে ইয়াৰ বিদেশী ৰাষ্ট্ৰৰ সৈতে ভৌগোলিক প্ৰতিবেশী, সামাজিক আৰু ৰাজনৈতিক ইতিহাস আৰু জনসংখ্যা গাঁথনিৰ বৈচিত্ৰ্যতা ভিন্নতাৰ ক্ষেত্ৰত এক নিজস্ব অতুলনীয় ছবি দাঙি ধৰে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে এই অঞ্চলৰ বহুতো অংশ ঠাই নিজৰ প্ৰত্যক্ষ নিয়ন্ত্ৰনলৈ নিব নোৱাৰাৰ ইও এটা কাৰণ হ'ব পাৰে। যদিও পৰৱৰ্তী পৰ্য্যায়ত অনা হৈছিল, মণিপুৰ আৰু ত্ৰিপুৰা প্ৰত্যক্ষ বৃটিছ শাসনৰ পৰা পৃথক আছিল যিহেতু সেই দুখন ৰজাৰ দ্বাৰা শাসিত ক্ষুদ্ৰ ৰাজ্য আছিল। যি কি নহওঁক, অসমীয়া ভাষি লোক, যি ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰধান মূল জনসংখ্যা গোট গঠিত আছিল, গোটেই অঞ্চলটোৰে কেন্দ্ৰ স্থল দখল কৰি আছিল। প্ৰাক-স্বাধীনতাৰ সময়ত অসমত বাঙালী ভাষি জাপি দিয়াৰ বিৰুদ্ধে অসমীয়া ভাষি মানুহে এক অবিৰত বাধা প্ৰদান কৰিছিল আৰু বেংগলী প্ৰভাৱৰ বিৰুদ্ধাচৰণ কৰিবলৈ অকৃটিম অকপট চেষ্টা চলাইছিল। ই আছিল এটা কাৰক যি অসমীয়াৰ জাতীয় চেতনাৰ উত্থান আৰু ক্ৰমান্বয়ে আত্মীকৰণ তত্ত্বৰ উত্থান আৰু শেষত জনজাতীয় অঞ্চলৰ অন্তভুৰ্ক্তিৰে বৃহত্তৰ অসম গঠনৰ দিশে আগুৱাই নিছিল। বাস্তৱত, জনজাতীয় অঞ্চলসমূহে প্ৰকৃততে উজনি আৰু মধ্য অসম অঞ্চলৰ অসমীয়া মানুহৰ সৈতে পৰ্যায়ক্ৰমে একত্ৰীকৰণ প্ৰক্ৰিয়াত চামিল হৈছিল। কিন্তু এই আত্মীকৰণ প্ৰক্ৰিয়া থমকি ৰৈছিল, বিশেষকৈ স্বাধীনতাৰ পাছত যেতিয়া বেছিভাগ পাহাৰীয়া জনজাতীয় লোকে তেওঁলোকৰ স্বকীয় বৈশিষ্টতাপূৰ্ণ ভাষিক আৰু সাংস্কৃতিক পৰম্পৰাৰ ভিত্তিত তেওঁলোক পৃথক জনজাতীয় পৰিচিতি প্ৰতিপন্ন কৰিবলৈ আৰম্ভ কৰিছিল। এনেকৈ কিছুমান পাৰ্বত্য জনজাতি আৰু অনা অসমীয়া ভাষিক গোটৰ মাজত ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত অসমীয়াৰ সম্ভাব্য প্ৰভাৱৰ শংকা সৃষ্টি হৈছিল। ইয়াৰ ফলত উত্তৰ পূৰ্বাঞ্চলীয় অঞ্চলক বহুবাৰ পুনৰ সংগঠন কৰিবলগীয়া হৈছিল। ১৯৭২ চনৰ সময়ত গোটেই উত্তৰ-পূৱ অঞ্চলক অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰা নামৰ পাঁচখন ৰাজ্যত ভাগ কৰা হৈছিল আৰু মিজোৰাম আৰু অৰুণাচল প্ৰদেশ নামৰ দুখন কেন্দ্ৰীয় শাসিত অঞ্চলত ভাগ কৰা হৈছিল। ১৯৮৭ চনত এই দুখনেও পূৰ্ণ পৰ্য্যায়ৰ ৰাজ্যৰ মৰ্য্যদা পাইছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ত্ৰিপুৰা প্ৰত্যক্ষ বৃটিছ শাসনৰ পৰা পৃথক আছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ২ ঃ কোন চনত মিজোৰাম আৰু অৰুণাচল প্ৰদেশ পূৰ্ণ পৰ্য্যায়ৰ ৰাজ্যৰ মৰ্য্যদা পাইছিল?

.....

৯.৪ নাগালেণ্ডৰ গঠন

- **নগা ৰাজনৈতিক পৰিচয়ৰ সংগ্রাম ঃ** ভাৰতৰ যুক্তৰাষ্ট্রীয় পুনৰ্গঠনে ভাষা ভিত্তিক পৰিচয়ৰ এক সমস্যাৰ সৃষ্টি কৰিছিল। পার্বত্য অঞ্চল সমূহৰ বিচিন্নতাবাদী প্রৱণতাৰ নাগালেণ্ডে এই যুগান্তকাৰী উদাহৰণ দাঙি ধৰিছিল। ১৯৪৭ চনত স্বাধীনতাৰ পাছত নাগা সকলৰ কাৰণে নাগালেণ্ডৰ প্রশ্নটো কিন্তু চাঞ্চল্যকৰ হৈ পৰিছিল। অঞ্চলটোত ৰাজনৈতিক পৰিস্থিতি উগ্রপন্থী দৃষ্টিকোণৰ সৈতে সংলগ্ন হৈছিল। যিকোনো ৰাজনৈতিক পৰিৱর্তনৰ বিৰুদ্ধে নগা সকলে কৰা প্রতিৰোধ সম্ভৱত ১৯২৮ চনলৈ ঘূৰি যাব পাৰি, যেতিয়া নগা ক্লাৱ(যি নগালকলৰ ৰাজনৈতিক মঞ্চ আছিল)ৰ পৰা নগা নেতাসকলৰ এক সৰু সভাই তেওঁলোকৰ পৃথক সাংস্কৃতিক পৰিচয়ৰ চাইমন আয়োগৰ ভ্রমণকাৰী সদস্যলৈ বার্তা প্রেৰণ কৰিছিল আৰু আবেদন কৰিছিল যে চাইমন আয়োগে পৰিকল্পনা কৰা যিকোনো ৰাজনৈতিক সংস্কাৰৰ পৰা নগা সকলক বাহিৰত ৰাখিব লাগে। ১৯২৩ চনত ল'থা জনজাতিয় পৰিষদ গঠনৰ সৈতে নগা সকলৰ মাজত ৰাজনৈতিক সচেতনতা আৰম্ভ হৈছিল। ১৯২৮ চনত আও নগা সকলে একেধৰণৰ পৰিষদ গঠন কৰিছিল আৰু অন্যান্য নগা সকলেও ১৯৪০ চনৰ ভিতৰত জনজাতিয় পৰিষদ গঠন কৰিছিল।

ভাৰতত বৃটিছ শাসনৰ শেষৰফালে, নগা পাহাৰৰ উপায়ুক্ত চি. আৰ. প'চেইয়ে (C.R. Pawsey) নগাসকলক ঐক্যবদ্ধ কৰাৰ উদ্দেশ্যেৰে ১৯৪৫ চনত নগা পাহাৰ পার্বত্য জিলা জনজাতী পৰিষদ (Naga Hills District Tribal Council) গঠন কৰিছিল, যি পাছত ১৯৪৬ চনত নগা জাতীয় পৰিষদ (Naga National Council) লৈ সলনি পৰিৱর্তন হৈছিল। পাছলৈ ই নগাসকলৰ এক শক্তিশালী ৰাজনৈতিক সংগঠন হিচাপে উত্থান হৈছিল। ইয়াৰ পৰা আশা কৰা হৈছিল যে নগা জনজাতিসকলৰ কল্যাণ আৰু সামজিক ইচ্ছা আকাঙ্খ্যাক গঢ় দিয়া, অসম ৰাজ্যৰ ভিতৰত স্বায়ত্ত শাসন লাভ কৰা আৰু নিজস্ব চৰকাৰৰ শাসনৰ কাৰণে জনসাধাৰণক প্রশিক্ষণ দিয়া।

এইটো ধাৰণা কৰা হয় যে সৰু ৰাজ্যই ডাঙৰ ৰাজ্যতকৈ বেছি ভাল প্রগতি বিকাশ লাভ কৰে, সেয়ে অঞ্চলটোৰ বিকাশৰ কাৰণে গোটেই অঞ্চলটোৰ পুনসংগঠন কৰাটো প্রয়োজনীয় আছিল।

- **নগা পাহাৰত সাংবিধানিক বিকাশ আৰু নাগালেণ্ডৰ গঠন ঃ**

  বৃটিছ সকলে অসম অধিকাৰ কৰাৰ আগতে আহোম ৰজা সকলে নগাসকলক তেওঁলোকৰ প্রজা (Subject)ৰ দৃষ্টিৰে চাইছিল, মণিপুৰৰ ৰজাইও নগা পাহাৰৰ কিছু অংশৰ ওপৰত নিয়ন্ত্রণ সাব্যস্ত কৰিছিল। ১৯ শ শতিকাৰ প্রথম ভাগত অসম অধিগ্রহণৰ লগে লগে গোটেই নগা পাহাৰ বৃটিছ ভাৰতৰ অংশ হৈ পৰিছিল ।বংগৰ লে. গৱর্ণৰ (Lt. Governor)ৰ প্রশাসনৰ অধীনত ১৮৬৬ চনত চামাগুটিং (Samaguting) ত মুখ্য কার্য্যালয়ৰ সৈতে নগা পাহাৰীয়া জিলা গঠন হৈছিল যাক ১৮৭৪ চনত অসম ৰাজ্যলৈ হস্তান্তৰ কৰা হৈছিল।

১৮৭৬ চনত পাহাৰৰ মধ্যম স্থানত অৱস্থিত ৱখা (Wokha) লৈ জিলাৰ মুখ্য কার্য্যালয় স্থানান্তৰ কৰা হৈছিল আৰু দুবছৰ পাছত ইয়াক কহিমালৈ স্থান সলনি কৰা হৈছিল আৰু ৱখা মহকুমাৰ সদৰ হিচাপে আছিল। ১৮৮৯ চনত মহকুমাৰ সদৰ কার্য্যালয় মোককচুঙলৈ স্থান সলনি কৰা হৈছিল। এনেকৈ বৃটিছ প্রশাসনৰ অধীনত অসমৰ নগা পাহাৰীয়া জিলাৰ কহিমা(সদৰ) আৰু মোককচাঙ দুটা মহকুমা আছিল। ১৯৪৭ চনত ভাৰতৰ স্বাধীনতাৰ সময়ত এই ব্যৱস্থাপনা কেন্দ্রীয় চৰকাৰে উত্তৰাধিকাৰ স্বৰূপে লাভ কৰিছিল। ১৯৫০ চনৰ জানুৱাৰীৰ পৰা কার্যকৰী হোৱাকৈ ভাৰতীয় সংবিধানে নগা পাহাৰীয়া জিলাৰ প্রশাসনিক ব্যৱস্থাৰ পৰিৱর্তন আনিছিল। সংবিধানৰ ষষ্ঠ অনুসূচীৰ (অংশ ক) অধীনত নগা পাহাৰীয়া জিলাক স্বায়ত্ব শাসিত জিলা হিচাপে গণ্য কৰা হৈছিল আৰু ইয়াৰ এখন স্বায়ত্ব শাসিত জিলা পৰিষদ থাকিব, যি বাস্তৱত ৰূপায়িত নহ'লে যিহেতু নগাসকল ষষ্ঠ অনুসূচীত প্রতি অসন্তুষ্ট হৈ পৰিছিল আৰু তেওঁলোকে, সেয়েহে, পৰিষদৰ নির্বাচন বর্জন কৰিছিল। অৱশেষত জিলাখনৰ প্রশাসন,ষষ্ঠ অনুসূচীৰ পৰা ১৯ ৰ সামগ্রিক চর্তৰ পাহাৰীয়া জিলাৰ সংবিধানৰ পৰিণতিত ফলস্বৰূপে নগা পাহাৰৰ অৱশিষ্ট পাহাৰীয়া অঞ্চল যি নগা পাহাৰীয়া জিলাৰ বাহ্যিক সীমান্ত আৰু ভাৰত আৰু বার্মা (ম্যানমাৰ) ৰ আন্তজার্তিক সীমান্তৰ মাজত আছিল, ১৯৩৫ চনত "ভাৰত চৰকাৰ আইন" বলবৎ হোৱাৰ আগলৈকে ১৯৩৭ চনলৈ শাসন বিহীন (Unadministered) অঞ্চল হিচাপে আছিল। ১৯৩৫ চনৰ আইনৰ চর্ত অনুযায়ী ইয়াক নগা জনজাতীয় অঞ্চল নাম দিয়া হয় আৰু বৃটিছ সম্রাটক প্রতিনিধিত্ব কৰা ভাৰতৰ গৱর্ণৰ জেনেৰেলৰ হৈ অসমৰ গৱর্ণৰ আৰু নগা পাহাৰীয়া জিলাৰ উপযুক্তৰ প্রত্যক্ষ নিয়ন্ত্রণৰ অধীনলৈ অনা হয়, স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে নগা জনজাতীয় অঞ্চলৰ প্রশাসনৰ উদ্দেশেৰে প্রয়োজনীয় আইন নিয়ম আৰু আদেশ পত্র আগবঢ়াইছিল।

১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধান বলবৎ হোৱাৰ পাছত নগা জনজাতীয় অঞ্চলক ষষ্ঠ অনুসূচীৰ (অংশ-খ) অধীনলৈ নিয়া হয় আৰু ৰাষ্ট্রপতিৰ প্রতিনিধি স্বৰূপে অসমৰ ৰাজ্যপালে শাসন চলাব। ১৯৫৪ চনৰ উত্তৰ-পূৱ সীমান্ত অঞ্চলৰ (প্রশাসন) আইনে উত্তৰ পূৱ সীমান্ত এজেন্সী (North East Frontier Agency or NEFA)ৰ সৃষ্টি কৰিছিল, যিয়ে নগা জনজাতীয় অঞ্চলক অন্তর্ভূক্ত কৰিছিল আৰু যাক টুৱেনচাঙ সীমান্ত মণ্ডল (Division) হিচাপে পুনৰ নামকৰণ কৰা হৈছিল।

১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ সময়ত, নগা পাহাৰৰ ৰাজনৈতিক বিকাশ দুটা বিপৰীত দিশত গতি কৰিছিল। এটা আছিল নগা জাতীয় পৰিষদৰ সামৰিক গোট (Military Wing)ৰ নিয়ন্ত্রণত যি সম্পূর্ণ স্বাধীনতা চূড়ান্ত দাবী কৰিছিল। অন্যহাতেদি তেওঁলোকৰ নৰমপন্থী শাখাটোৱে সাংবিধানিক উপায়েৰে এক ৰূপায়ন সাধ্য সমাধান বিচাৰিছিল। নগা জাতীয় পৰিষদ আৰু অসমৰ ৰাজ্যপাল আকবৰ হায়দৰীৰ মাজত কহিমাত ১৯৪৭ চনৰ জুনত চুক্তিবদ্ধ হোৱা ন দফীয়া বুজাবুজি এক সংঘাত পূর্ণ পৰিচালনা ব্যৱস্থা হৈ পৰিছিল। এই বুজাবুজিয়ে নগাসকলৰ ভাৰতৰ লগত ১০ বছৰৰ বাবে সহযোগিতাৰ নির্ধাৰণ কৰিছিল, ইয়াৰ পাছত তেওঁলোকে নিজৰ ভাগ্য নিজে থিৰাং

কৰিব। চুক্তিখনে নগাসকলে তেওঁলোকৰ মুক্তভাৱে প্ৰকাশিত ইচ্ছাৰ মতে বিকাশ উন্নতি লভাৰ অধিকাৰক স্বীকৃতি দিছিল আৰু ভূমি, সীমান্ত ইত্যাদি বিষয় সমূহৰ সমাধানৰ বাবে চেষ্টা কৰিব।

১৯৫০ চনত ভাৰতৰ সংবিধান বলবৎ কৰাৰ পাছত হায়দৰী বুজাবুজিৰ চৰ্তবোৰ ষষ্ঠ অনুসূচীত সংযোজন কৰা হৈছিল কিন্তু নগা জাতীয় পৰিষদে ইয়াৰ অৱমাননা কৰিছিল আৰু এক গণ আন্দোলনৰ কাৰ্যসূচী আৰু মুক্ত বিদ্রোহত প্ৰবৃত্ত হৈছিল। ১৯৫৪ চনত টুৱেনচাঙত সশস্ত্ৰ বিদ্রোহৰ সূত্ৰপাত হৈছিল অতি সোনকালে আন দুখন জিলা কহিমা আৰু মোককচাঙক গ্ৰাস কৰি পেলাইছিল। প্ৰথমে আৰক্ষী, পাছত সামৰিক বাহিনীক বিদ্রোহ দমন কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। ১৯৫৭ চনত নগা নেতৃত্ব আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত এক চুক্তিত উপনীত হৈছিল আৰু অসম ৰাজ্যত নগা পাহাৰ নামৰ এক নতুন প্ৰশাসনিক গোট গঠন হৈছিল যাক নগা পাহাৰ-টুৱেনচাঙ অঞ্চল - Naga Hills-Tuensang Area or NHTA (পূৰ্বৰ নগা পাহাৰ জিলা আৰু North East Frontier Agency- NEFA ৰ টুৱেনচাঙ সীমান্ত অঞ্চলেৰে গঠিত) হিচাপে জনা গৈছিল। NHTA কেন্দ্ৰীয় চৰকাৰে প্ৰত্যক্ষ ভাৱে শাসন কৰা এক কেন্দ্ৰীয় শাসিত অঞ্চল হৈ পৰিছিল কিন্তু এক বৃহৎ মাত্ৰাত স্বায়ত্বশাসনেৰে।

যি কি নহঁওক, এইটো নগাসকলৰ কাৰণে গ্ৰহণযোগ্য নাছিল আৰু নগাসকল আৰু সুৰক্ষা বাহিনীৰ মাজত সংঘাত অব্যাহত আছিল । পাছত প্ৰধানমন্ত্ৰী নেহেৰু আৰু নগা জনসাধাৰণৰ অভিবৰ্তন (Naga People's Convention) ৰ মাজত আলোচনা অনুষ্ঠিত হৈছিল আৰু ১৯৬০ চনৰ জুলাইত এক ১৬ দফীয়া চুক্তিত উপনীত হৈছিল যাৰ দ্বাৰা ভাৰত চৰকাৰে ভাৰত যুক্তৰাজ্যৰ ভিতৰত নাগালেণ্ডক এখন পূৰ্ণ পৰ্য্যায়ৰ ৰাজ্য হিচাপে স্বীকৃতি প্ৰদান কৰিছিল। চুক্তিখনৰ প্ৰথম চৰ্ত্তটোৰ মতে এইটো ঘোষণা কৰা হৈছিল যে "১৯৫৭ চনৰ নগা পাহাৰ টুৱেনচাঙ অঞ্চল আইনৰ অধীনত এতিয়ালৈকে জনাজাত নগা পাহাৰ টুৱেনচাঙ অঞ্চলৰ ভূখণ্ডই, ভাৰত যুক্তৰাজ্যৰ ভিতৰত এখন ৰাজ্য গঠন কৰিব আৰু এতিয়াৰ পৰা আগলৈ নাগালেণ্ড হিচাপে জনা যাব।" সেইমতে নাগালেণ্ড ৰাজ্যক ১৯৬৩ চনৰ ১ ডিচেম্বৰত ক'হিমাত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতিয়ে উদ্ধোধন কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ ১৮৭৪ চনত ক'ত মূখ্য কাৰ্য্যালয়ৰ সৈতে নাগা পাহাৰীয়া জিলা গঠন হৈছিল যাক অসম ৰাজ্যলৈ হস্তান্তৰ কৰা হৈছিল ?

.....

প্ৰশ্ন ৪ ঃ ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধান বলবৎ হোৱাৰ পাছত নগা জনজাতীয় অঞ্চলক কোন অনুসূচীৰ অধীনলৈ নিয়া হয় ?

.....

৯.৫ উত্তৰ পূৰ্ব অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১/North-Eastern Areas (Reorganisation) Act, 1971

ব্যৱস্থা সমূহ আৰু প্ৰভাৱ (Provisions and Impact)

বৰ্তি থকা অসম ৰাজ্য আৰু ইয়াৰ লগত জড়িত বিষয়সমূহৰ পুনসংগঠন কৰি ১৯৭১ চনৰ ৩০ ডিচেম্বৰত উত্তৰ পূৰ অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১ North-Eastern Areas (Reorganisation) Act, 1971 গৃহীত কৰা হৈছিল যি মণিপুৰ আৰু ত্ৰিপুৰা ৰাজ্য গঠনৰ আইনগত ব্যৱস্থা কৰিছিল আৰু মেঘালয় ৰাজ্য আৰু মিজোৰাম আৰু অৰুণাচল প্ৰদেশ কেন্দ্ৰীয় শাসিত অঞ্চলৰ আইনগত ব্যৱস্থা কৰিছিল।

উত্তৰ পূৰ অঞ্চলৰ পুনৰ্গঠন আইন ১৯৭১ ৰ কিছুমান গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহ আমি চাওঁ আহক।

১৯৭১ চনৰ উত্তৰ পূৰ অঞ্চলৰ পুনৰ্গঠন আইনৰ মতে ঃ-

- মণিপুৰ কেন্দ্ৰীয় শাসিত অঞ্চলত বৰ্তি থকা দুটা সংসদীয় সমষ্টিক মণিপুৰ ৰাজ্যৰ দুটা সংসদীয় সমষ্টি হিচাপে বিবেচনা কৰা হ'ব আৰু ত্ৰিপুৰা কেন্দ্ৰীয় শাসিত অঞ্চলত বৰ্তি থকা দুটা সংসদীয় সমষ্টিক ত্ৰিপুৰা ৰাজ্যৰ দুটা সংসদীয় সমষ্টি হিচাপে বিবেচনা কৰা হ'ব।
- মেঘালয় ৰাজ্যৰ দুটা সংসদীয় সমষ্টি থাকিব যাক ছিলং সংসদীয় সমষ্টি আৰু তুৰা সংসদীয় সমষ্টি বুলি আখ্যা দিয়া হ'ব।
- সমগ্ৰ মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলে এটা সংসদীয় সমষ্টি গঠন কৰিব যাক মিজোৰাম সংসদীয় সমষ্টি বুলি কোৱা হ'ব।
- নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সীৰ (NEFA) ৰ কাৰণে হাউচ অৱ পিপুলৰ আবণ্টিত আসনৰ পূৰ্ণ কৰিবলৈ মনোনীত কৰা বৰ্তমান সদস্যক এতিয়া অৰুণাচল প্ৰদেশ কেন্দ্ৰীয় শাসিত অঞ্চলৰ হাউচ অৱ পিপুলৰ আবণ্টিত আসন পূৰ্ণ কৰিবলৈ মনোনীত সদস্য হিচাপে বিবেচনা কৰা হ'ব।
- অসম আৰু নাগালেণ্ড উচ্চ ন্যায়ালয়ৰ কাৰ্যৰ অন্ত পৰিব আৰু ইয়াৰ দ্বাৰা বিলুপ্ত সাধন কৰা হ'ব।
- অসম, নাগালেণ্ড, মেঘালয়, মণিপুৰ আৰু ত্ৰিপুৰাৰ কাৰণে এখন সাৰ্বজনীন সমূহীয়া উচ্চ ন্যায়ালয় থাকিব যাক গুৱাহাটী উচ্চ ন্যায়ালয় নামে জনা যাব (The High Court of Assam, Nagaland, Meghalaya, Manipur and Tripura)
- অসম, মণিপুৰ, মেঘালয় আৰু ত্ৰিপুৰা ৰাজ্যৰ ৰাজহৰ অনুদান (Grants-in-aid) আৰু আবকাৰী সম্পত্তিৰ কৰ আৰু আয় কৰৰ কেন্দ্ৰীয় কৰৰ এই প্ৰত্যেক ৰাজ্যৰ অংশ ৰাষ্ট্ৰপতিয়ে নিৰ্দেশনাৰ দ্বাৰা নিৰ্ধাৰণ কৰিব।

- বৰ্তি থকা আৰু নতুনকৈ গঠন হোৱা ৰাজ্যৰ ক্ষেত্ৰত কিছুমান নিৰ্দিষ্ট নিগমৰ লগত জড়িত চৰ্ত, সৰ্ব ভাৰতীয় সেৱা আৰু ইয়াৰ লগত জড়িত অন্যান্য সেৱা, নিয়ম/নীতি নিৰ্দ্ধাৰণত আইনী ক্ষমতা আদি ১৯৭১ ৰ আইনত অন্তৰ্ভুক্ত অন্যান্য চৰ্ত আছিল।

উত্তৰ-পূৱ অঞ্চলৰ পুনসংগঠন আইন ১৯৭১ ৰ পাছত উখান সেৱা পৃথক ৰাজ্যসমূহে প্ৰধানকৈ পাৰ্বত্য অঞ্চলত বসবাস কৰা অগণন সৰু সৰু দল আৰু সম্প্ৰদায়ৰ তেওঁলোকৰ সংস্কৃতি পৰিচয় পৰম্পৰা আৰু মূল্য সুৰক্ষা দিবলৈ তেওঁলোকক নিজস্ব ধৰণেৰে বিকাশ লাভ কৰিবলৈ স্বায়ত্ব শাসন প্ৰদান কৰি তেওঁলোকৰ আৱেগক সন্তুষ্ট কৰিবলৈ সক্ষম হৈছিল। সৰু ৰাজ্যসমূহত জনজাতীয় সম্প্ৰদায়ৰ সমৰ্থনত সম্পদৰ ভালকৈ বিতৰণ নিশ্চিত কৰা হৈছিল আৰু শাসনৰ কাৰণে সুবিধাজনক কৰি তুলিছিল, যিহেতু ভৌগোলিকভাৱে সৰু ৰাজ্যসমূহ সময়ত শাসন কৰিবলৈ সহজ। যি কি নহওঁক, একে সময়তে, ভাষিক আৰু নৃগোষ্ঠীয় ধাৰাত বৰ্তমান সময়ত ক্ষমতাৰ বেছিকৈ হস্তান্তৰৰ দাবীৰ প্ৰৱল ঢৌ উঠিছে, মাজে সময়ে কিছুমান ৰাজ্যত হিংসাত্মক সংঘাত সংঘটিত হৈছে। সেয়েহে এইটো নিশ্চিত কৰাটো দৰকাৰী যে উত্তৰ-পূৱৰ ৰাজ্যসমূহত বসবাস কৰা সকলো দল আৰু সম্প্ৰদায়ে তেওঁলোকৰ নিজৰ বিকাশ সুৰক্ষিত কৰাত সমান সুবিধা লাভ কৰে আৰু পুনৰ উত্তৰ-পূৱৰ ৰাজ্যসমূহৰ ৰাজনৈতিক ভাগ বটোৱাৰাৰ পৰা হাত সাৰিবলৈ আৰু শান্তি বৰ্ত্তাই ৰাখিবলৈ চৰকাৰ পৰিচালনাৰ প্ৰক্ৰিয়াত সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ লগতে সমানে অংশগ্ৰহণ কৰাটো নিশ্চিত কৰাটো দৰকাৰী।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ ১৯৭১ চনৰ উত্তৰ পূৱ অঞ্চলৰ পুনৰ্গঠন আইনৰ যিকোনো দুটা ব্যৱস্থা উল্লেখ কৰক।

.....

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ উত্তৰ পূৱ অঞ্চলে দেশৰ যিকোনো অংশৰ অঞ্চলৰ সৈতে মিল থকাৰ অবিহনে, হয় আংশিকভাৱে অথবা গোটেই অঞ্চলটোৱে ইয়াৰ বিদেশী ৰাষ্ট্ৰৰ সৈতে ভৌগোলিক প্ৰতিবেশী সামাজিক আৰু ৰাজনৈতিক ইতিহাস আৰু জনসংখ্যা গাঁথনিৰ বৈচিত্ৰ্যতা ভিন্নতাৰ ক্ষেত্ৰত এক নিজস্ব অতুলনীয় ছবি দাঙি ধৰে।
- যি কি নহওঁক, অসমীয়া ভাষি লোক, যি ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰধান মূল জনসংখ্যা গোট গঠিত আছিল, গোটেই অঞ্চলটোৰে কেন্দ্ৰ স্থল দখল কৰি আছিল।

- প্ৰাক-স্বাধীনতাৰ সময়ত অসমত বাঙালী ভাষি জাপি দিয়াৰ বিৰুদ্ধে অসমীয়া ভাষি মানুহে এক অবিৰত বাধা প্ৰদান কৰিছিল আৰু বেংগলী প্ৰভাৱৰ বিৰুদ্ধাচৰণ কৰিবলৈ অকপট চেষ্টা চলাইছিল। ই আছিল এটা কাৰক যি অসমীয়াৰ জাতীয় চেতনাৰ উত্থান আৰু ক্ৰমান্বয়ে আত্মীকৰণ তত্ত্বৰ উত্থান আৰু শেষত জনজাতীয় অঞ্চলৰ অন্তভুৰ্ক্তিৰে বৃহত্তৰ অসম গঠনৰ দিশে আগুৱাই নিছিল।
- বাস্তৱত, জনজাতীয় অঞ্চলসমূহে প্ৰকৃততে উজনি আৰু মধ্য অসম অঞ্চলৰ অসমীয়া মানুহৰ সৈতে পৰ্যায়ক্ৰমে একত্ৰীকৰণ প্ৰক্ৰিয়াত চামিল হৈছিল। কিন্তু এই আত্মীকৰণ প্ৰক্ৰিয়া থমকি ৰৈছিল, বিশেষকৈ স্বাধীনতাৰ পাছত যেতিয়া বেছিভাগ পাহাৰীয়া জনজাতীয় লোকে তেওঁলোকৰ স্বকীয় বৈশিষ্টতাপূৰ্ণ ভাষিক আৰু সাংস্কৃতিক পৰম্পৰাৰ ভিত্তিত তেওঁলোক পৃথক জনজাতীয় পৰিচিতি প্ৰতিপন্ন কৰিবলৈ আৰম্ভ কৰিছিল।
- ১৯৭২ চনৰ সময়ত গোটেই উত্তৰ-পূৱ অঞ্চলক অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰা নামৰ পাঁচখন ৰাজ্যত ভাগ কৰা হৈছিল আৰু মিজোৰাম আৰু অৰুণাচল প্ৰদেশ নামৰ দুখন কেন্দ্ৰীয় শাসিত অঞ্চলত ভাগ কৰা হৈছিল। ১৯৮৭ চনত এই দুখনেও পূৰ্ণ পৰ্য্যায়ৰ ৰাজ্যৰ মৰ্য্যদা পাইছিল।
- ভাৰতৰ যুক্তৰাষ্ট্ৰীয় পুনগঠনে ভাষা ভিত্তিক পৰিচয়ৰ এক সমস্যাৰ সৃষ্টি কৰিছিল। পাৰ্বত্য অঞ্চল সমূহৰ বিচিন্নতাবাদী প্ৰৱণতাৰ নাগালেণ্ডে এই যুগান্তকাৰী উদাহৰণ দাঙি ধৰিছিল।
- ১৯৪৭ চনত স্বাধীনতাৰ পাছত নাগা সকলৰ কাৰণে নাগালেণ্ডৰ প্ৰশ্নটো কিন্তু চাঞ্চল্যকৰ হৈ পৰিছিল। অঞ্চলটোত ৰাজনৈতিক পৰিস্থিতি উগ্ৰপন্থী দৃষ্টিকোণৰ সৈতে সংলগ্ন হৈছিল।
- যিকোনো ৰাজনৈতিক পৰিৱৰ্তনৰ বিৰুদ্ধে নগা সকলে কৰা প্ৰতিৰোধ সম্ভৱত ১৯২৮ চনলৈ ঘূৰি যাব পাৰি, যেতিয়া নগা ক্লাৱ(যি নগালকলৰ ৰাজনৈতিক মঞ্চ আছিল)ৰ পৰা নগা নেতাসকলৰ এক সৰু সভাই তেওঁলোকৰ পৃথক সাংস্কৃতিক পৰিচয়ৰ চাইমন আয়োগৰ ভ্ৰমণকাৰী সদস্যলৈ বাৰ্তা প্ৰেৰণ কৰিছিল আৰু আবেদন কৰিছিল যে চাইমন আয়োগে পৰিকল্পনা কৰা যিকোনো ৰাজনৈতিক সংস্কাৰৰ পৰা নগা সকলক বাহিৰত ৰাখিব লাগে।
- ১৯২৩ চনত ল'থা জনজাতিয় পৰিষদ গঠনৰ সৈতে নগা সকলৰ মাজত ৰাজনৈতিক সচেতনতা আৰম্ভ হৈছিল। ১৯২৮ চনত আও নগা সকলে একেধৰণৰ পৰিষদ গঠন কৰিছিল আৰু অন্যান্য নগা সকলেও ১৯৪০ চনৰ ভিতৰত জনজাতিয় পৰিষদ গঠন কৰিছিল।
- ভাৰতত বৃটিছ শাসনৰ শেষৰফালে, নাগা হিলচৰ উপায়ুক্ত চি. আৰ. প'চেই (C.R. Pawsey) ১৯৪৫ চনৰ নগা জাতীয় পৰিষদ গঠন কৰিছিল, নগাসকলক ঐক্যবদ্ধ কৰাৰ

উদ্দেশ্যেৰে ১৯৪৫ চনত নগা পাহাৰীয়া পাৰ্বত্য জিলা জনজাতীয় পৰিষদ গঠন কৰিছিল, যি পাছত ১৯৪৬ চনত নগা জাতীয় পৰিষদলৈ সলনি পৰিৱৰ্তন হৈছিল।

- বৃটিছ সকলে অসম অধিকাৰ কৰাৰ আগতে আহোম ৰজা সকলে নগাসকলক তেওঁলোকৰ প্ৰজা (Subject)ৰ দৃষ্টিৰে চাইছিল, মণিপুৰৰ ৰজাইও নগা পাহাৰৰ কিছু অংশৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিছিল।
- ১৯ শ শতিকাৰ প্ৰথম ভাগত অসম অধিগ্ৰহণৰ লগে লগে গোটেই নগা পাহাৰ বৃটিছ ভাৰতৰ অংশ হৈ পৰিছিল বংগৰ লে. গৱৰ্ণৰ প্ৰশাসনৰ অধীনত ১৮৬৬ চনত চামাগুটিং (Samaguting) ত মূখ্য কাৰ্য্যালয়ৰ সৈতে নাগা পাহাৰীয়া জিলা গঠন হৈছিল যাক ১৮৭৪ চনত অসম ৰাজ্যলৈ হস্তান্তৰ কৰা হৈছিল।
- ১৮৭৬ চনত পাহাৰৰ মধ্যম স্থানত অৱস্থিত ৰখা (Wokha) লৈ জিলাৰ মুখ্য কাৰ্য্যালয় স্থানান্তৰ কৰা হৈছিল আৰু দুবছৰ পাছত ইয়াক কহিমালৈ স্থান সলনি কৰা হৈছিল আৰু ৰখা মহকুমাৰ সদৰ হিচাপে আছিল। ১৮৮৯ চনত মহকুমাৰ সদৰ কাৰ্য্যালয় মোককচুঙলৈ স্থান সলনি কৰা হৈছিল।
- এনেকৈ বৃটিছ প্ৰশাসনৰ অধীনত অসমৰ নগা পাহাৰীয়া জিলাৰ কহিমা(সদৰ) আৰু মোককচাঙ দুটা মহকুমা আছিল। ১৯৪৭ চনত ভাৰতৰ স্বাধীনতাৰ সময়ত এই ব্যৱস্থাপনা কেন্দ্ৰীয় চৰকাৰে উত্তৰাধিকাৰ স্বৰূপে লাভ কৰিছিল।
- ১৯৫০ চনৰ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ ভাৰতীয় সংবিধানে নগা পাহাৰীয়া জিলাৰ প্ৰশাসনিক ব্যৱস্থাৰ পৰিৱৰ্তন আনিছিল। সংবিধানৰ ষষ্ঠ অনুসূচীৰ (অংশ ক) অধীনত নগা পাহাৰীয়া জিলাক স্বায়ত্ব শাসিত জিলা হিচাপে গণ্য কৰা হৈছিল আৰু ইয়াৰ এখন স্বায়ত্ব শাসিত জিলা পৰিষদ থাকিব, যি বাস্তৱত ৰূপায়িত নহ'লে যিহেতু নগাসকল ষষ্ঠ অনুসূচীত প্ৰতি অসন্তুষ্ট হৈ পৰিছিল আৰু তেওঁলোকে, সেয়েহে, পৰিষদৰ নিৰ্বাচন বৰ্জন কৰিছিল।
- অৱশেষত জিলাখনৰ প্ৰশাসন, ষষ্ঠ অনুসূচীৰ পৰা ১৯ ৰ সামগ্ৰিক চৰ্তৰ পাহাৰীয়া জিলাৰ সংবিধানৰ পৰিণতিত ফলস্বৰূপে নগা পাহাৰৰ অৱশিষ্ট পাহাৰীয়া অঞ্চল যি নগা পাহাৰীয়া জিলাৰ বাহ্যিক সীমান্ত আৰু ভাৰত আৰু বাৰ্মা (ম্যানমাৰ) ৰ আন্তজাৰ্তিক সীমান্তৰ মাজত আছিল, ১৯৩৫ চনত "ভাৰত চৰকাৰ আইন" বলবৎ হোৱাৰ আগলৈকে ১৯৩৭ চনলৈ শাসন বিহীন (Unadministered) অঞ্চল হিচাপে আছিল।
- ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধান বলবৎ হোৱাৰ পাছত নগা জনজাতীয় অঞ্চলক ষষ্ঠ অনুসূচীৰ (অংশ-খ) অধীনলৈ নিয়া হয় আৰু ৰাষ্ট্ৰপতিৰ প্ৰতিনিধি স্বৰূপে অসমৰ ৰাজ্যপালে শাসন চলাব।
- ১৯৫৪ চনৰ উত্তৰ-পূৱ সীমান্ত অঞ্চলৰ (প্ৰশাসন) আইনে উত্তৰ পূৱ সীমান্ত এজেন্সীৰ সৃষ্টি কৰিছিল, যিয়ে নগা জনজাতীয় অঞ্চলক অন্তৰ্ভুক্ত কৰিছিল আৰু যাক টুৰেনচাঙ

সীমান্ত মণ্ডল (Division) হিচাপে পুনৰ নামকৰণ কৰা হৈছিল।

- নগা জাতীয় পৰিষদ আৰু অসমৰ ৰাজ্যপাল আকবৰ হায়দৰীৰ মাজত কহিমাত ১৯৪৭ চনৰ জুনত চুক্তিবদ্ধ হোৱা ন দফীয়া বুজাবুজি এক সংঘাত পূৰ্ণ পৰিচালনা ব্যৱস্থা হৈ পৰিছিল। এই বুজাবুজিয়ে নগাসকলৰ ভাৰতৰ লগত ১০ বছৰৰ বাবে সহযোগিতাৰ নির্ধাৰণ কৰিছিল, ইয়াৰ পাছত তেওঁলোকে নিজৰ ভাগ্য নিজে থিৰাং কৰিব।
- ১৯৫০ চনত ভাৰতৰ সংবিধান বলবৎ কৰাৰ পাছত হায়দৰী বুজাবুজিৰ চৰ্তবোৰ ষষ্ঠ অনুসূচীত সংযোজন কৰা হৈছিল কিন্তু নগা জাতীয় পৰিষদে ইয়াৰ অৱমাননা কৰিছিল আৰু এক গণ আন্দোলনৰ কার্যসূচী আৰু মুক্ত বিদ্রোহত প্রবৃত্ত হৈছিল।
- ১৯৫৪ চনত টুৱেনচাঙত সশস্ত্র বিদ্রোহৰ সূত্রপাত হৈছিল অতি সোনকালে আন দুখন জিলা কহিমা আৰু মোককচাঙক গ্রাস কৰি পেলাইছিল। প্রথমে আৰক্ষী, পাছত সামৰিক বাহিনীক বিদ্রোহ দমন কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল।
- ১৯৫৭ চনত নগা নেতৃত্ব আৰু কেন্দ্রীয় চৰকাৰৰ মাজত এক চুক্তিত উপনীত হৈছিল আৰু অসম ৰাজ্যত নগা পাহাৰ নামৰ এক নতুন প্রশাসনিক গোট গঠন হৈছিল যাক নগা পাহাৰ টুৱেনচাঙ অঞ্চল - Naga Hills-Tuensang Area -NHTA (পূৰ্বৰ নগা পাহাৰ জিলা আৰু North East Frontier Agency- NEFA ৰ টুৱেনচাঙ সীমান্ত অঞ্চলেৰে গঠিত) হিচাপে জনা গৈছিল । NHTA কেন্দ্রীয় চৰকাৰে প্রত্যক্ষ ভাৱে শাসন কৰা এক কেন্দ্রীয় শাসিত অঞ্চল হৈ পৰিছিল কিন্তু এক বৃহৎ মাত্রাত স্বায়ত্বশাসনেৰে।
- যি কি নহঁওক, এইটো নগাসকলৰ কাৰণে গ্রহণযোগ্য নাছিল আৰু নগাসকল আৰু সুৰক্ষা বাহিনীৰ মাজত সংঘাত অব্যাহত আছিল ।
- প্রধানমন্ত্রী নেহেৰু আৰু নগা জনসাধাৰণৰ অভিবর্তন (Naga People's Convention) ৰ মাজত আলোচনা অনুষ্ঠিত হৈছিল আৰু ১৯৬০ চনৰ জুলাইত এক ১৬ দফীয়া চুক্তিত উপনীত হৈছিল যাৰ দ্বাৰা ভাৰত চৰকাৰে ভাৰত যুক্তৰাজ্যৰ ভিতৰত নাগালেণ্ডক এখন পূৰ্ণ পর্য্যায়ৰ ৰাজ্য হিচাপে স্বীকৃতি প্রদান কৰিছিল।
- চুক্তিখনৰ প্রথম চর্ত্তটোৰ মতে এইটো ঘোষণা কৰা হৈছিল যে "১৯৫৭ চনৰ নগা পাহাৰ টুৱেনাচাঙ অঞ্চল আইনৰ অধীনত এতিয়ালৈকে জনাজাত নগা পাহাৰ টুৱেনচাঙ অঞ্চলৰ ভূখণ্ডই, ভাৰত যুক্তৰাজ্যৰ ভিতৰত এখন ৰাজ্য গঠন কৰিব আৰু এতিয়াৰ পৰা আগলৈ নাগালেণ্ড হিচাপে জনা যাব।"
- সেইমতে নাগালেণ্ড ৰাজ্যক ১৯৬৩ চনৰ ১ ডিচেম্বৰত ক'হিমাত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্রপতিয়ে উদ্ঘোধন কৰিছিল।
- বর্তি থকা অসম ৰাজ্য আৰু ইয়াৰ লগত জড়িত বিষয়সমূহৰ পুনসংগঠন কৰি ১৯৭১ চনৰ ৩০ ডিচেম্বৰত উত্তৰ পূৰ অঞ্চলৰ পুনসংগঠন আইন, ১৯৭১ গৃহীত কৰা হৈছিল যি মণিপুৰ আৰু ত্রিপুৰা ৰাজ্য গঠনৰ আইনগত ব্যৱস্থা কৰিছিল আৰু মেঘালয় ৰাজ্য

আৰু মিজোৰাম আৰু অৰুণাচল প্ৰদেশ কেন্দ্ৰীয় শাসিত অঞ্চলৰ আইনগত ব্যৱস্থা কৰিছিল।


- উত্তৰ-পূৰ অঞ্চলৰ পুনসংগঠন আইন ১৯৭১ ৰ পাছত উখান সেৱা পৃথক ৰাজ্যসমূহে প্ৰধানকৈ পাৰ্বত্য অঞ্চলত বসবাস কৰা অগণন সৰু সৰু দল আৰু সম্প্ৰদায়ৰ তেওঁলোকৰ সংস্কৃতি পৰিচয় পৰম্পৰা আৰু মূল্য সুৰক্ষা দিবলৈ তেওঁলোকক নিজস্ব ধৰণেৰে বিকাশ লাভ কৰিবলৈ স্বায়ত্ব শাসন প্ৰদান কৰি তেওঁলোকৰ আৱেগক সন্তুষ্ট কৰিবলৈ সক্ষম হৈছিল।



৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

1. Datta Ray , B. and Agrawal, S.P. *Reorganisation of North East India since 1947*. Concept Publishing Company, 1996.
2. Verma, Rajesh. *History of North East India*. Mittal Publications. 2103.

৯.৮ অগ্ৰগতিৰ খতিয়ান



১ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮৭

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চামাগুটিং

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ষষ্ঠ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) মেঘালয় ৰাজ্যৰ দুটা সংসদীয় সমষ্টি থাকিব যাক ছিলং সংসদীয় সমষ্টি আৰু তুৰা সংসদীয় সমষ্টি বুলি আখ্যা দিয়া হ'ব।

খ) অসম, মণিপুৰ, মেঘালয় আৰু ত্ৰিপুৰা ৰাজ্যৰ ৰাজহৰ অনুদান (Grants-in-aid) আৰু আবকাৰী সম্পত্তিৰ কৰ আৰু আয় কৰৰ কেন্দ্ৰীয় কৰৰ এই প্ৰত্যেক ৰাজ্যৰ অংশ ৰাষ্ট্ৰপতিয়ে নিৰ্দেশনাৰ দ্বাৰা নিৰ্ধাৰণ কৰিব।



৯.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ বৃটিছ প্ৰশাসনৰ অধীনত থকা অসমৰ নগা পাহাৰ জিলাৰ মহকুমা কেইটাৰ নাম লিখক।

প্ৰশ্ন ২ঃ কোন চনত নাগালেণ্ড ৰাজ্য গঠন কৰা হৈছিল?

প্ৰশ্ন ৩ঃ কোনবোৰ অঞ্চল সামৰি নগা পাহাৰ- তুৱেনচাং অঞ্চল (NHTA) গঠন কৰা হৈছিল?

প্ৰশ্ন ৪ঃ ১৯৪৫ চনত নগা পাহাৰ জিলা জনজাতি পৰিষদ গঠন কৰা নাগা পাহাৰৰ উপায়ুক্তগৰাকীৰ নাম লিখক।

(খ) চুটি প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ নগা পাহাৰত হোৱা সাংবিধানিক বিকাশ আৰু নাগালেণ্ড গঠনৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ঃ নগা ৰাজনৈতিক পৰিচয়ৰ বাবে চলা সংগ্ৰামৰ বিষয়ে চমুকৈ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ নাগালেণ্ড গঠনৰ প্ৰক্ৰিয়াটো চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ঃ উত্তৰ পূৱ অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১ ৰ যিকোনো সাতটা ব্যৱস্থা ব্যাখ্যা কৰক।

****

অধ্যায় ১০ ঃ ভাষা আন্দোলন আৰু অসম আন্দোলন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ভাষা আন্দোলন
১০.৪ অসম আন্দোলন
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্রগতিৰ খতিয়ান
১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমত ভাষা আন্দোলনৰ পটভূমি ব্যাখ্যা কৰিব পাৰিব,
- ভাষা আন্দোলনৰ উল্লেখযোগ্য ঘটনাসমূহ আলোচনা কৰিব পাৰিব,
- অসম আন্দোলনৰ পটভূমি বৰ্ণনা কৰিব পাৰিব,
- অসম আন্দোলনৰ উল্লেখযোগ্য ঘটনাসমূহ আলোচনা কৰিব পাৰিব,
- এক গণ আন্দোলনৰ বাবে জনসাধাৰণক সংগঠিত কৰাৰ ক্ষেত্ৰত বিভিন্ন সংগঠন, যেনে— সদৌ অসম ছাত্ৰ সন্থা, অসম গণ সংগ্ৰাম পৰিষদৰ ভূমিকা সম্পৰ্কে আলোচনা কৰিব পাৰিব,
- ১৯৮৫ চনৰ অসম চুক্তিৰ বিভিন্ন ব্যৱস্থা ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ এক সূক্ষ্ম নিৰীক্ষণে এইটো স্পষ্টভাৱে প্ৰতিফলিত কৰে যে এক ভৌগোলিক সত্তা হিচাপে অসমে ইতিহাসৰ বিভিন্ন সময়ত বিভিন্ন অঞ্চল আৰু বিভিন্ন প্ৰব্ৰজনৰ ফলত উৎপত্তি হোৱা ভিন্ন জাতি আৰু জনগোষ্ঠীৰ এক মিলনকেন্দ্ৰ হিচাপে প্ৰতিনিধিত্ব কৰে। ইংৰাজ শাসনৰ সময়ছোৱাত সেইসময়ৰ শাসকসকলে ৰাজনৈতিক আৰু অৰ্থনৈতিক লাভালাভৰ ওপৰত ভিত্তি কৰি অসমৰ বিভিন্ন প্ৰান্তত জনবসতিৰ বাবে উৎসাহ যোগাইছিল আৰু তেনেধৰণৰ ৰাজনৈতিক আৰু প্ৰশাসনিক ব্যৱস্থাই অসমৰ সমগ্ৰ জনসাংখ্যিক ক্ষেত্ৰখনলৈ এক ভাবুকিস্বৰূপ হৈ পৰিছিল। বাস্তৱিকতে, ঔপনিৱেশিক শাসনে অসমৰ ভাষা-সংস্কৃতিৰ ক্ষেত্ৰখনত কিছুমান নতুন জটিলতাৰ জন্ম দিছিল। এই পটভূমিৰ বিপৰীতে, আকৌ, প্ৰাক্-

স্বাধীনতাকালত অসমে অসমীয়াৰ ভাষা আৰু সংস্কৃতিৰ পৰিচয়ক কেন্দ্ৰ কৰি গঢ় লৈ উঠা কিছুমান সংঘাতজনিত আৰু অস্থিৰ পৰিবেশৰ সন্মুখীন হ'বলগীয়া হৈছিল। অসমৰ ভাষা-সংস্কৃতি ৰক্ষাৰ নামত গঢ় লৈ উঠা এনে কিছুমান প্ৰচেষ্টা প্ৰত্যক্ষ কৰিব পাৰি ১৯৬০ দশকৰ ভাষা আন্দোলন আৰু ১৯৭০ দশকৰ শেষৰ ভাগত আৰম্ভ হোৱা অসম আন্দোলনৰ জৰিয়তে। এইটো অধ্যায়ত আমি অসমৰ ৰাজনৈতিক ইতিহাসত বিশেষ প্ৰভাৱ পেলোৱা ভাষা আন্দোলন আৰু অসম আন্দোলন— এই দুয়োটাৰ বিষয়ে আলোচনা কৰিম।

১০.৩ ভাষা আন্দোলন

অসমত ভাষা আন্দোলনৰ পটভূমি বুলিলে ইংৰাজৰ ঔপনিৱেশিকতাবাদ শাসনৰ সময়ছোৱালৈ আঙুলিয়াব লাগিব, যেতিয়া ইংৰাজসকলে ১৮৩৭ চনত অসমৰ চৰকাৰী বিদ্যালয় আৰু আইনৰ আদালত-কাছাৰীসমূহত বঙালী ভাষাৰ প্ৰৱৰ্তন কৰিছিল। এই নীতিৰ বিৰুদ্ধে আনন্দৰাম ঢেকিয়াল ফুকনকে ধৰি অসমৰ বৌদ্ধিক জগতৰ কেইবাজনো অভিজ্ঞ ব্যক্তিয়ে অসন্তুষ্টি প্ৰকাশ কৰিছিল আৰু ইংৰাজ ঔপনিৱেশিক শাসনৰ বিপক্ষে গৈ বিদ্যালয়সমূহত বঙালী ভাষা প্ৰচলন কৰাত বাধা আৰোপ কৰিছিল। আমেৰিকাৰ বেপ্তিষ্ট্ মিছনেৰীসকলেও অসমত বঙালী ভাষা আৰোপ কৰাত তীব্ৰভাৱে বিৰোধিতা কৰিছিল। ইয়াৰ ফলস্বৰূপে, ১৮৭৩ চনত অসমীয়া ভাষাক বিদ্যালয়ৰ মাধ্যম হিচাপে পুনৰ ঘোষণা কৰাৰ লগতে আদালত-কাছাৰীতো ইয়াৰ পুনৰ প্ৰচলন কৰা হ'ব বুলি ঘোষণা কৰা হৈছিল। অসমীয়া ভাষা-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত ১৮৮৮ চনত কলিকতাত (বৰ্তমান কলকাতা) গঠন হোৱা অসমীয়া ভাষা উন্নতি সাধনী সভাই এক বিশেষ ভূমিকা পালন কৰিছিল। বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা ইংৰাজ ঔপনিৱেশিক শাসকসকলে বৃহত্তৰ পূৰ্ববংগৰ পৰা অসমৰ ভূমি অধিকৃত অঞ্চলসমূহলৈ পূৰ্ববংগীয় বঙালীভাষী মুছলমানসকলৰ প্ৰবজন হোৱাত অনুপ্ৰেৰণা যোগাইছিল। সেয়ে সৰহসংখ্যক ভূমিয়েই তেনে অধিবাসীসকলৰ দ্বাৰা অধিকৃত হৈ পৰিছিল। একে সময়তে, ঔপনিৱেশিক শাসকসকলে তেওঁলোকৰ নিম্ন আৰু মধ্যবৰ্গীয় আমোলাতান্ত্ৰিক কৰ্মচাৰীসকল নিয়োগ কৰাৰ ক্ষেত্ৰত ইংৰাজী জ্ঞান থকা ব্যক্তিসকলকহে অগ্ৰাধিকাৰ দিছিল। সেইমতে, ইংৰাজ ঔপনিৱেশিক শাসকসকলে অসমলৈ বঙালী হিন্দুসকলৰ প্ৰব্ৰজন হোৱাত উৎসাহ যোগাইছিল আৰু তেওঁলোকক অসমত কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগ, যেনে— ৰেল বিভাগ বা ডাক বিভাগত নিয়োগ কৰিছিল, যিসকল বঙালী হিন্দুয়ে ঔপনিৱেশিক শাসনৰ প্ৰথমভাগতে পশ্চিমীয়া শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল। অতি সোনকালেই বঙালী হিন্দুসকলে অসমৰ চৰকাৰী কাৰ্যালয়ৰ বিভিন্ন ক্ষেত্ৰত যেনে আইন, চিকিৎসাবিদ্যা আৰু শিক্ষকতাৰ ক্ষেত্ৰখনত এক প্ৰভাৱশালী স্থান দখল কৰিবলৈ সক্ষম হৈছিল।

এই পটভূমিৰ বিপৰীতে, স্বাধীনতাৰ পিছতেই, অসমৰ আমোলাতন্ত্ৰৰ উচ্চ পদবীসমূহ শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ অসমীয়াসকলৰ দ্বাৰাহে পূৰণ কৰা হৈছে বুলি অসমৰ নাগৰিকসমাজে

আৰু অধিক শক্তিশালীভাৱে অসমৰ ভাষা-সংস্কৃতিৰ পৰিচয়ৰ প্ৰতি সচেতন হৈ পৰিছিল। অসমীয়া সমাজৰ কিছুসংখ্যক শ্ৰেণীয়ে আকৌ অসমীয়াক ৰাজ্যভাষা বুলি ঘোষণা কৰাৰ ওপৰত জোৰ দিছিল। অসমৰ ভাষা আৰু সাহিত্যৰ দুটা অগ্ৰণী অনুষ্ঠান, অসম সাহিত্য সভা আৰু অসম জাতীয় মহাসভাই বঙালী ভাষাৰ আধিপত্যৰ ওপৰত উদ্বেগ প্ৰকাশ কৰিছিল। অসম সাহিত্য সভাই অসমীয়া ভাষাক ১৯৬০ চনৰ ভিতৰত অসমৰ ৰাজ্যভাষা হিচাপে ঘোষণা কৰাৰ বাবে চৰকাৰক আবেদন জনাইছিল। ১৯৫৯ চনৰ ৯ ছেপ্টেম্বৰৰ দিনটো সমগ্ৰ অসমতে ৰাজ্যভাষা দিৱস হিচাপে পালন কৰা হৈছিল। কিন্তু সদৌ পাহাৰীয়া দলৰ নেতাৰ সন্মিলন (All Party Hill Leaders Conference, APHLC) আৰু আন জনগোষ্ঠীয় সংগঠনসমূহে অসমীয়াক চৰকাৰী ভাষা হিচাপে ঘোষণা কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ শংকা প্ৰকাশ কৰিছিল। অসমীয়াক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়াৰ সমৰ্থনকাৰীসকলে তেওঁলোকৰ দাবীৰ সমৰ্থনত সভা-সমিতি অনুষ্ঠিত কৰাৰ লগতে কেতবোৰ প্ৰস্তাৱ উত্থাপন কৰিছিল। বিভিন্ন সংগঠনে মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ দাখিল কৰিছিল। তেওঁলোকক আশ্বাস প্ৰদান কৰা হৈছিল যে সংবিধান আৰু ৰাজ্য পুনৰগঠনৰ আয়োগে প্ৰদান কৰা ব্যৱস্থা অনুসৰি ভাষীয় সংখ্যালঘুসকলৰ অধিকাৰসমূহৰ প্ৰতি শ্ৰদ্ধা জনোৱা হ'ব। তথাপিও সংখ্যালঘু সংগঠন যেনে— বেংগল সংগ্ৰাম পৰিষদে কৈছিল যে বঙালী ভাষাক অসমৰ দ্বিতীয় ৰাজ্যভাষা হিচাপে স্বীকৃতি দিয়া উচিত আৰু লগতে কাছাৰ জিলাৰ কাৰণে বঙালী ভাষাক জিলাভিত্তিক চৰকাৰী ভাষা হিচাপে ঘোষণা কৰা উচিত। গুৰুত্বপূৰ্ণভাৱে, অসম প্ৰদেশ কংগ্ৰেছ কমিটি (APCC)-য়ে এক সিদ্ধান্ত জাৰি কৰিছিল যে, অসমীয়াক আইনমতে ৰাজ্যভাষা হিচাপে ঘোষণা কৰা হওঁক আৰু চৰকাৰে অনুমোদন জনোৱা ক্ষেত্ৰসমূহত ইয়াৰ ব্যৱহাৰ হোৱা উচিত। ইয়াৰ লগতে সিদ্ধান্তত এইবুলিও উল্লেখ কৰা হৈছিল যে কাছাৰ জিলাৰ লগতে স্বায়ত্বশাসিত জিলাসমূহ যেনে— পাৰ্বত্য খাচী আৰু জয়ন্তীয়া পাহাৰ, উত্তৰ কাছাৰ পাৰ্বত্য জিলা আৰু পাৰ্বত্য গাৰো জিলা, এই জিলাকেইখনক বাদ দি আন সকলো জিলাতে অসমীয়াক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়া উচিত, বাকী স্বায়ত্বশাসিত জিলাকেইখনত তেওঁলোকে যেতিয়া বিচাৰে তেতিয়াহে অসমীয়া ভাষাক আৰোপ কৰা উচিত। অসম প্ৰদেশ কমিটিৰ এই সিদ্ধান্তৰ বিৰুদ্ধে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন প্ৰান্তৰ লগতে পাৰ্বত্য জিলা আৰু হ'ব কাছাৰ জিলাতো তীব্ৰ বিৰোধিতাৰ সৃষ্টি হৈছিল। ফলস্বৰূপে, সমগ্ৰ পৰিবেশটোৱেই অশান্ত হৈ পৰিছিল। শ্বিলঙৰ অনা-অসমীয়া আৱাসীসকলে অসমীয়া ভাষাৰ বিৰুদ্ধে আৰু উক্ত সিদ্ধান্তৰ বিৰুদ্ধে উচতনিমূলক শ্লোগান ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। ইয়াৰ প্ৰত্যুত্তৰস্বৰূপে, ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া ছাত্ৰসকলে তেওঁলোকৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰিছিল। ডিব্ৰুগড় আৰু যোৰহাটত সমদল উলিওৱা হৈছিল, য'ত হাজাৰ হাজাৰ ছাত্ৰই অসমীয়াক ৰাজ্যভাষা হিচাপে আদৰি ল'বৰ বাবে দাবী জনাইছিল। অতি সোনকালেই এই আন্দোলন শিৱসাগৰ, কামৰূপ, লক্ষীমপুৰ আৰু আন জিলাসমূহলৈও বিয়পি পৰিছিল। ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, মৰিয়নি, লামডিং ৰেল ষ্টেচনৰ লগতে হাইলাকান্দি, গুৱাহাটী, গোৰেশ্বৰ আৰু অসমৰ আন কিছুমান অঞ্চলতো ভয়াবহ

সংঘর্ষই গা কৰি উঠিছিল। অসমীয়া সম্প্রদায় আৰু বঙালী সম্প্রদায়ৰ মাজত মূলতঃ ভয়াবহ সংঘর্ষ সংঘটিত হোৱাৰ লগতে কিছু কিছু সংঘর্ষথলীৰ পৰা ৰেল অৱৰোধ আৰু ৰেল বিভাগৰ সামগ্রী বিনষ্ট কৰাৰ খবৰো পোৱা গৈছিল। ১৯৬০ চনত শিলচৰত অনুষ্ঠিত হোৱা সদৌ অসম বঙালী ভাষা সন্মিলনে এইটো দাবী জনাইছিল যে অসমক ***দ্বি-ভাষিক*** ৰাজ্য হিচাপে ঘোষণা কৰা উচিত। গুৱাহাটীত সংঘর্ষৰ ঘটনাসমূহ বিশেষকৈ সংঘটিত হৈছিল। এই হুলস্থূলৰ মাজতে ১৯৬০ চনৰ ৪ জুলাইত আৰক্ষীয়ে গুলীবর্ষণৰ আদেশ দিছিল আৰু যাৰফলত কটন মহাবিদ্যালয়ৰ এজন অসমীয়া ছাত্র ৰঞ্জিত বৰপূজাৰীৰ মৃত্যু হোৱাৰ লগতে আন ছয়জন ছাত্র আঘাতপ্রাপ্ত হৈছিল। ৰঞ্জিত বৰপূজাৰীক ভাষা আন্দোলনৰ প্রথম শ্বহীদ বুলি ঘোষণা কৰা হৈছিল।

ইয়াৰ পিছতে এনে অশান্ত পৰিবেশৰ মাজত অসমৰ মুখ্যমন্ত্রী শ্রী বি. পি. চলিহাই বিধানসভাত অসম চৰকাৰী ভাষা বিধেয়ক উত্থাপন কৰে আৰু ইয়াৰ ফলস্বৰূপে ১৯৬০ চনত অসম চৰকাৰী ভাষা আইনখন গৃহীত হৈছিল। এই আইনৰ মতে অসমীয়া ভাষাক অসমৰ সকলো নাইবা যিকোনো চৰকাৰী কাম-কাজৰ ক্ষেত্রতে ব্যৱহাৰ কৰা হ'ব। একে সময়তে সংবিধানৰ ৩৪৩ অনুচ্ছেদৰ অধীনত ৰাজ্য চৰকাৰৰ সকলো চৰকাৰী কাম-কাজৰ ক্ষেত্রত ইংৰাজী (পৰৱর্তী কালত হিন্দী) ভাষাও ব্যৱহৃত হ'ব। এই আইনখন গৃহীত হোৱাৰ পিছত, আইনখনৰ বিৰুদ্ধে, পার্বত্য জিলাৰ বিভিন্ন সম্প্রদায়সমূহৰ লগতে কাছাৰ জিলাৰ বঙালী সম্প্রদায়ৰ লোকসকলে অসন্তুষ্টি প্রকাশ কৰিছিল। কাছাৰ সংগ্রাম পৰিষদে বঙালীক এক পৃথক ৰাজ্যভাষা হিচাপে দাবী জনাই এক আন্দোলনৰ সূচনা কৰে আৰু যাৰ ফলস্বৰূপে ভয়াৱহ সংঘর্ষ আৰু আৰক্ষীৰ গুলীবর্ষণত আঠজন লোকৰ মৃত্যু হোৱাৰ লগতে বিশজনতকৈও অধিক লোক আঘাতপ্রাপ্ত হয়। এনে পৰিস্থিতিত তেতিয়াৰ কেন্দ্রীয় গৃহ মন্ত্রী লাল বাহাদুৰ শাস্ত্রীয়ে ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইন আৰু কাছাৰ সংগ্রাম পৰিষদ আন্দোলনৰ পৰিপ্রেক্ষিতত বিৰোধী দলসমূহৰ মাজত মীমাংসা ঘটাবলৈ এক নির্দেশ বিধিৰ অৱতাৰণা কৰে। শাস্ত্রীৰ নির্দেশ বিধিৰ মূল কথাখিনি আছিল এনেধৰণৰ— ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইনৰ সংশোধনীৰ জৰিয়তে মহকুমা পৰিষদৰ সুবিধাসমূহ অন্তর্ভুক্ত কৰোৱা; ৰাজ্যৰ মুখ্য সচিবালয়, কাছাৰ আৰু স্বায়ত্বশাসিত পার্বত্য জিলাসমূহৰ মাজৰ যোগাযোগৰ মাধ্যম হিন্দী নোহোৱালৈকে ইংৰাজীয়ে থাকিব; ৰাজ্যিক স্তৰত অসমীয়াৰ লগতে ইংৰাজীও ব্যৱহাৰ কৰা হ'ব; ৰাজ্যৰ ভাষিক সংখ্যালঘুসকলক সুৰক্ষা প্রদান কৰা হ'ব; সকলো বিধেয়ক, আইন, নীতি, চৰকাৰী আদেশ আদি চৰকাৰী ৰাজপত্রত অসমীয়াত প্রকাশিত হ'লেও ইংৰাজীতো প্রকাশ কৰা হ'ব।

শাস্ত্রীৰ এই নির্দেশ বিধি অসম চৰকাৰে গ্রহণ কৰে আৰু সেই অনুসৰি ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইনখনৰ শাস্ত্রীয়ে আগবঢ়োৱা পৰামর্শসমূহৰ ওপৰত ভিত্তি কৰি, ১৯৬১ চনত সংশোধন ঘটোৱা হয়। সেইমতে, আইনখনৰ সংশোধনী অনুসৰি ই স্বায়ত্বশাসিত জিলাসমূহত নিজা ভাষা ব্যৱহাৰৰ ক্ষেত্রত সুৰক্ষা প্রদান কৰাৰ লগতে কাছাৰ জিলাত বঙালী

ভাষা ব্যৱহাৰৰ ক্ষেত্রতো সুৰক্ষা প্রদান কৰে। (উৎস ঃ The Assam Official Language Act, 1960, http://www.neo portal.org/north_east_files/Assam/Acts Ordinances/ Assam_Official_Language_Act_1968. asp)

১৯৭০ দশকত অসমীয়া-বঙালী সংঘাতে পুনৰাই গা কৰি উঠে। ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে ইয়াৰ অধীনস্থ সকলোবোৰ মহাবিদ্যালয়তে শিক্ষাৰ মাধ্যম অসমীয়া কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰিছিল। আৰম্ভণিতে, এই সিদ্ধান্ত পূর্ব বিশ্ববিদ্যালয় শ্রেণীসমূহৰ ক্ষেত্রতহে প্রযোজ্য হ'ব আৰু পিছলৈ ই লাহে লাহে স্নাতক শ্রেণীসমূহৰ ক্ষেত্রতো প্রযোজ্য হ'ব। কাছাৰ, মণিপুৰ, নাগালেণ্ড, মেঘালয় আৰু উত্তৰ-পূব সীমান্তৱর্তী প্রদেশ (বর্তমানৰ অৰুণাচল প্রদেশ)ৰ ক্ষেত্রত কিছু ব্যতিক্রম কৰা হয়। এই অঞ্চলসমূহত ইংৰাজীক বিকল্প মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ সুবিধা দিয়া হয়। এনেক্ষেত্রত কাছাৰ জিলাৰ বাসিন্দাসকলে অসমীয়াৰ লগতে বঙালীকো শিক্ষাৰ মাধ্যম হিচাপে ৰখাৰ বাবে জনায়। প্রতিবাদকাৰী দলসমূহৰ মাজত শান্তি বজাই ৰাখিবলৈ গুৱাহাটী বিশ্ববিদ্যালয় কর্তৃপক্ষই ঘোষণা কৰে যে এক নির্দিষ্ট সময়ৰ বাবে মহাবিদ্যালয়সমূহত শিক্ষাৰ মাধ্যম ইংৰাজী ব্যৱহাৰ কৰা হ'ব আৰু ছাত্র-ছাত্রীসকলক পৰীক্ষাত অসমীয়া, ইংৰাজী আৰু বঙালী এই তিনিওটা ভাষাতে উত্তৰ লিখিবলৈ অনুমতি প্রদান কৰা হ'ব। ছাত্র-ছাত্রীসকলক পৰীক্ষাত বঙালীত উত্তৰ লিখিবলৈ দিয়া অনুমতিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্র সমাজৰ পৰা তীব্র বিৰোধিতাৰ সৃষ্টি হয়। বহুতো ছাত্রই শ্রেণী বর্জন কার্যসূচী গ্রহণ কৰে। বহুতো ছাত্রক শান্তি ভংগৰ নামত গ্রেপ্তাৰ কৰা হয়। অসম সাহিত্য সভাই এক প্রস্তাৱ আগবঢ়ায় যে ব্রহ্মপুত্র উপত্যকাত শিক্ষাৰ মাধ্যম কেৱল অসমীয়া হ'ব লাগে আৰু পৰীক্ষাত প্রশ্ন উত্তৰ প্রদান কৰাৰ ক্ষেত্রত অসমীয়াৰ সৈতে ইংৰাজী মাধ্যম কিছু বছৰলৈ থকা উচিত। ইয়াৰ লগে লগেই বিভিন্ন প্রান্তত সংঘর্ষমূলক ঘটনা সংঘটিত হয় আৰু শেষত গুৱাহাটী বিশ্ববিদ্যালয়ে এক সিদ্ধান্ত গ্রহণ কৰে যে— গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ সকলোবোৰ মহাবিদ্যালয়তে শিক্ষাৰ মাধ্যম অসমীয়া হ'ব আৰু ইয়াৰ লগে লগে শৈক্ষিক পৰিষদে নির্ধাৰণ কৰা অনুসৰি দহ বছৰ বা তাতোকৈ কম সময়লৈ অসমীয়াৰ সৈতে ইংৰাজী বিকল্প মাধ্যম হিচাপে ব্যৱহাৰ কৰা হ'ব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই সিদ্ধান্তই কাছাৰ জিলাত এক হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে আৰু যাৰ ফলত সমগ্র বিষয়টোৱেই উচ্চতম ন্যায়ালয়লৈ যায়। উচ্চতম ন্যায়ালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এনে সিদ্ধান্তৰ ওপৰত এক নিষেধাজ্ঞা আৰোপ কৰে। এনে পৰিস্থিতিত অসমৰ মুখ্যমন্ত্রীয়ে বিভিন্ন দলৰ প্রতিনিধিসকল যেনে— শিক্ষক, ছাত্র, সাধাৰণ জনতাৰ সৈতে এক আলোচনাত মিলিত হয়। শেষত এই সিদ্ধান্ত কৰা হয় যে এখন পৃথক বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। এই বিশ্ববিদ্যালয়ৰ কাছাৰ জিলাৰ মহাবিদ্যালয়সমূহৰ ওপৰত ক্ষেত্রাধিকাৰ থাকিব। এই সিদ্ধান্তৰ অনুমোদন জনাই ১৯৭২ চনৰ অসম বিধান সভাত এক প্রস্তাৱ গৃহীত হয় যিয়ে কাছাৰ জিলাত এক পৃথক বিশ্ববিদ্যালয় স্থাপন কৰাৰ পথ প্রশস্ত কৰি তোলে। এই প্রস্তাৱত এইটোও ঘোষণা কৰা হয় যে গুৱাহাটী আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ বাবে শিক্ষাৰ মাধ্যম হ'ল অসমীয়া, লগতে ইংৰাজীও শিক্ষাৰ মাধ্যম হিচাপে চলি থাকিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ অসমৰ এজন বিশিষ্ট বুদ্ধিজীৱিৰ নাম উল্লেখ কৰক যিয়ে অসমীয়া ভাষাৰ স্বতন্ত্রতাৰ ক্ষেত্রত মতপোষণ কৰাৰ লগতে ইংৰাজ শাসকসকলৰ বিৰুদ্ধে গৈ বিদ্যালয়সমূহত বঙালী ভাষা ব্যৱহাৰ কৰাৰ বিৰোধিতা কৰিছিল।

.....

.....

.....

প্রশ্ন ২ ঃ অসমৰ দুটা অগ্রণী ভাষা আৰু সাহিত্য সংগঠনৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন ৩ ঃ কাছাৰ জিলাৰ এটা সংগঠনৰ নাম উল্লেখ কৰক যিয়ে বঙালীক পৃথক ৰাজ্যভাষা হিচাপে দাবী জনাই আন্দোলনৰ সূচনা কৰিছিল।

.....

.....

প্রশ্ন ৪ ঃ শাস্ত্রী নির্দেশ বিধিৰ যিকোনো দুটা পৰামর্শ উল্লেখ কৰক।

.....

.....

১০.৪ অসম আন্দোলন

অসমৰ ৰাজনৈতিক ইতিহাসত অসম আন্দোলনক (১৯৭৯-১৯৮৫) এক যুগান্তকাৰী ঘটনা হিচাপে আখ্যা দিব পাৰি। স্বাধীনতাৰ পিছত পূব পাকিস্তান (১৯৭১ চনৰ পিছত বাংলাদেশ)ৰ পৰা ঘটা প্রব্রজনৰ বিষয়টো চৰকাৰৰ বাবে এক গভীৰ চিন্তাৰ বিষয়ত পৰিণত হৈ পৰিছিল। পূব পাকিস্তানৰ পৰা ঘটা এই বৃহৎ পৰিমাণৰ বিদেশী নাগৰিকৰ আগমন ৰোধ কৰিবলৈ, ভাৰতীয় সংসদে ১৯৫০ চনত বিদেশী প্রব্রজনকাৰী (অসমৰ পৰা নিষ্কাশন) আইন [Immigrants (Expulsion from Assam) Act, 1950] খন প্রণয়ন কৰে। এই আইনখনে ৰাজ্যত গোপনে আৰু বে-আইনীভাৱে প্রবেশ কৰা নাগৰিকসকলক নিষ্কাশন অর্থাৎ বহিষ্কাৰ কৰিবলৈ কেন্দ্র আৰু ৰাজ্য চৰকাৰক ক্ষমতা প্রদান কৰে যাতে অসমৰ জনসাধাৰণৰ স্বার্থ সুৰক্ষিত হয়। এই আইনখনে স্পষ্টভাৱে উল্লেখ কৰিছিল যে বৃহৎ পৰিমাণৰ প্রব্রজনে অসমৰ অর্থনীতিক ক্ষতিগ্রস্ত কৰাৰ লগতে আইনশৃংখলা ৰক্ষাৰ ক্ষেত্রতো সমস্যাৰ সৃষ্টি কৰিব। কিন্তু কেন্দ্র আৰু ৰাজ্য চৰকাৰে এই আইনখন সফলভাৱে কার্যকৰী কৰিব পৰা নাছিল আৰু যাৰ

ফলত পূব পাকিস্তানৰ পৰা ঘটা প্ৰব্ৰজনৰো কোনো পৰিৱৰ্তন হোৱা নাছিল। ইয়াৰ পিছতেই মংগলদৈ উপ-নিৰ্বাচনৰ সময়ত পৰিস্থিতি আৰু অধিক অস্থিৰ হৈ পৰে। ১৯৭৯ চনৰ মাৰ্চ মাহত জনতা দলৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পিছত মঙ্গলদৈ সংসদীয় আসনখন খালী হৈ পৰে। ইয়াৰ ফলস্বৰূপে লোকসভাত এক উপ নিৰ্বাচন প্ৰক্ৰিয়াৰ আৰম্ভণি ঘটে। ইয়াৰ বাবে নিৰ্বাচনী সূচীৰ পুনৰীক্ষণ প্ৰক্ৰিয়া যেতিয়া আৰম্ভণি হয় তেতিয়া এক বৃহৎসংখ্যক ব্যক্তিৰ নাগৰিকত্বৰ সত্যতাৰ প্ৰতি প্ৰত্যাহ্বান জনাই বহুতো গোচৰ ৰুজু কৰা হয়। এইটোৱে অসমৰ জনসাধাৰণৰ মনত বিদেশী নাগৰিকৰ বিষয়টো লৈ এক আশংকাৰ সৃষ্টি কৰে। সদৌ অসম ছাত্ৰ সন্থাই (All Assam Students Union) সংবাদ পত্ৰৰ সৈতে লগলাগি অসমৰ নাগৰিকসকলৰ মাজত এইবুলি জনমত গঠন কৰে যে নিৰ্বাচনী সূচীৰ পৰা সকলো বিদেশী নাগৰিকৰ নাম প্ৰত্যাহাৰ নোহোৱালৈকে মঙ্গলদৈ সমষ্টিৰ উপ-নিৰ্বাচন অনুষ্ঠিত হোৱাত পলম হোৱা উচিত। অতি কম সময়ৰ ভিতৰতেই এই বিষয়টো কেৱল মঙ্গলদৈ সমষ্টিৰে নহয়, সমগ্ৰ অসমলৈ বিয়পি পৰিছিল। আন সমষ্টিসমূহৰ নিৰ্বাচনী সূচীত বিদেশী নাগৰিকৰ অবৈধ অৰ্ন্তভুক্তিৰ বিৰুদ্ধে সকলোতে প্ৰতিবাদৰ জোৱাৰ উঠিছিল। নিৰ্বাচনী সূচীৰ ক্ষেত্ৰত দেখা দিয়া এনে অস্থিৰতাৰ মাজত আৰু নতুনকৈ বাংলাদেশৰ পৰা অসমলৈ ঘটা প্ৰব্ৰজনৰ মাজতে সদৌ অসম ছাত্ৰ সন্থাই (AASU) বিদেশী নাগৰিকৰ "চিনাক্তকৰণ, ভোটাধিকাৰ বিলোপকৰণ, আৰু *দেশান্তকৰণ*ৰ দাবী জনাই ১৯৭৯ চনৰ ৮ জুনত এক বাৰ ঘণ্টীয়া অসম বন্ধৰ আহ্বান দিয়ে। অসমলৈ বিদেশী নাগৰিকৰ প্ৰব্ৰজনৰ বিষয় সম্পৰ্কে অসমৰ জনগণক সচেষ্ট কৰাৰ উদ্দেশ্যে অসম সাহিত্য সভাকে ধৰি অসমৰ কেইবাটাও ৰাজনৈতিক আৰু সাংস্কৃতিক সংগঠন মিলি সদৌ অসম গণ সংগ্ৰাম পৰিষদ (AAGSP) নামেৰে এক নতুন সংগঠন গঠন কৰে। আন কথাত ক'বলৈ গ'লে আছু আৰু অসম গণ সংগ্ৰাম পৰিষদ আদিৰ দৰে সংগঠনসমূহে বিদেশী নাগৰিকৰ চিনাক্তকৰণ আৰু দেশান্তকৰণৰ প্ৰতি চৰকাৰৰ ওচৰত দাবী জনাই প্ৰতিবাদী আৰু গণ বিক্ষোভ কাৰ্যসূচীৰে গঠিত এক সফল গণ আন্দোলন গঢ়ি তুলিবলৈ সক্ষম হৈছিল।

১৯৭৯ চনত অসমত জনতা দল চৰকাৰৰ অৱসানে এক ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি কৰে। ১৯৭৯ চনৰ নৱেম্বৰত গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন প্ৰান্তৰ হেজাৰ জন লোকক আইনৰ প্ৰতি এক সত্যাগ্ৰহ আৰু অসহযোগ আন্দোলন প্ৰদৰ্শন কৰা কাৰণে গ্ৰেপ্তাৰ কৰা হয়। ১৯৭৯ চনত অসমত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰা হয় আৰু ই এবছৰলৈ বৰ্তি থাকে। আছু আৰু অসম গণ সংগ্ৰাম পৰিষদে সকলো শিক্ষামূলক অনুষ্ঠানসমূহৰ বন্ধৰ আহ্বান জনায়। একে সময়তে তেওঁলোকে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়ৰ সন্মুখতো ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰে।

১৯৭৯ চনৰ ডিচেম্বৰত এই আন্দোলনৰ নেতাসকলে যেতিয়ালৈকে চৰকাৰে নিৰ্বাচনী সূচীৰ পৰা বিদেশী নাগৰিকৰ নাম প্ৰত্যাহাৰ নকৰে আৰু নিৰ্বাচনী সূচীখন পুনৰ সংশোধন নঘটায় তেতিয়ালৈকে লোকসভা নিৰ্বাচন বৰ্জন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। ইয়াৰ লগতে নিৰ্বাচনী সূচীৰ সংশোধন প্ৰক্ৰিয়া কাৰ্যকৰী নোহোৱা পৰ্যন্ত প্ৰত্যাশী প্ৰাৰ্থীসকলক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰিবলৈ অনুৰোধ জনোৱা হয়।

১৯৭৯ চনৰ ১০ ডিচেম্বৰ, যিটো আছিল সংসদীয় নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল কৰাৰ অন্তিম দিন, এই আন্দোলনৰ নেতাসকলে ৰাজ্যজুৰি এক বন্ধৰ আহ্বান জনায়। চৰকাৰে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত সান্ধ্য আইন জাৰি কৰে। বৰপেটা জিলাত আৰক্ষীয়ে নিৰ্বাচন বৰ্জন কৰিবলৈ আহ্বান জনোৱা প্ৰতিবাদকাৰীসকলৰ ওপৰত গুলীবৰ্ষণ কৰোতে বৰপেটাৰ আছু শাখাৰ সাধাৰণ সম্পাদক, খৰ্গেশ্বৰ তালুকদাৰে (যিসময়ত তেওঁৰ বয়স ২৫ বছৰো সম্পূৰ্ণ হোৱা নাছিল) মৃত্যুবৰণ কৰে। অসম আন্দোলনৰ সমৰ্থকসকলে কলিতাক অসম আন্দোলনৰ প্ৰথমজন শ্বহীদ হিচাপে ঘোষণা কৰে। ইয়াৰ লগে লগেই এক অৰ্থনৈতিক অৱৰোধ ঘোষণা কৰা হয়। এই আন্দোলনৰ সমৰ্থকসকলে অসমৰ পৰা দেশৰ আন প্ৰান্তলৈ খাৰুৱা তেল আৰু প্লাইউদৰ সৰবৰাহ বন্ধ কৰি দিয়ে। ১৯৮০ চনৰ ১৮ জানুৱাৰীত দুলীয়াজানত, অইল ইণ্ডিয়া লিমিটেডৰ মুখ্য কাৰ্যালয় আৰু জিলা প্ৰশাসনে আৰক্ষীৰ সহায়ত প্ৰতিবাদকাৰীসকলক আঁতৰাবলৈ নিৰ্দেশনা দিয়ে। প্ৰতিবাদকাৰীসকলে যেতিয়া আঁতৰি যাবলৈ অমান্তি হয় তেতিয়া আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰাৰ উপৰিও প্ৰতিবাদকাৰীসকলৰ ওপৰত গুলীবৰ্ষণ কৰে। এই গুলীবৰ্ষণত চাৰিজন ব্যক্তিৰ মৃত্যু হোৱাৰ লগতে বহুকেইজন আঘাতপ্ৰাপ্ত হয়। এই মৃত্যুবৰণ কৰা লোকসকলক আন্দোলনৰ নেতাসকলে শ্বহীদ ঘোষণা কৰে। অসমৰ জনসাধাৰণে অভূতপূৰ্বভাৱে তেল অৱৰোধ কাৰ্যসূচীৰ সমৰ্থন কৰে আৰু প্ৰতিবাদত সহযোগ কৰে।

কেশৱ গগৈ চৰকাৰৰ পতন ঘটাৰ লগে লগে অসমত পুনৰ ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰা হয়। সমগ্ৰ ৰাজ্যতে প্ৰতিবাদ আৰু প্ৰদৰ্শন কাৰ্যসূচী গ্ৰহণ কৰা হয়। অসমলৈ কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীক অনা হয় ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদকাৰীসকলক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ ওপৰত লাঠিচালনা কৰা হয়। ইয়াৰ পিছতেই ১৯৮২ চনৰ ডিচেম্বৰ মাহত ৰাজ্য চৰকাৰ আৰু আন্দোলনৰ নেতাসকলৰ মাজত এক আলোচনা হয়। কিন্তু চৰকাৰে ১৯৭৯ চনৰ নিৰ্বাচনী সূচীৰ ভিত্তিত অসমত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। নিৰ্বাচনৰ সময়ছোৱাত সমগ্ৰ ৰাজতে এক হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি হয়। নিৰ্বাচনৰ পিছত হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত এক নতুন কংগ্ৰেছ চৰকাৰ ক্ষমতালৈ আহে। সমগ্ৰ ৰাজ্যতে চৰকাৰৰ বিপক্ষে ধৰ্ণা আৰু প্ৰতিবাদ কাৰ্যসূচী গ্ৰহণ কৰা হয়। ইতিমধ্যে ১৯৮৩ চনত ভাৰতীয় সংসদে অবৈধ প্ৰব্ৰজনকাৰী (ট্ৰাইবুনেলৰ দ্বাৰা নিৰ্ধাৰিত) [Illegal Migrants (Determination by Tribunal Act, IMDT Act] আইনখন মঞ্জুৰ কৰে। কিন্তু এই আইনখনে এজন ব্যক্তি অসমত অবৈধ প্ৰব্ৰজনকাৰী হয়নে নহয় সেইটো চিনাক্ত কৰাত অধিক সমস্যাৰ সৃষ্টি কৰে কাৰণ এই আইনৰ মতে নাগৰিকত্ব চিনাক্ত কৰাটো অভিযোগকাৰী আৰু আৰক্ষীৰ ওপৰতহে নিৰ্ভৰ কৰে, অভিযুক্তৰ ওপৰত নিৰ্ভৰ নকৰে। ইয়াৰ পিছতেই ১৯৮৪ চনত ভাৰত চৰকাৰ আৰু আন্দোলনৰ নেতাসকলৰ মাজত এক আলোচনা অনুষ্ঠিত হয়। ১৯৮৫ চনৰ ১৫ আগষ্টত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী আৰু আন্দোলনৰ নেতাসকলৰ মাজত এক চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিক অসম চুক্তি হিচাপে জনা যায় । এই চুক্তিৰ মতে যিসকলে অবৈধ প্ৰব্ৰজনকাৰীয়ে ১৯৭১

চনৰ ২৫ মার্চৰ পিছত অসমত প্ৰবেশ কৰিছে, তেওঁলোকক চিনাক্ত কৰি দেশান্তৰ কৰা হ'ব। এই চুক্তিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰে যে অসমীয়াসকলৰ সামাজিক, সাংস্কৃতিক আৰু ভাষিক পৰিচয় আৰু ঐতিহ্য পৰম্পৰাৰ সংৰক্ষণ, ৰক্ষণাবেক্ষণ আৰু উন্নতিৰ অৰ্থে সাংবিধানিক, বিধায়িনী আৰু প্ৰশাসনিক সুৰক্ষা প্ৰদান কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ লগতে ভৱিষ্যত অবৈধ অনুপ্ৰৱেশ ৰোধ কৰিবলৈ সীমাৰ পহৰা বৃদ্ধি আৰু কাঁইটীয়া তাঁৰৰ বেৰ গঠন কৰিবলৈ সিদ্ধান্ত লয়। কেন্দ্ৰীয় চৰকাৰে প্ৰতিশ্ৰুতি প্ৰদান কৰা আন ব্যৱস্থাসমূহ আছিল এখন নতুন ভাৰতীয় প্ৰযুক্তিবিদ্যা সংস্থান (IIT) স্থাপন কৰাৰ লগতে এটা তৈল শোধানাগাৰ অসমত স্থাপন কৰা। ইয়াৰ লগতে কেন্দ্ৰীয় চৰকাৰে এইটো আশ্বাস প্ৰদান কৰিছিল যে চৰকাৰী ভূমি আৰু জনজাতীয় ক্ষেত্ৰৰ ভূমিৰ বেদখল ৰোধ কৰিবলৈ চৰকাৰী আইন প্ৰণয়ন কৰা হ'ব আৰু লগতে অবৈধ প্ৰৱেশকাৰীসকলক উচ্ছেদ কৰা হ'ব।

এই চুক্তিখন স্বাক্ষৰিত হোৱাৰ লগে লগেই অসম গণ পৰিষদ নামেৰে এক নতুন ৰাজনৈতিক দল গঠন কৰা হয়। এই চুক্তিখন স্বাক্ষৰিত হোৱাৰ সময়ত মান্তি হোৱা অনুসৰি ১৯৮৩ চনৰ নিৰ্বাচনৰ পিছত গঠন হোৱা ৰাজ্য বিধানসভাও ভংগ কৰা হয়। ১৯৮৫ চনৰ ডিচেম্বৰত অনুষ্ঠিত হোৱা বিধানসভা নিৰ্বাচনত অসম গণ পৰিষদ দল ক্ষমতালৈ আহে আৰু প্ৰফুল্ল কুমাৰ মহন্তক মুখ্যমন্ত্ৰী হিচাপে লৈ এখন নতুন চৰকাৰ গঠন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ পূব পাকিস্তানৰ পৰা ঘটা বৃহৎসংখ্যক বিদেশী নাগৰিকৰ প্ৰব্ৰজন ৰোধ কৰিবলৈ ১৯৫০ চনত কেন্দ্ৰীয় সংসদে গৃহীত কৰা আইনখনৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৬ ঃ অসমলৈ বিদেশী নাগৰিকৰ প্ৰব্ৰজনৰ বিষয় সম্পৰ্কে অসমৰ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে অসম সাহিত্য সভাকে ধৰি অসমৰ কেইবাটাও ৰাজনৈতিক আৰু সাংস্কৃতিক সংগঠনে একেলগে গঠন কৰা সংগঠনটোৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৭ ঃ ১৯৮৩ চনত প্ৰৱৰ্তন কৰা কোনখন আইনে নাগৰিকত্ব বা অবৈধ প্ৰব্ৰজনকাৰী চিনাক্তকৰণৰ বোজা অভিযুক্তৰ পৰা অভিযোগকাৰী আৰু আৰক্ষীলৈ হস্তান্তৰ কৰিছিল?

.....

.....

প্ৰশ্ন ৮ ঃ ১৯৮৫ চনৰ অসম চুক্তিৰ কেইটামান ব্যৱস্থা লিখক।

.....

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমত ভাষা আন্দোলনৰ উৎপত্তি বুলিলে ইংৰাজৰ ঔপনিৱেশিক শাসনৰ সময়লৈ আঙুলিয়াব পাৰি যেতিয়া ইংৰাজসকলে ১৮৩৭ চনত অসমৰ চৰকাৰী বিদ্যালয় আৰু আইনৰ আদালত-কাছাৰীসমূহত বঙালী ভাষাৰ প্ৰচলন ঘটাইছিল।
- আমেৰিকাৰ বেপিষ্ট মিছনেৰীসকলেও অসমত বঙালী ভাষা আৰোপ কৰাৰ ক্ষেত্ৰত বিৰোধিতা কৰিছিল। সেই অনুসৰি ১৮৭৩ চনত বিদ্যালয়সমূহত আৰু আদালত-কাছাৰীত অসমীয়াক নিৰ্দেশনাৰ মাধ্যম হিচাপে পুনৰ প্ৰয়োগ কৰা হয়।
- অসমৰ সৰহসংখ্যক ভূমিয়েই চুবুৰীয়া অঞ্চলৰ পৰা অহা অধিবাসীসকলৰ দ্বাৰা অধিকৃত হৈ পৰিছিল। একেসময়তে ঔপনিৱেশিক শাসকসকলে তেওঁলোকৰ নিম্ন আৰু মধ্যবৰ্গীয় আমোলাতান্ত্ৰিক কৰ্মচাৰীসকলক নিয়োগ কৰাৰ ক্ষেত্ৰত ইংৰাজী জ্ঞান থকা ব্যক্তিসকলকহে গুৰুত্ব দিছিল।
- অসমৰ ভাষা আৰু সাহিত্যৰ দুটা অগ্ৰণী অনুষ্ঠান, অসম সাহিত্য সভা আৰু অসম জাতীয় মহাসভাই বঙালী ভাষাৰ আধিপত্যৰ ওপৰত উদ্বেগ প্ৰকাশ কৰিছিল। অসম সাহিত্য সভাই অসমীয়া ভাষাক ১৯৬০ চনৰ ভিতৰত ৰাজ্য ভাষা হিচাপে ঘোষণা কৰাৰ বাবে চৰকাৰক আবেদন জনাইছিল।
- সংখ্যালঘু সংগঠনসমূহ, যেনে— বেংগল সংগ্ৰাম পৰিষদে বঙালী ভাষাক অসমৰ দ্বিতীয় ৰাজ্যভাষা হিচাপে স্বীকৃতি দিবলৈ দাবী জনোৱাৰ লগতে কাছাৰ জিলাত ইয়াক চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়াৰ বাবেও আবেদন জনাইছিল।
- গুৰুত্বপূৰ্ণভাৱে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে এক সিদ্ধান্ত জাৰি কৰিছিল যে আন বিষয়সমূহৰ তুলনাত অসমীয়াক আইনমতে ৰাজ্যভাষা হিচাপে ঘোষণা কৰা হওঁক আৰু চৰকাৰে অনুমোদন জনোৱা বিষয়সমূহতহে ইয়াৰ ব্যৱহাৰ হোৱা উচিত।
- অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ এই সিদ্ধান্তৰ বিৰুদ্ধে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন প্ৰান্তৰ লগতে পাৰ্বত্য জিলাসমূহত আৰু কাছাৰ জিলাতো তীব্ৰ বিৰোধিতাৰ সৃষ্টি হৈছিল।
- ডিব্ৰুগড় আৰু যোৱহাট প্ৰতিবাদী সমদল উলিওৱা হৈছিল য'ত হাজাৰ হাজাৰ লোকে অসমীয়া ভাষাক ৰাজ্যভাষা হিচাপে আদৰি ল'বৰ বাবে দাবী জনাইছিল। অতি সোনকালেই এই আন্দোলন শিৱসাগৰ, কামৰূপ, লক্ষীমপুৰ আৰু আন বহুতো জিলালৈ বিয়পি পৰিছিল।
- এই সন্ত্ৰাসৰ মাজতে ১৯৬০ চনৰ ৪ জুলাই তাৰিখে আৰক্ষীয়ে গুলীচালনা কৰাৰ ফলত কটন মহাবিদ্যালয়ৰ ছাত্ৰাবাসত থকা ৰঞ্জিত বৰপূজাৰী নামৰ অসমীয়া ছাত্ৰগৰাকী নিহত

হোৱাৰ লগতে আন ছজন ছাত্ৰ আহত হৈছিল। ৰঞ্জিত বৰপূজাৰীক ভাষা আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদৰূপে সন্মান যঁছা হৈছে।

- পৰৱৰ্তী সময়ত, এনে এক উত্তেজনাময় পৰিবেশৰ মাজতেই তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰী বিমলা প্ৰসাদ চলিহাই অসম বিধান সভাৰ মজিয়াত অসম চৰকাৰী ভাষা বিধেয়কখন (Assam Official Language Bill) দাখিল কৰিলে। সেইমৰ্মে ১৯৬০ চনত অসম চৰকাৰী ভাষা আইনখন প্ৰণয়ন কৰা হয়।
- এই ভাষা আইনখন প্ৰণয়ন হোৱাৰ লগে লগে ৰাজ্যৰ বাংলাভাষী বাসিন্দাসকলে, বিশেষকৈ কাছাৰ আৰু পাৰ্বত্য অঞ্চলৰ সম্প্ৰদায়বোৰে নিজ নিজ শংকা আৰু সন্দেহ ব্যক্ত কৰিছিল।
- এই সময়ছোৱাত তেতিয়াৰ কেন্দ্ৰীয় গৃহমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীয়ে বিৰোধী গোটবোৰৰ মাজত সমিলমিল কৰোৱাৰ মানসেৰে এটা নিৰ্দেশ বিধি প্ৰস্তাৱ কৰিলে। ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইন প্ৰচলনৰ লগতে কাছাৰ সংগ্ৰাম পৰিষদৰ আন্দোলনো আৰম্ভ হৈছিল। শাস্ত্ৰীৰ নিৰ্দেশ বিধিত আন বহু কথাৰ লগতে এই পৰামৰ্শও আগবঢ়োৱা হৈছিল যে ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইনখন সংশোধন কৰা হ'ব আৰু হিন্দী ভাষাৰ প্ৰয়োগ সম্ভৱপৰ হৈ নুঠালৈকে ৰাজ্যিক মুখ্যালয়, কাছাৰ তথা স্বায়ত্বশাসিত পাৰ্বত্য জিলাবোৰৰ সৈতে ইংৰাজীতে যোগাযোগ চলি থাকিব। ৰাজ্যিক পৰ্যায়ত অসমীয়া ভাষাৰ সমানে ইংৰাজী ভাষা ব্যৱহৃত হ'ব আৰু ভাষিক সংখ্যালঘুসকলক সুৰক্ষা প্ৰদান কৰা হ'ব।
- ১৯৭০ ৰ দশকত অসমীয়া-বঙালী সংঘাতে পুনৰ মূৰ দাঙি উঠিছিল। ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ে ইয়াৰ অধীনস্থ সকলো মহাবিদ্যালয়তে অসমীয়া ভাষাক পাঠদানৰ মাধ্যমৰূপে ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লৈছিল। ছাত্ৰ-ছাত্ৰীক বাংলা ভাষাত প্ৰশ্ন উত্তৰ লিখিবলৈ বিশ্ববিদ্যালয়ে অনুমতি দিয়াক লৈ ছাত্ৰ সম্প্ৰদায়ৰ বৃহৎ অংশই তীব্ৰ প্ৰতিবাদ কৰিছিল।
- অৱশেষত গুৱাহাটী বিশ্ববিদ্যালয়ে এটা সিদ্ধান্ত গৃহীত কৰিছিল যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ সকলো মহাবিদ্যালয়তে পাঠদানৰ মাধ্যম অসমীয়া হ'ব; দহ বছৰৰ ভিতৰত যিকোনো সময়লৈকে শৈক্ষিক পৰিষদে প্ৰয়োজনীয় বুলি বিবেচনা নকৰা পৰ্যন্ত ইংৰাজী ভাষা পাঠদানৰ বিকল্প মাধ্যম হৈ থাকিব। বিশ্ববিদ্যালয়ৰ এই সিদ্ধান্তত কাছাৰ জিলা উত্তপ্ত হৈ পৰিছিল। বিষয়টো উচ্চতম ন্যায়ালয়ৰ মজিয়া পাইছিল। উচ্চতম ন্যায়ালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সিদ্ধান্তটোৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছিল।
- অৱশেষত এখন পৃথক বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লোৱা হৈছিল। কাছাৰ জিলাৰ মহাবিদ্যালয়বোৰ এই বিশ্ববিদ্যালয়ৰ অধীনস্থ হ'ব বুলি কোৱা হৈছিল। সেইমৰ্মে ১৯৭২ চনৰ ছেপ্টেম্বৰত অসম বিধানসভাত এটা সিদ্ধান্ত গৃহীত হৈছিল। এইদৰেই কাছাৰ জিলাৰ বাবে এখন পৃথক বিশ্ববিদ্যালয় স্থাপনৰ পথ প্ৰশস্ত হৈছিল।
- অসম আন্দোলনক (১৯৭৯-১৯৮৫) ৰাজ্যখনৰ ৰাজনৈতিক ইতিহাসৰ এক যুগান্তকাৰী ঘটনা বুলি কোৱা হয়। মংগলদৈ সংসদীয় সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়ত ভোটাৰ তালিকাৰ

পুনৰীক্ষণৰ সময়ত সমষ্টিটোৰ বৃহৎসংখ্যক বাসিন্দাৰ নাগৰিকত্বৰ বৈধতাক লৈ অসংখ্য অভিযোগ আৰু প্রত্যাহ্বান পঞ্জীয়নভুক্ত হৈছিল।

- সদৌ অসম ছাত্র সস্থাই (AASU) ছপা মাধ্যমৰ সহযোগত অসমৰ জনসাধাৰণক একগোট কৰি ভোটাৰ তালিকাৰ পৰা সন্দেহজনক বিদেশী নাগৰিকৰ নাম বাদ নিদিয়া পর্যন্ত মণ্ডলদৈ সমষ্টিত উপ-নির্বাচন স্থগিত ৰখাৰ লক্ষ্যত উপনীত হ'বলৈ আন্দোলন আৰম্ভ কৰিছিল। অনতিপলমে এই সমস্যাটো মণ্ডলদৈৰ সীমা পাৰ হৈ সমগ্র অসমতে বিয়পি পৰিছিল। অন্য সমষ্টিবোৰতো ভোটাৰ তালিকাত বিদেশী নাগৰিকৰ অবৈধ অর্ন্তভুক্তিৰ বিৰুদ্ধে তীব্র প্রতিবাদ আৰম্ভ হৈছিল।
- তাৎপর্যপূর্ণভাৱে এই সময়ছোৱাতে অসম সাহিত্য সভাৰ দৰে কেইটামান সাংস্কৃতিক আৰু ৰাজনৈতিক দল-প্রতিষ্ঠান একগোট হৈ সদৌ অসম গণ সংগ্রাম পৰিষদ (AAGSP) নামৰ এটা নতুন দলৰ জন্ম দি অবৈধ প্রব্রজনৰ সমস্যাটো সন্দর্ভত অসমবাসীক একগোট কৰাৰ প্রয়াস কৰিছিল।
- ১৯৭৯ চনত অসমৰ জনতা দলৰ চৰকাৰ ভংগ হোৱাৰ লগে লগে ৰাজ্যখনত ৰাজনৈতিক অস্থিৰতাই দেখা দিলে। সেই চনৰে নৱেম্বৰ মাহত গুৱাহাটীকে ধৰি অসমৰ বিভিন্ন অংশৰ মানুহে সত্যাগ্রহ অথবা আইন অমান্য আন্দোলন আৰম্ভ কৰিলে আৰু স্বেচ্ছাই কাৰাবৰণ কৰিলে। ১৯৭৯ চনৰ ডিচেম্বৰ মাহত অসমত ৰাষ্ট্রপতি শাসন বলবৎ হ'ল আৰু এবছৰলৈ অবিৰতভাৱে চলি থাকিল।
- ১৯৭৯ চনৰ ডিচেম্বৰ মাহত আন্দোলনৰ নেতাসকলে ভোটাৰ তালিকা সংশোধন কৰিবলৈ আৰু অবৈধ ভোটাৰৰ নাম তালিকাৰ পৰা আঁতৰাবলৈ চৰকাৰ সন্মত নোহোৱা পর্যন্ত অসমৰ ৰাইজক লোকসভা নির্বাচন বর্জন কৰাৰ আহ্বান জনালে। সংশোধিত ভোটাৰ তালিকা জাৰি নোহোৱা পর্যন্ত প্রার্থীসকলকো নির্বাচনত প্রতিদ্বন্দ্বিতা নকৰিবলৈ গোঁহাৰি জনোৱা হ'ল।
- বৰপেটা জিলাৰ আছু গোটৰ সাধাৰণ সম্পাদক খর্গেশ্বৰ তালুকদাৰে নির্বাচন বর্জনৰ প্রতিবাদী সমদলত ভাগ লওতে আৰক্ষীৰ গুলীত প্রাণ আহুতি দিছিল। অসম আন্দোলনৰ সমর্থকসকলে কুৰিৰ দেওনা পাৰ হোৱা তালুকদাৰক অসম আন্দোলনৰ প্রথমগৰাকী শ্বহীদৰূপে সন্মান জনাইছিল। ইয়াৰ পিছতেই অর্থনৈতিক অৱৰোধ কার্যসূচী আৰম্ভ হৈছিল। আন্দোলনৰ সমর্থকসকলে অসমৰ পৰা দেশৰ বিভিন্ন অংশলৈ খাৰুৱা তেল আৰু প্লাইউডৰ সৰবৰাহ বন্ধ কৰি দিছিল।
- ১৯৮০ চনৰ ১৮ জানুৱাৰীত অইল ইণ্ডিয়া লিমিটেডৰ মুখ্যালয় দুলিয়াজানত জিলা প্রশাসনে আৰক্ষীৰ সহযোগত পিকেটিংকাৰীসকলক ছত্রভংগ দিয়াবলৈ নির্দেশ জাৰি কৰিছিল। পিকেটিংকাৰীসকলে স্থান এৰিবলৈ অমান্তি হোৱাত আৰক্ষীয়ে কন্দুৱা গেছ প্রয়োগ কৰিছিল আৰু গুলীচালনা কৰিছিল। এই ঘটনাত চাৰিগৰাকী ব্যক্তি নিহত আৰু বহুতো লোক আহত হৈছিল। আন্দোলনৰ নেতাসকলে মৃতসকলক শ্বহীদ ঘোষণা কৰিছিল।

অসমৰ ৰাইজে তেল অৱৰোধ কার্যসূচীলৈ অভূতপূর্ব সঁহাৰি জনাইছিল আৰু দলে দলে পিকেটিঙত যোগ দিছিল।

- ১৯৮৫ চনৰ ১৫ আগষ্টত তেতিয়াৰ প্রধানমন্ত্রী ৰাজীৰ গান্ধী আৰু আন্দোলনৰ নেতাসকলৰ মাজত অসম চুক্তি স্বাক্ষৰিত হৈছিল। চুক্তিৰ চর্ত অনুসৰি ১৯৭১ চনৰ ২৫ মার্চৰ পিছত অসমত প্রৱেশ কৰা সকলো বিদেশীকে দেশান্তৰ কৰা হ'ব। এই চুক্তিৰ অধীনত কেন্দ্রীয় চৰকাৰে ঘোষণা কৰিছিল যে অসমীয়াৰ সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্য অক্ষুণ্ণ ৰাখিবলৈ প্রয়োজন হোৱা সুৰক্ষা, সংৰক্ষণ আৰু পৃষ্ঠপোষকতাৰ বাবে সাংবিধানিক, বিধায়িনী আৰু প্রশাসনিক সা-সুবিধাৰ সৃষ্টি কৰা হ'ব। কেন্দ্রীয় চৰকাৰে সীমান্ত অঞ্চলত পহৰা বৃদ্ধি কৰিবলৈও সন্মতি প্রকাশ কৰিছিল। ভৱিষ্যৎ অনুপ্রৱেশৰ ওপৰত চোকা নজৰ ৰাখিবলৈ আৰু অবৈধ অনুপ্রৱেশ ৰোধ কৰিবলৈ কাঁইটীয়া তাঁৰৰ বেৰ আদি দিয়াৰ সিদ্ধান্ত লোৱা হৈছিল।
- অসম চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে অসম গণ পৰিষদ নামৰ এটা নতুন ৰাজনৈতিক দলৰ জন্ম হ'ল। চুক্তিত স্বাক্ষৰ কৰাৰ সময়তে দুয়োপক্ষই সন্মতি প্রদান কৰিছিল যে ১৯৮৩ চনৰ নির্বাচনৰ পিছত গঠন কৰা অসম চৰকাৰখন ভংগ কৰা হ'ব। ১৯৮৫ চনত ৰাজ্যত নতুনকৈ বিধানসভা নির্বাচন অনুষ্ঠিত হ'ল আৰু অসম গণ পৰিষদক ৰাইজে বিজয়ী কৰিলে। প্রফুল্ল কুমাৰ মহন্তক মুখ্যমন্ত্রী হিচাপে লৈ এখন নতুন চৰকাৰ গঠন কৰা হ'ল।



১০.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Barua, Sanjib (2000). *India Against Itself*. New Delhi : Oxford University Press.
2. Gohain, Hiren (1984). Assam. *The Burning Question*. Gauhati : Spectrum Publications.
3. Goswami, Sandhya (1997). *Language Politics in Assam*. Ajanta : New Delhi : Ajanta Publication.
4. Hussain, Monirul (1994). *The Assam Movement - Class, Ideology and Identity*. Delhi : Manak Publications.

অসমীয়া গ্রন্থ ঃ

১) কলিতা, তি. চি. (২০০৬)। *অসমৰ সমাজ আৰু ৰাজনীতি*। গুৱাহাটী ঃ মৃত্যুঞ্জয় প্রকাশন।



১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ আনন্দৰাম ঢেকিয়াল ফুকন

২ নং প্রশ্নৰ উত্তৰ ঃ অসম সাহিত্য সভা আৰু অসম জাতীয় মহাসভা

৩ নং প্রশ্নৰ উত্তৰ ঃ কাছাৰ সংগ্রাম পৰিষদ

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইনখনৰ সংশোধনীৰ জৰিয়তে মহকুমা পৰিষদৰ সুবিধাসমূহ অর্ন্তভুক্ত কৰোৱা,

খ) ৰাজ্যিক মুখ্যালয় আৰু কাছাৰ তথা অন্য স্বায়ত্বশাসিত পার্বত্য জিলাবোৰৰ মাজৰ সকলো যোগাযোগৰ মাধ্যম হিন্দী ভাষা বলবৎ নোহোৱা পর্যন্ত ইংৰাজীয়ে থাকিব।

৫ নং প্রশ্নৰ উত্তৰ ঃ বিদেশী প্রব্রজনকাৰী (অসমৰ পৰা নিষ্কাশন) আইন

৬ নং প্রশ্নৰ উত্তৰ ঃ অসম গণ সংগ্রাম পৰিষদ (AGSP)

৭ নং প্রশ্নৰ উত্তৰ ঃ অবৈধ প্রব্রজনকাৰী (ট্রাইবুনেল দ্বাৰা নির্ধাৰিত) আইন

৮ নং প্রশ্নৰ উত্তৰ ঃ ক) ১৯৭১ চনৰ ২৫ মার্চৰ পিছত অসমত সোমোৱা সকলো বিদেশীকে দেশান্তৰ কৰোৱা হ'ব,

খ) কেন্দ্রীয় চৰকাৰে ঘোষণা কৰিছিল যে অসমীয়াৰ সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্য অক্ষুণ্ণ ৰাখিবলৈ প্রয়োজন হোৱা সুৰক্ষা, সংৰক্ষণ আৰু পৃষ্ঠপোষকতাৰ বাবে সাংবিধানিক, বিধায়িনী আৰু প্রশাসনিক সা-সুবিধাৰ সৃষ্টি কৰা হ'ব।

গ) কেন্দ্রীয় চৰকাৰে সীমান্ত অঞ্চলত পহৰা বৃদ্ধি কৰিবলৈও সন্মতি প্রকাশ কৰিছিল। ভৱিষ্যৎ অনুপ্রৱেশৰ ওপৰত চোকা নজৰ ৰাখিবলৈ আৰু অবৈধ অনুপ্রৱেশ ৰোধ কৰিবলৈ কাঁইটীয়া-তাঁৰৰ বেৰ আদি দিয়াৰ সিদ্ধান্ত লোৱা হৈছিল।

ঘ) কেন্দ্রীয় চৰকাৰে অসমত এখন ভাৰতীয় প্রযুক্তিবিদ্যা সংস্থান (IIT) স্থাপনৰ আৰু এটা তেল শোধানাগাৰ স্থাপন কৰাৰো প্রতিশ্রুতি দিছিল।

১০.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা লোৱা, কলিকতাত ১৮৮৮ চনত গঠন হোৱা সংস্থাটোৰ নাম কি?

প্রশ্ন ২ঃ অসম সাহিত্য সভাই সমগ্র অসমতে কোনদিনাখন ৰাজ্যিক ভাষা দিৱস পালন কৰে?

প্ৰশ্ন ৩ঃ কোন চনত ভাৰতীয় সংসদে বিদেশী প্ৰব্ৰজনকাৰী (অসমৰ পৰা নিষ্কাশন) আইনখন প্ৰণয়ন কৰিছিল?

প্ৰশ্ন ৪ঃ কোনটো সংসদীয় সমষ্টিত উপ-নিৰ্বাচনৰ সময়ত অভাৱনীয় হাৰত ঘটা অবৈধ অনুপ্ৰৱেশৰ কথা পোহৰলৈ আহিছিল?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ স্বাধীনতা লাভৰ পিছত কি পটভূমিত অসমৰ নাগৰিক সমাজে আগতকৈ তীব্ৰতৰ ৰূপত ভাষিক আৰু সাংস্কৃতিক পৰিচয় ৰক্ষাৰ বাবে উঠিপৰি লাগিছিল বিশ্লেষণ কৰক।

প্ৰশ্ন ২ঃ শাস্ত্ৰী নিৰ্দেশ বিধি বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ঃ অসম আন্দোলনত সদৌ অসম ছাত্ৰ সস্থাৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ঃ ১৯৮৫ চনৰ অসম চুক্তিৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ অসমৰ ভাষা আন্দোলনৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ অসম আন্দোলনৰ বিষয়ে আলোচনা কৰক।

****

অধ্যায় ১১ঃ অসমৰ বিদ্রোহাৱস্থা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ সশস্ত্র বিদ্রোহৰ অর্থ; অসমত সশস্ত্র বিদ্রোহ বৃদ্ধিৰ আঁৰৰ কাৰকসমূহ

১১.৩.১ সশস্ত্র বিদ্রোহৰ অর্থ

১১.৩.২ অসমৰ বিদ্রোহাৱস্থাৰ বিকাশৰ কাৰকসমূহ

১১.৪ অসমৰ বিদ্রোহী সংগঠন ঃ আলফা (ULFA) আৰু এন ডি এফ বি (NDFB)

১১.৪.১ ইউনাইটেড লিবাৰেচন ফ্রণ্ট অব্ আসাম (ULFA)

১১.৪.২ নেচনেল ডেম'ক্রেটিক ফ্রণ্ট অব্ বড়োলেণ্ড (NDFB)

১১.৫ বিদ্রোহী সমস্যা সমাধানৰ কিছুমান প্রত্যাক্রিত সমাধান

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্রগতিৰ খতিয়ানৰ উত্তৰ

১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সশস্ত্র বিদ্রোহৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- অসমৰ বিদ্রোহাৱস্থাৰ বিকাশৰ কাৰণসমূহ ব্যাখ্যা কৰিব পাৰিব
- অসমৰ দুটা গুৰুত্বপূর্ণ বিদ্রোহী সংগঠন— আলফা (ULFA), আৰু (NDFB)ৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বিদ্রোহ সমস্যাৰ সমাধানৰ কিছুমান প্রত্যাক্রিত সমাধান আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

অসমৰ কিছুমান দল-সংগঠনে বিচ্ছিন্নতা, পৃথক ৰাজ্য, স্বায়ত্ব শাসন আৰু জনজাতিৰ মর্যাদা আদিৰ দাবী সময়ে সময়ে উত্থাপন কৰি আহিছে। প্রায়েই সুকীয়া গৃহভূমি বিচাৰি উত্থাপন কৰা দাবীৰ সৈতে হিংসাত্মক কার্যকলাপ জড়িত থকাটো পৰিলক্ষিত হয়। বিচ্ছিন্নতা আৰু পৃথক ৰাজ্য বিচাৰি কৰা দাবীৰ দৰে কিছুমান নির্দিষ্ট দাবীৰ প্রত্যক্ষ লক্ষ্য হ'ল ৰাষ্ট্রৰ প্রতিষ্ঠিত কর্তৃপক্ষ। সেয়েহে এই দাবীৰ সৈতে জড়িত কার্যকলাপবোৰে উগ্রপন্থাৰ ৰূপ লয়। ১৯৭০ ৰ দশকটোৰ শেষৰফালে অসমত এনে বহুতো উগ্রপন্থা সমর্থনকাৰী সংগঠনৰ উত্থান

ঘটিছিল যিবোৰ এতিয়াও ৰাজ্যখনত সক্রিয় হৈ আছে। এনে সংগঠন কেইটামান হ'ল — ULFA, NDFB, MULTA, KPLT, আদিবাসী নেশ্যনেল লিবাৰেশ্যন আর্মি আৰু KLNLF। ইয়াৰে বেছিভাগ দল-সংগঠনেই অঞ্চলটোৰ বিষয়ে অজ্ঞতা প্রদর্শন কৰাৰ দোষত কেন্দ্রীয় চৰকাৰক আৰু অঞ্চলটোৰ সম্পদ চান কঢ়াৰ লক্ষ্যেৰে গঢ় লৈ উঠা আভ্যন্তৰীণ ঔপনিৱেশিকীকৰণক জগৰীয়া কৰে। অসমৰ সশস্ত্র বিদ্রোহাত্মক দৃশ্যপটৰ সৈতে সংলগ্ন হৈ থকা এটা বৈশিষ্ট্য হ'ল একাধিক বিচ্ছিন্নতাবাদী দল-সংগঠনৰ অস্তিত্ব। এনে দল-সংগঠনবোৰে আঞ্চলিক স্বায়ত্ব-শাসনকে ধৰি পৰা পৃথক ৰাজ্য বিচৰালৈকে বিভিন্ন দাবী উত্থাপন কৰি আহিছে। এই দল-সংগঠনবোৰে অঞ্চলটোক সংঘাত আৰু হিংসাত্মক কার্যকলাপৰ কেন্দ্রত পৰিণত কৰিছে।

১১.৩ সশস্ত্র বিদ্রোহৰ অর্থ; অসমত সশস্ত্র বিদ্রোহ বৃদ্ধিৰ আঁৰৰ কাৰকসমূহ

১১.৩.১ সশস্ত্র বিদ্রোহৰ অর্থ

সশস্ত্র বিদ্রোহৰ শাব্দিক অর্থ হ'ল কোনো প্রতিষ্ঠিত কর্তৃপক্ষৰ বিৰুদ্ধে অস্ত্র-শস্ত্র ব্যৱহাৰ কৰি চলোৱা এক ধৰণৰ বিদ্রোহ। সশস্ত্র বিদ্রোহী সংগঠনবোৰে বিভিন্ন কৌশল অৱলম্বন কৰি প্রতিষ্ঠিত চৰকাৰ একোখনক ক্ষমতাৰ পৰা অপসাৰিত কৰাৰ লক্ষ্যেৰে কাম কৰি যায়। এনে কৌশল দুটামান হ'ল- সশস্ত্র বিদ্রোহ আৰু ৰাজনৈতিক উদ্দেশ্যেৰে পৰিচালিত "গেৰিলা যুদ্ধ"। সশস্ত্র বিদ্রোহী সংগঠনবোৰে ভাবে যে তেওঁলোকৰ বাসভূমি 'ৰাজনৈতিক তথা অর্থনৈতিক দখল'ৰ অধীন হৈ পৰিছে। সাধাৰণতে এনে দল-সংগঠনবোৰে নিজৰ অঞ্চলটোক সংখ্যাগৰিষ্ঠতাবাদী ৰাষ্ট্রই কেনেকৈ অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিকভাৱে বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত কৰি আহিছে তাৰ যুক্তি আগবঢ়াই তথা নিজৰ কার্যকলাপৰ ন্যায্যতা প্রদর্শনৰ চেষ্টা কৰি জনসাধাৰণৰ সমর্থন আদায়ৰ চেষ্টা কৰে। এনে দল সংগঠনবোৰে প্রায়েই হিংসাত্মক কার্যকলাপৰ আশ্রয় লয় আৰু কর্তৃপক্ষৰ সৈতে পণ দৰদামৰ খেল খেলে। এনে সংগঠনবোৰে কোনো এডোখৰ নির্দিষ্ট ভূখণ্ডৰ ভিতৰত সেই ভূ-খণ্ডৰ বাবে কাম কৰে। সেয়েহে সশস্ত্র বিদ্রোহী গোটবোৰক সন্ত্রাসবাদী বুলি ধৰা নহয়। এনে দল-সংগঠনৰ প্রভাৱ এক নির্দিষ্ট সম্প্রদায় আৰু স্থানৰ ভিতৰত সীমাৱদ্ধ। দল-সংগঠনভেদে বিদ্রোহাত্মক কার্যকলাপৰ আঁৰৰ স্বার্থও ভিন ভিন হ'ব পাৰে। এনে সংগঠনৰ উদ্দেশ্য, ভূমিকা তথা কার্যকলাপো ভিন ভিন। সেয়েহে কেতিয়াবা এনে দল-সংগঠনবোৰৰ প্রকৃত অভিপ্রায় বুজাটো জটিল হৈ পৰে। কিন্তু আকর্ষণীয় কথাটো এয়াই যে লক্ষ্য আৰু উদ্দেশ্য বেলেগ বেলেগ হোৱা সত্বেও এনে দল-সংগঠনৰ উমৈহতীয়া কামটো হ'ল কেন্দ্রীয় চৰকাৰৰ বিৰুদ্ধে যুদ্ধ কৰা। সশস্ত্র বিদ্রোহী দল সংগঠনবোৰৰ আন কেইটামান উমৈহতীয়া বৈশিষ্ট্য হ'ল —

- চৰকাৰক ভুল আৰু অবৈধ বুলি দোষাৰোপ কৰাৰ উমৈহতীয়া আদর্শবাদ
- আর্থ-ৰাজনৈতিক ব্যৱস্থালৈ পৰিৱর্তন অনাৰ প্রয়াস
- জনপ্রিয় গণসমর্থন ভেটি
- আধিপত্য বিস্তাৰকাৰী আৰু আকর্ষণীয় ব্যক্তিত্বৰ অধিকাৰী ব্যক্তি এগৰাকীৰ নেতৃত্ব স্বীকাৰ
- সামাজিক অন্যায়ৰ এছোৱা সুদীর্ঘ সময়ৰ পাছত গোট খোৱা অসন্তুষ্টিৰ বহিঃপ্রকাশ ঘটোৱাৰ এক মাধ্যম।

ভাৰতত সশস্ত্র বিদ্রোহ কোনো নতুন পৰিঘটনা নহয়। বহুদিন আগৰে পৰাই ভাৰতৰ বিভিন্ন অংশত বিচ্ছিন্নতাবাদী প্রৱণতাৰ প্রকাশ ঘটি আহিছে। ভাৰতত এই আন্দোলনৰ প্রকৃতি হ'ল মূলতঃ উপ-আঞ্চলিক আৰু নৃগোষ্ঠীয় বৈশিষ্ট্যভিত্তিক। ভাৰতৰ কেইটামান উল্লেখযোগ্য বিচ্ছিন্নতাবাদী আন্দোলন হ'ল- পঞ্জাৱত চলা খালিস্তান আন্দোলন তথা মধ্য আৰু পূৱ ভাৰতৰ বিভিন্ন অংশত সক্রিয় হৈ থকা নক্সালবাদী-মাওবাদী সশস্ত্র বিদ্রোহী। ভাৰতৰ উত্তৰ-পূৱ অঞ্চলটোৱেও এক সুদীর্ঘকাল সশস্ত্র বিদ্রোহে জন্ম দিয়া বিভিন্ন সংঘাতৰ মুখামুখি হ'বলগীয়া হৈছে।

গেৰিলা যুদ্ধ, বোমা বিস্ফোৰণ, সামৰিক অভিযান আৰু স্থানীয় বাসিন্দাৰ ওপৰত সশস্ত্র বিদ্রোহী গোটবোৰে চলোৱা অযুক্তিকৰ অত্যাচাৰৰ দ্বাৰা প্রভাৱিত ৰাজ্যবোৰৰ এখন হ'ল অসম।

অসমৰ কিছুমান গুৰুত্বপূর্ণ সক্রিয় বিদ্রোহী গোট হ'ল —

- ইউনাইটেড লিবাৰেচন ফ্রণ্ট অব্ আসাম -আলফা(ULFA)
- নেচনেল ডেম'ক্রেটিক ফ্রণ্ট অব্ বড়োলেণ্ড(NDFB)
- কমতাপুৰ লিবাৰেশ্যন অর্গেনাইজেশ্বন(KLO)
- কার্বি লংৰি নর্থ কাছাৰ হিলচ লিবাৰেশ্যন ফ্রণ্ট (KLNLF)
- ইউনাইটেড পিপ'লচ ডেম'ক্রেটিক্ চলিদাৰিতি(UPDS)

অসমত বিংশ শতিকাৰ তৃতীয় দশকৰ পৰাই বিচ্ছিন্নতাবাদে গা কৰি উঠিছিল। সেই সময়ত ৰাজ্যখন গৱর্ণৰৰ প্রভিঞ্চ আছিল। তেতিয়াই অবৈধ প্রব্রজনৰ ফলস্বৰূপে ইয়াৰ জন সমুদায় সংখ্যালঘু হোৱাৰ শংকা ঘনীভূত হৈছিল। ঔপনিৱেশিক শাসনকালত গ্রহণ কৰা চৰকাৰী নীতি যিয়ে অসমৰ ভৌগোলিক, সংস্কৃতিক আৰু উন্নয়নৰ স্বার্থত বিৰূপ প্রভাৱ পেলাইছিল। এনেকুৱা ঐতিহাসিক অভিজ্ঞতাৰ ভিত্তিত আৰু কেন্দ্রীয় চৰকাৰৰ অসমৰ সমস্যাসমূহৰ প্রতি থকা উদাসীনতাই সমস্যাটো অধিক জটিল কৰি তুলিছিল। ভাৰত বিভাজন আৰু গ্রুপিং পৰিকল্পনাই অসমীয়া মানুহক তেওঁলোকৰ ভাগ্য আৰু ভৱিষ্যৎ সম্পর্কে অধিক সন্দিহান কৰি তুলিছিল। ই অসমৰ অবৈধ প্রব্রজন সমস্যা আৰু ভাষা

সমস্যাৰ জৰিয়তে অধিক গুৰুতৰ ৰূপ লাভ কৰি বিংশ শতিকা আশীৰ দশকত অসম আন্দোলনৰ জৰিয়তে অসম জ্বলি উঠে। এই সময়ছোৱাত আলফা নামৰ বিদ্রোহী গোটটোৰ জন্ম হৈছিল।

আকৌ অসমীয়া ভাষী লোকৰ ক্রমবর্ধমান আধিপত্যৰ ফলত অসমৰ বড়ো লোকসকলে তেওঁলোকৰ সাংস্কৃতিক আৰু জাতিগত পৰিচয় হেৰুওৱাৰ উপক্রম হৈছে বুলি অনুভৱ কৰিছিল। সেয়েহে বড়ো সংস্কৃতি আৰু জাতিগত পৰিচয় ৰক্ষা কৰি পুনৰুজ্জীৱিত কৰিবলৈ তথা ভূমি পৃথকীকৰণৰ বিষয়টি সমাধানৰ বাবে বড়ো আন্দোলন আৰম্ভ হৈছিল। সদৌ বড়ো ছাত্র সস্থা (ABSU), Bodo People's Action Committee (BPAC) আৰু Bodo Security Force এ 'বড়োলেণ্ড' নামৰ পৃথক বড়ো ৰাজ্যৰ দাবী উত্থাপন কৰিছিল। BLT গোটটোৱে পৰৱর্তী সময়ত অসম চৰকাৰৰ সৈতে বুজাবুজিত উপনীত হৈ অসমৰ ভিতৰতে BTAD নামৰ এখন পৃথক ৰাজনৈতিক ক্ষেত্রৰ গঠন কৰিছিল। অৱশ্যে NDFB এ পৃথক ৰাজ্যৰ দাবীত অটল হৈ থাকিল।

১১.৩.২ অসমৰ বিদ্রোহাৰস্থাৰ বিকাশৰ কাৰকসমূহ

পূর্বৰ অসমৰ আৰু বর্তমানৰ উত্তৰ-পূর্বাঞ্চলৰ লগত ভাৰতৰ মূল ভূ-খণ্ডৰ যথেষ্ট সীমিত যোগাযোগ আছিল। বিংশ শতিকাৰ সপ্তম আৰু অষ্টম ৰ দশকত ভাৰতৰ মূল ভূ-খণ্ডৰ লগত এই অংশটোৰ সম্পর্ক প্রায় নাছিল। অসমৰ লগত ভাৰতৰ অন্য প্রান্তৰ যোগাযোগ এটা মাত্র ২৩ কি.মি. দীঘল পথেৰে সম্ভৱ হৈছিল। ৰাষ্ট্রীয় প্রেক্ষাপটৰ তুলনাত অসম অধিক আন্তঃৰাষ্ট্রীয় সীমাৰে পৰিৱেষ্টিত হৈ আছে। যেতিয়া পূর্বৰ অসম সাতখন ৰাজ্যত বিভাজিত হৈছিল, তেতিয়া উত্তৰ-পূর্বাঞ্চলৰ সৈতে যোগাযোগ স্থাপনৰ ক্ষেত্রত ই একমাত্র প্রৱেশ পথ হৈ পৰিছিল। গতিকে অর্থনৈতিক, গাঁথনিক আৰু সামাজিকভাবে বৈষম্যৰ বলি হৈ অহা এই অঞ্চলটো বহু বছৰলৈ আর্থিকভাৱে অনগ্রসৰ অঞ্চল হিচাপেই পৰিচিত হৈ আছিল। সর্বভাৰতীয় পদবীসমূহতো এই অঞ্চলটোৰ পৰা প্রতিনিধিৰ সংখ্যা যথেষ্ট কম আছিল। ব্যৱসায়সমূহ বিভিন্ন 'বহিৰাগত' লোক যেনে ৰাজস্থানৰ 'মাৰোৱাৰী' বা অন্যান্য অঞ্চলৰ লোকসকলে নিয়ন্ত্রণ কৰিবলৈ আৰম্ভ কৰিছিল। উন্নয়নৰ নিম্ন স্তৰে কৃষিখণ্ডৰ ওপৰতো বিৰূপ প্রভাৱ পেলাইছিল। এসময়ৰ স্ব-নির্ভৰশীল অসমে আমদানিকৃত চাউল আৰু ঘেঁহুৰ ওপৰত নির্ভৰশীল হৈ পৰিছিল। ঔদ্যোগীকৰণো এক দুর্বিষহ অৱস্থাত উপনীত হৈছিল। গতিকে প্রকৃততে অঞ্চলটো যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছিল আৰু ইয়াৰ বাবে আঁচনি আৰু কর্মসূচীৰ অ-সম বিতৰণক দোষাৰোপ কৰিব পাৰি। সেয়েহে, বহুতো অসন্তুষ্ট যুৱকে চৰকাৰৰ বিপক্ষে একগোট হ'বলৈ আৰম্ভ কৰিছিল আৰু ইয়াৰ পৰিণতিত এটাৰ পিছত এটাকৈ বিদ্রোহী দলৰ গঠন হৈছিল। অসমৰ বিদ্রোহাৰস্থাৰ বিকাশৰ ক্ষেত্রত অৰিহণা যোগোৱা কাৰকসমূহ হ'ল —

ক) **ভূমি অধিগ্রহণ** - অসমৰ কৃষিভিত্তিক সমাজৰ বাবে ভূমিক আটাইতকৈ গুৰুত্বপূর্ণ সম্পত্তি হিচাপে বিবেচনা কৰা হয়। গ্রাম্য সমাজৰ নব্বৈ শতাংশ লোকেই কৃষিৰ ওপৰত নির্ভৰশীল আৰু তেওঁলোকৰ জীৱন নির্বাহৰ প্রধান উপায় ভূমিৰ লগতে সম্পর্কিত। অভ্যন্তৰীণ আৰু বিদেশী প্রব্রজনৰ ফলত ভূমিক কেন্দ্র কৰি নিৰাপত্তাজানিত শংকাৰ সৃষ্টি হোৱাৰ লগে-লগে সমস্যাৰ আৰম্ভ হ'বলৈ ধৰিছিল। এই প্রক্রিয়াটো দ্বি-দিশীয় আছিল। প্রথমতে, বিদেশী লোকসকলৰ আগমনে মূল অসমীয়া লোকসকলৰ মনত ভীতিৰ সৃষ্টি কৰিছিল যিয়ে অবৈধ প্রব্রজনকাৰীসকলৰ বিৰুদ্ধে আন্দোলনৰ জন্ম দিছিল। দ্বিতীয়তে, অসমৰ ভিতৰতে মূল অসমীয়া ভাষী লোকৰ আধিপত্য আৰু তথাকথিত 'উগ্র জাতীয়তাবাদী অসমীয়া ভাবধাৰা'ৰ ফলত কিছু সংখ্যক জনগোষ্ঠীয় যুৱক এওঁলোকৰ ওপৰত ক্ষুব্ধ হৈ পৰিছিল।

খ) **গ্রাম্য ঋণগ্রস্ততা** - স্বাধীনোত্তৰ ভাৰতত দৰিদ্রতা, বেতনভোগী কর্মৰ অভাৱে আর্থিক দুর্দশাৰ সৃষ্টি কৰাটো এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য। অসমো ইয়াৰ পৰা মুক্ত নাছিল। ইয়াৰ পৰিণতি আছিল গ্রাম্য ঋণগ্রস্ততা। সেই সময়ত বেংকে কোনো ঋণ আগবঢ়োৱা নাছিল বা তেনে ধৰণৰ অন্য কোনো বিত্তীয় প্রতিষ্ঠান নাছিল যিয়ে সহায় আগবঢ়াব পাৰে। গতিকে, তেওঁলোকৰ হাতত ধাৰ লোৱাৰ বাহিৰে অন্য উপায় নাছিল আৰু ধাৰ কৰাৰ শৃংখলা প্রণালীৰ আবির্ভাৱ হৈছিল। ইয়াৰ ফলত মানুহবোৰে তেওঁলোকৰ সম্পত্তি হেৰুৱাবলগীয়া হৈ (বন্ধক হিচাপে ৰখা মাটি অথবা অলংকাৰ) চৰম দৰিদ্রতাৰ কবলত পৰিছিল। গতিকে, চৰকাৰৰপৰা পর্যাপ্ত আর্থিক সহযোগিতাৰ অভাবে একাংশ লোকৰ মনত চৰকাৰৰ বিৰুদ্ধে অসন্তুষ্টি ভাবৰ সৃষ্টি কৰিছিল।

গ) **নিবনুৱা সমস্যা** - ফলদায়ক কাম-কাজৰ জৰিয়তে যুৱক-যুৱতীৰ দক্ষতাক সদ্ব্যৱহাৰ কৰিব নোৱৰা, নিয়োগৰ অ-পর্যাপ্ততা, ব্যক্তিগত খণ্ডৰ প্রতিষ্ঠানসমূহত সীমিত পাৰিশ্রমিক আৰু অনুৰূপ সমস্যা তথা অনুপযুক্ত দক্ষতা বিকাশ কার্যসূচী আদি কিছুমান কাৰক যিবোৰে এই অঞ্চলটোত বর্ধিত নিবনুৱা সমস্যাত অৰিহণা যোগাইছে। যিয়ে এক বুজন সংখ্যক যুৱক-যুৱতীক বিদ্রোহৰ দিশে আকর্ষিত কৰিছে।

ঘ) **অঞ্চলটোৰ উন্নতিৰ বাবে সম্পদৰ অব্যৱহাৰ** - অসম প্রাকৃতিক সম্পদৰ ভঁৰাল। নিয়োগ আৰু অর্থ সৃষ্টিত ঠাইখনৰ যথেষ্ট সম্ভাৱনা আছে। জলবিদ্যুৎ উৎপাদন, পর্যটন বৃদ্ধিৰ আদিৰ প্রভূত সম্ভাৱনাযুক্ত ব্রহ্মপুত্রক অঞ্চলটোৰ কল্যাণৰ বাবে বিজ্ঞানসন্মতভাৱে ব্যৱহাৰ কৰিব পাৰি। অঞ্চলটোৰ বৃহৎ তৈল ভাণ্ডাৰ আছে, যিয়ে ৰাজ্যখনক ৰপ্তানিকাৰী হিচাপে গঢ়ি তুলিব পাৰে। অৱশ্যে, অঞ্চলটো এনে ধৰণৰ বৃহৎ পৰিমাণৰ সম্পদেৰে পৰিপূর্ণ হৈ থকাৰ পিছতো অঞ্চলটোৰ

সম্ভাৱনীয়তাক পূর্ণ ৰূপত ব্যৱহাৰ কৰাৰ ক্ষেত্রত ধাৰাবাহিকভাৱে চৰকাৰ ব্যর্থ হৈ অহা পৰিলক্ষিত হৈছে। তেল, কয়লা, কাঠ আৰু খনিজ সম্পদসমূহ অঞ্চলটোৰ জনসাধাৰণৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰাৰ সলনি কেৱল প্রাকৃতিক সম্পদসমূহ আহৰণ কৰাৰ প্রতিহে চৰকাৰ আগ্রহী। ৰাজ্যখনৰ প্রতি চৰকাৰৰ এই 'মাহীআই' সদৃশ দৃষ্টিৰ প্রতি তীব্র আক্রোশৰ সৃষ্টি হৈছিল। সেয়েহে বহুতো যুৱকে বিদ্রোহ আৰু সশস্ত্র সংগ্রামৰ পথত খোজ দিছে।

ঙ) **বিদেশী ৰাষ্ট্রৰ সমর্থন** - বিভিন্ন সময়ত বাংলাদেশ, ভূটান, চীন, ম্যানমাৰ, পাকিস্তান আদি দেশে এই বিদ্রোহীসকলক সহায় আগবঢ়াই অহা পৰিলক্ষিত হৈছে। তেওঁলোকে বিদ্রোহী সংগঠনবোৰক জ্ঞাত আৰু অজ্ঞাতভাৱেই আশ্রয় প্রদান কৰা কার্যই সমস্যাক অধিক তীব্র কৰি তুলিছে। এই দেশসমূহৰ একাংশই আনকি সংগঠনবোৰক অস্ত্র আৰু অর্থ যোগান ধৰাৰ লগতে প্রশিক্ষণ ক্ষেত্র আগবঢ়াই আহিছে। যিবোৰে তেওঁলোকক সক্রিয় কৰি ৰখাত সহায় কৰিছে।

চ) **মানৱ অধিকাৰ ভংগ** - অঞ্চলটোত অবিৰতভাৱে চলি থকা বিবাদ তথা দ্বন্দ্বৰ বাবে সেনা, BSF, ITBP, CRPF আদিৰ দৰে বিদ্রোহ বিৰোধী গোটৰ নিয়োগ কৰা হৈছে। বিদ্রোহ দমনৰ বাবে চলোৱা অভিযানবোৰত ক্রমবর্ধমান মানৱ অধিকাৰ ভংগৰ ঘটনা পৰিলক্ষিত হৈছে আৰু এই অভিযানবোৰত বহুতো যুৱক-যুৱতীৰ ওপৰত শাৰীৰিক অত্যাচাৰ চলোৱা দেখা গৈছে। এই ঘটনাবোৰৰ পৰিণতিত জনসাধাৰণ আৰু চৰকাৰৰ মাজত অবিশ্বাসৰ ভাবৰ সৃষ্টি হৈছে। এই অৱস্থাই জনমতক নিজৰ সপক্ষে পৰিচালিত কৰিবলৈ বিচৰা বিদ্রোহীসকলক যথেষ্ট সহায় কৰিছে। সৈন্যবাহিনীৰ হাতত নির্যাতিত বহুলোকে বিদ্রোহী সংগঠনত যোগ দিয়া কার্যই সংগঠনবোৰৰ গাঁথনি অধিক শক্তিশালী কৰি তুলিছে।

ছ) **চৰকাৰৰ ব্যর্থতা** - ভাৰতৰ কেন্দ্রীয় চৰকাৰে এই অঞ্চলটোৰ সমস্যাসমূহ উপলব্ধি কৰাত নিৰন্তৰ ব্যর্থ হৈ আহিছে। বিদ্রোহী সংগঠনসকলৰ লগত হোৱা অধিকাংশ দ্বিপাক্ষিক বা ত্রিপাক্ষিক আলোচনাই কোনো ফলাফল প্রদান কৰিব পৰা নাই। প্রকৃততে চৰকাৰে সামগ্রিকভাৱে জনসাধাৰণৰ মনোভাৱ বুজি পোৱাত ব্যর্থ হৈছে। অঞ্চলটোৰ বিদ্রোহমূলক অৱস্থাৰ সুদূৰপ্রসাৰী সমাধান উলিওৱাত চৰকাৰ ব্যর্থতাই বিদ্রোহী সংগঠনবোৰক অধিক সক্রিয়হে কৰি তুলিছে।

জ) **নিহিত স্বার্থ আৰু বিদ্রোহীসকলৰ মাজত পাৰস্পৰিক বুজাবুজি** - সময়ে-সময়ে এই মাত্রা প্রদান কৰা হয় যে নির্দিষ্ট স্বার্থযুক্ত দল কিছুমানেও বিদ্রোহী কাম-কাজ সক্রিয় হৈ থকাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। তেওঁলোকে অর্থ আৰু আশ্রয় প্রদান কৰাৰ লগতে ৰাজনৈতিক লাভালাভৰ বাবে বিদ্রোহী দলবোৰক জড়িত কৰায় আৰু ব্যৱহাৰ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বিদ্রোহাৰস্থা বুলিলে কি বুজায়?

.....

.....

প্রশ্ন ২ ঃ অসমত সক্রিয় হৈ থকা চাৰিটা বিদ্রোহী সংগঠনৰ নাম লিখক।

.....

.....

.....

.....

১১.৪ অসমৰ বিদ্রোহী সংগঠন ঃ আলফা (ULFA) আৰু এন ডি এফ বি (NDFB)

১১.৪.১ ইউনাইটেড লিবাৰেচন ফ্রণ্ট অব্ আসাম

পৰেশ বৰুৱা, অৰবিন্দ ৰাজখোৱা, অনুপ চেতিয়া, প্রদীপ গগৈ, ভদ্রেশ্বৰ গোহাঁই আৰু বুদ্ধেশ্বৰ গগৈৰ দৰে যুৱকৰ নেতৃত্বত অসমত শিৱসাগৰত ১৯৭৯ চনৰ এপ্রিল মাহত আলফা গঠন কৰা হয়। এই সংগঠনৰ মূল লক্ষ্য আছিল সশস্ত্র সংগ্রামৰ জৰিয়তে ভাৰতৰ পৰা বিচ্ছিন্ন কৰি এখন পৃথক সার্বভৌম সমাজবাদী অসম প্রতিষ্ঠা কৰা। বিংশ শতিকাৰ নবাম দশকৰ আৰম্ভণিৰ বছৰকেইটাত আলফাই অসমৰ সম্পদত কেন্দ্রীয় চৰকাৰে চলোৱা ঔপনিৱেশিক শোষণক ভিত্তি হিচাপে লৈ অসমৰ এক বৃহৎ সংখ্যক মানুহক একত্রিত কৰাত সফল হৈছিল।

প্রধান দাবীসমূহ ঃ

ক) নিজৰ ভূমি আৰু সম্পদসমূহৰ ওপৰত অসমৰ লোকসকলৰ নিয়ন্ত্রণ সাব্যস্ত কৰাৰ অধিকাৰ।

খ) খিলঞ্জীয়া লোক আৰু তেওঁলোকৰ অধিকাৰ (সাংবিধানিক আৰু ৰাজনৈতিক অধিকাৰ) তথা তেওঁলোকৰ সংস্কৃতি আৰু পৰম্পৰাক সুৰক্ষা আৰু সংৰক্ষণ প্রদান কৰা।

গ) তেলকে ধৰি আর্থিক সম্পদসমূহৰ ওপৰত অধিকাৰ প্রদান কৰা আৰু এইবোৰৰ ওপৰত চলা শোষণ বন্ধ কৰা।

ঘ) দলং নির্মাণ, উপযুক্ত সংযোগ, উন্নত পৰিবহণ আৰু যোগাযোগৰ লগতে ঔদ্যোগীকৰণৰ বাবে মূলধন যোগানৰ জৰিয়তে আন্তঃগাঁথনি উন্নয়ন কৰা।

ঙ) চুবুৰীয়া দেশসমূহৰ সৈতে সম্পর্ক উন্নত কৰা।

১৯৮৪ চনৰ ভিতৰত আলফাই প্ৰথম পৰ্যায়ৰ দলভৰ্তিকৰণ প্ৰক্ৰিয়া সমাপ্ত কৰাৰ লগতে সংগঠনটোৱে Kachin Independence Army (KIA) আৰু NSCN ৰ দৰে সংগঠনৰপৰা প্ৰশিক্ষণ আৰু অস্ত্ৰ আহৰণৰ কাৰ্য আৰম্ভ কৰিছিল। তেওঁলোকে বিদ্রোহৰ বিভিন্ন প্ৰাথমিক কৌশল KIA ৰ পৰা শিকিছিল। তেওঁলোকে ভাৰত-ম্যানমাৰৰ বনাঞ্চলক প্ৰশিক্ষণ শিবিৰ হিচাপে ব্যৱহাৰ কৰিছিল। এই কথাও প্ৰকাশ হৈছে যে খাদ্যবস্তু আৰু ৰচদ-পাতিৰ ক্ষেত্ৰত ভূটানৰ ৰাজকীয় সৈন্যৰ লগতো তেওঁলোকৰ সু-সম্পৰ্ক আছিল। ক'লা ধনক বৈধ কৰা আৰু আহৰণ তেওঁলোকৰ বাবে আয়ৰ মুখ্য উৎস হিচাপে পৰিগণিত হৈছিল। অতি কম সময়ৰ ভিতৰত তেওঁলোক জনসাধাৰণৰ শক্তিশালী সমৰ্থনেৰে সৈতে দক্ষিণ এছিয়াৰ অন্যতম শক্তিশালী সংগঠনত পৰিণত হয়। এনে প্ৰচুৰ জনপ্ৰিয়তা থকা সত্ত্বৰতঃ এইটোৱে একমাত্ৰ অস্থায়ী সংগঠন আছিল। ইয়াৰ প্ৰধান কাৰণ হিচাপে প্ৰথমাৱস্থাতে থকা সংগঠনটোৰ স্পষ্ট আদৰ্শলৈ আঙুলিয়াব পাৰি, যাৰ ফলত অঞ্চলটোৰ বহুলোকে তেওঁলোকক 'ত্ৰাণকৰ্তা' হিচাপে গণ্য কৰিবলৈ লৈছিল।

বিংশ শতিকাৰ নৱম দশকৰ সময়চোৱাত সংগঠনটোৱে বিভিন্ন হিংসাত্মক কাৰ্য সংঘটিত কৰিবলৈ আৰম্ভ কৰিলে আৰু ইয়াৰ ফলত ভাৰত চৰকাৰে সংগঠনটোক সন্ত্ৰাসবাদী সংগঠন হিচাপে শ্ৰেণীবদ্ধ কৰি অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৯০ ৰ অধীনত নিষিদ্ধ ঘোষণা কৰিছিল। ভাৰত চৰকাৰে ভাৰতীয় সেনাবাহিনীৰ সহযোগত ১৯৯০ চনত অপাৰেচন বজৰং, ১৯৯১ চনত অপাৰেচন ৰাইনো, ২০০৩ চনত অপাৰেচন অল ক্লিয়াৰ আৰু অপাৰেচন ৰাইনো ২ আদি বিভিন্ন সামৰিক অভিযান চলাইছিল। ২০১১ চনত সংগঠনটোৰ উপ-সভাপতি প্ৰদীপ গগৈৰ নেতৃত্বত 'বিদেশ সচিব' শশধৰ চৌধুৰী আৰু 'কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক' মিথিংগা দৈমাৰীয়ে ঘোষণা কৰিছিল যে সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যবাহী পৰিষদে কেন্দ্ৰীয় চৰকাৰৰ সৈতে কোনো পূৰ্বচৰ্ত অবিহনে আলোচনাত বহিব। মন কৰিবলগীয়া যে এই আলোচনাক আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই সমৰ্থন জনোৱা নাছিল আৰু সাধাৰণ পৰিষদক অসাংবিধানিক আখ্যা দিছিল। গতিকে আলফাত এক ভাঙোনৰ সৃষ্টি হৈ ক্ৰমে পৰেশ বৰুৱা নেতৃত্বাধীন আলফা-আলোচনাবিৰোধী (ULFA-ATP) আৰু অৰবিন্দ ৰাজখোৱা নেতৃত্বাধীন আলফা-আলোচনাপন্থী (ULFA-PTF) - এই দুটা ভাগত বিভক্ত হৈ পৰিছিল।

শেহতীয়াকৈ সংগঠনটো ক্ৰমে দুৰ্বল হৈ পৰিছে। বহুতো সদস্যই ইতিমধ্যে আত্মসমৰ্পণ কৰি তেওঁলোকৰ নেতাসকলৰ লগত মূলসুঁতিলৈ ঘূৰি আহিছে। অনুপ চেতিয়াৰ দৰে শক্তিশালী সদস্যক গ্ৰেপ্তাৰ কৰা হৈছে আৰু সংগঠনটোলৈ যোৱা সদস্যৰ সংখ্যাও ক্ৰমে কমি আহিছে। সংগঠনটোৱে গ্ৰহণ কৰা হিংসাত্মক পথৰ প্ৰতি জনসাধাৰণৰ মনত সৃষ্টি হোৱা অনাসক্তিৰ ফলতো সংগঠনটোৱে পূৰ্বে মানুহৰ পৰা লাভ কৰা সমৰ্থন ক্ৰমে হ্ৰাস পাই আহিছে। সমসাময়িক সময়ত, সামৰিক পন্থাৰ সলনি পৰিৱৰ্তিন ৰাজনৈতিক ব্যৱস্থাৰ ভিত্তিত শান্তিপূৰ্ণ সমাধানৰ দিশটোৱে অধিক গুৰুত্ব পাইছে।

১১.৪.২ নেচনেল ডেম'ক্রেটিক ফ্রণ্ট অব্ বড়োলেণ্ড (NDFB)

অসমত বাস কৰা বড়ো লোকসকলৰ পৰিচয় আৰু সুৰক্ষাৰ ৰক্ষণাবেক্ষণ আৰু ভাৰতৰ ভিতৰতে পৃথক বড়োলেণ্ড ৰাজ্য গঠনৰ দাবীত ১৯৮৬ চনৰ অক্টোৱৰ মাহৰ ৩ তাৰিখে ৰঞ্জন দৈমাৰীয়ে ওদালগুৰিৰ ওচৰৰ ওদলা কাশীবাৰী গাঁৱত Bodo Security Force (BdSF) নামৰ এটা সশস্ত্র সংগঠন গঠন কৰিছিল। ভাৰত চৰকাৰ আৰু সদৌ বড়ো ছাত্র সস্থা (ABSU), Bodo Peoples' Action Committee (BPAC) ৰ মাজত স্বাক্ষৰিত বড়ো চুক্তি বাতিল হোৱাৰ পিছত ১৯৯৪ চনৰ ২৫ নৱেম্বৰত এই সংগঠনটো NDFB নামেৰে নামকৰণ কৰা হয়। BdSF ক NDFB নামেৰে নামকৰণ কৰাৰ পিছত সংগঠনটোৱে গেৰিলা যুদ্ধ আৰম্ভ কৰিছিল। সংগঠনটোৰ আদর্শ হ'ল জাতিভিত্তিক জাতীয়তাবাদ, মার্ক্সবাদ, সমাজবাদ আৰু গণতন্ত্র। এই সংগঠনটোৱে উত্তৰ-পূর্বাঞ্চলৰ বিভিন্ন বিচ্ছিন্নতাবাদীৰ সংগঠন UNLFW ৰ প্রতি আনুগত্য প্রকাশ কৰিছে। NDFB ৰ নেশ্বনেল কাউন্সিল (ৰাজনৈতিক বিভাগ) আৰু বড়োলেণ্ড আর্মি (সশস্ত্র বিভাগ) নামৰ দুটা বিভাগ আছে। ২০০৩ চনত ভাৰতীয় সেনাই অপাৰেচন অল ক্লিয়াৰ অভিযান চলোৱাৰ পিছত NDFB এ যুদ্ধবিৰতি ঘোষণা কৰে আৰু ২০০৪ চনত চৰকাৰৰ সৈতে আলোচনাত মিলিত হ'বলৈ সন্মতি প্রকাশ কৰে। পৰৱর্তী সময়ত NDFB দুটা ভাগত বিভাজিত হৈ পৰে। সেই দুটা হ'ল ৰঞ্জন দৈমাৰী ওৰফে ডি.আৰ.নাবলাৰ নেতৃত্বত NDFB প্রগতিশীল। এই সংগঠনটোৰ মুখ্য কার্যালয় ম্যানমাৰত আছে। সংগঠনটোৰ বর্তমানৰ কর্মক্ষেত্রসমূহ হ'ল অসমৰ উত্তৰ আৰু উত্তৰ পশ্চিমাঞ্চল (বঙাইগাঁও, কোকৰাঝাৰ, দৰং, বৰপেটা, ধুবুৰী, নলবাৰী আৰু শোণিতপুৰ জিলা) আৰু মেঘালয়ৰ গাৰো পাহাৰ। শেহতীয়াভাৱে, ম্যানমাৰৰ সেনাই NDFB আৰু আলফাকে ধৰি ম্যানমাৰত সক্রিয় হৈ থকা ভাৰতীয় বিদ্রোহী সংগঠনসমূহৰ বিপক্ষে আক্রমণাত্মক অভিযান চলায়।

বিগত সময়চোৱাত NDFB মূল উদ্দেশ্যৰপৰা ফালৰি কাটি অহা পৰিলক্ষিত হৈছে আৰু আলফাৰ সৈতে এক সহযোগিতামূলক বুজাবুজিত উপনীত হৈছে। ১৯৯৯ চনত, আলফা আৰু NDFB এ এখন সহযোগী কমিটি গঠন কৰি সংযুক্ত সংগ্রামৰ আৰম্ভ কৰিছিল। NDFB এ NSCN(IM) ৰ সৈতেও কাম কৰিছিল। NDFB এ আৰম্ভণিৰ পৰা অনুসৰণ কৰি অহা আদর্শসমূহ সমসাময়িক সংগঠন যেনে যেনে বড়ো লিবাৰেশ্বন টাইগাৰ (BLT) তথা নাগৰিক সমাজ সংগঠন যেনে সদৌ বড়ো ছাত্র সস্থা (ABSU) আৰু বড়ো সাহিত্য সভাৰ সৈতে অসামঞ্জস্য সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। তেওঁলোকে সংঘটিত কৰা হিংসাত্মক কার্যসমূহক নাগৰিক সমাজকে ধৰি বড়ো লোকসকলৰ অধিকাংশই সমর্থন নকৰে। এনে হিংসাত্মক কার্যসমূহৰ ভিতৰত ১৯৯৮ চনৰ গোঁসাইগাঁৱৰ চস্থালী লোকৰ হত্যা, কামৰূপত সুৰক্ষা বাহিনীৰ লোকৰ ওপৰত

লেণ্ডমাইন আক্রমণ, তেজপুৰৰ ওচৰত এখন যাত্রীবাহী ৰেলত বোমা বিস্ফোৰণ, গুৱাহাটীত ধাৰাবাহিক বিস্ফোৰণ আদিয়ে প্রধানই। ২০১২ চনত NDFB নাবলা গোটটো পুনৰ বিভাজন হৈ এগৰাকী অবড়ো আই কে সংবিজিতৰ নেতৃত্বত নতুন গোটৰ সৃষ্টি হয়।

প্রধান দাবীসমূহ

ক) সার্বভৌম বড়োলেণ্ড স্থাপন কৰা।

খ) 'ভাৰতীয়'ৰ সম্প্রসাৰণ আৰু আধিপত্যৰ পৰা বড়ো লোকক মুক্ত কৰা।

গ) এখন গণতান্ত্রিক-সামাজিক সমাজ প্রতিষ্ঠা কৰা আৰু স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধৰ ভাবধাৰাৰ প্রসাৰৰ জৰিয়তে বড়োলেণ্ডৰ অখণ্ডতা ৰক্ষা কৰা।

ঘ) অসমৰ অন্যান্য জনগোষ্ঠীৰ শোষণৰপৰা বড়ো সমাজক মুক্ত কৰা আৰু তেওঁলোকৰ জাতিগত পৰিচয় আৰু সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰা।

ঙ) বড়ো ভাষাৰ বাবে ৰোমান লিপি ব্যৱহাৰ কৰা।

চ) অবৈধ অনুপ্রৱেশকাৰীৰ বিৰুদ্ধে সুৰক্ষাৰ বাবে ট্রাইবেল বেল্ট আৰু ব্লকসমূহ সুৰক্ষিত কৰি ৰখা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ আলফা ১৯৭৯ চনৰ এপ্রিল মাহত গঠন হৈছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৪ ঃ NDFB ৰ যিকোনো দুটা দাবী উল্লেখ কৰক।

.....

.....

১১.৫ বিদ্রোহী সমস্যা সমাধানৰ কিছুমান প্রত্যাক্রিত সমাধান

শান্তিৰে পৰিপূর্ণ নির্মল ভূখণ্ড অসমে বিগত কিছু বছৰ ধৰি ভীতিগ্রস্ত অৱস্থাৰ সন্মুখীন হৈ আহিছে। অঞ্চলটোৱে অসুৰক্ষিত আৰু হিংসাত্মক অৱস্থাৰ মুখামুখি হৈছে। ২০০০ চনৰ এপ্রিল মাহত ভাৰতৰ গৃহমন্ত্রী এল.কে.আদৱানিয়ে NDFB আৰু আলফাই হিংসা পৰিহাৰ কৰি ভাৰতীয় সংবিধানৰ আওতাৰ ভিতৰত বুজাবুজিত উপনীত হ'বলৈ বিচাৰিলে চৰকাৰ তেওঁলোকৰ সৈতে আলোচনাত মিলিত হ'বলৈ প্রস্তুত বুলি কৈ গৈছে। অৱশ্যে এই প্রক্রিয়া আৰম্ভ হোৱাৰ পূৰ্বেই সমাপ্ত হৈছিল আৰু বিষয়টো অপৰিৱর্তিত হৈ ৰৈছিল। পূর্বে উল্লেখ কৰা অনুসৰি শান্তি আলোচনাই আলফাক দ্বিখণ্ডিত কৰিছিল। NDFB ৰ ক্ষেত্রতো একে ঘটনাই সংঘটিত হৈছিল। গতিকে

প্রভাৱশালী সমাধান তেতিয়ালৈ সম্ভৱ নহয়, যেতিয়ালৈ সংগঠনসমূহে তেওঁলোকৰ উদ্দেশ্য আৰু আদর্শৰ সৈতে বুজাবুজি নকৰে। তথাপিও ব্যাপক পৰিসৰত প্রয়োগ কৰিব পৰা কিছুমান প্রত্যাক্রিত সমাধান হ'ল —

- উপলব্ধ সম্পদসমূহ ব্যৱহাৰ কৰি দ্রুত অর্থনৈতিক বিকাশ সম্ভৱ কৰি তুলিব লাগে।
- প্রশাসন যন্ত্রৰ শাসন আৰু বিতৰণ ব্যৱস্থাটো ধনীসকলৰ সলনি দুখীয়াসকলৰ বাবে উপলব্ধ হোৱা উচিত।
- বিদ্রোহৰ বিপক্ষে অভিযান আৰু সেনাবাহিনী প্রয়োগৰ দৰে সিদ্ধান্ত এৰাই চলিব লাগে আৰু অন্তিম উপায় হিচাপেহে এনে সিদ্ধান্ত গ্রহণ কৰিব লাগে।
- সশ্রস্ত্র সংগঠনসমূহেও যুক্তিপূর্ণ দাবী উত্থাপন কৰিব লাগে যিহেতু সার্বভৌমত্বৰ দাবী অযুক্তিপূর্ণ হিচাপে বিবেচিত।
- সমস্যাসমূহৰ সঠিক ৰাজনৈতিক সমাধানৰ বাবে চৰকাৰ সুস্পষ্ট হ'ব লাগে আৰু উত্তেজনা সৃষ্টিৰপৰা বিৰত থাকিব লাগে।
- তথ্য বা সংবাদৰ আদান-প্রদান, সন্ত্রাসবাদীসকলৰ বিৰুদ্ধে তদন্ত আৰু অভিযানৰ ক্ষেত্রত ৰাজ্যিক আৰক্ষী আৰু কেন্দ্রীয় সেনাবাহিনীয়ে সম-সহযোগিতাৰে কার্য সম্পাদন কৰিব লাগে যাতে লাভ কৰা তথ্যসমূহ বিশ্বাসযোগ্য হয় আৰু জনসাধাৰণ আৰু বিদ্রোহী সংগঠনৰ মাজত কোনো দোদুল্যমান অৱস্থাৰ সৃষ্টি নকৰে।
- তদুপৰি কার্যকৰী হৈ থকা স্বায়ত্বশাসিত পৰিষদসমূহ শক্তিশালী কৰিব লাগে।
- প্রব্রজনকাৰী, বনুৱাসকলক 'ৰর্ক পার্মিট' প্রদান কৰিব লাগে।
- উত্তৰ পূর্বাঞ্চল উন্নয়ন মন্ত্রালয় (DONER) আৰু উত্তৰ পূব পৰিষদ (NEC) এ উন্নয়নকাৰী আঁচনিসমূহক সঠিকভাৱে ৰূপায়ণ কৰিব লাগে।
- কেন্দ্রই এই অঞ্চলটোৰ লোকসকলৰ সাংস্কৃতিক আবেগত সচেতনভাবে অনুভৱ কৰি তেওঁলোকৰ সামাজিক-সাংস্কৃতিক আকাংক্ষাসমূহ পূৰণ কৰিবলৈ চেষ্টা কৰাটো অতি প্রয়োজনীয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ অসমৰ বিদ্রোহাৱস্থাৰ যিকোনো দুটা সমাধান উল্লেখ কৰক।

.....

.....

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- সশস্ত্র বিদ্রোহৰ শাব্দিক অর্থ হ'ল কোনো প্রতিষ্ঠিত কর্তৃপক্ষৰ বিৰুদ্ধে অস্ত্র-শস্ত্র ব্যৱহাৰ কৰি চলোৱা এক ধৰণৰ বিদ্রোহ। সশস্ত্র বিদ্রোহী সংগঠনবোৰে বিভিন্ন কৌশল অৱলম্বন কৰি প্রতিষ্ঠিত চৰকাৰ একোখনক ক্ষমতাৰ পৰা অপসাৰিত কৰাৰ লক্ষ্যেৰে কাম কৰি যায়।
- এনে কৌশল দুটামান হ'ল- সশস্ত্র বিদ্রোহ আৰু ৰাজনৈতিক উদ্দেশ্যেৰে পৰিচালিত গেৰিলা যুদ্ধ। সশস্ত্র বিদ্রোহী সংগঠনবোৰে ভাবে যে তেওঁলোকৰ বাসভূমি 'ৰাজনৈতিক তথা অর্থনৈতিক দখল'ৰ অধীন হৈ পৰিছে।
- সাধাৰণতে এনে সংগঠনবোৰে নিজৰ অঞ্চলটোক সংখ্যাগৰিষ্ঠতাবাদী ৰাষ্ট্রই কেনেকৈ অর্থনৈতিক, সামাজিক আৰু ৰাজনৈতিকভাৱে বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত কৰি আহিছে তাৰ যুক্তি আগবঢ়াই তথা নিজৰ কার্যকলাপৰ ন্যায্যতা প্রদর্শনৰ চেষ্টা কৰি জনসাধাৰণৰ সমর্থন আদায়ৰ চেষ্টা কৰে।
- ভাৰতত সশস্ত্র বিদ্রোহ কোনো নতুন পৰিঘটনা নহয়। বহুদিন আগৰে পৰাই ভাৰতৰ বিভিন্ন অংশত বিচ্ছিন্নতাবাদী প্রৱণতাৰ প্রকাশ ঘটি আহিছে। ভাৰতত এই আন্দোলনৰ প্রকৃতি হ'ল মূলতঃ উপ-আঞ্চলিক আৰু নৃগোষ্ঠীয় বৈশিষ্ট্যভিত্তিক।
- ভাৰতৰ কেইটামান উল্লেখযোগ্য বিচ্ছিন্নতাবাদী আন্দোলন হ'ল- পঞ্জাৱত চলা খালিস্তান আন্দোলন তথা মধ্য আৰু পূৱ ভাৰতৰ বিভিন্ন অংশত সক্রিয় হৈ থকা নক্সালবাদী-মাওবাদী সশস্ত্র বিদ্রোহী। ভাৰতৰ উত্তৰ-পূৱ অঞ্চলটোৱেও এক সুদীর্ঘকাল সশস্ত্র বিদ্রোহে জন্ম দিয়া বিভিন্ন সংঘাতৰ মুখামুখি হ'বলগীয়া হৈছে।
- অসমত বিংশ শতিকাৰ তৃতীয় দশকৰ পৰাই বিচ্ছিন্নতাবাদে গা কৰি উঠিছিল। সেই সময়ত ৰাজ্যখন গৱর্ণৰৰ প্রভিঞ্চ আছিল। তেতিয়াই অবৈধ প্রব্রজনৰ ফলস্বৰূপে ইয়াৰ জন সমুদায় সংখ্যালঘু হোৱাৰ শংকা ঘনীভূত হৈছিল। ঔপনিৱেশিক শাসনকালত গ্রহণ কৰা চৰকাৰী নীতি যিয়ে অসমৰ ভৌগোলিক, সংস্কৃতিক আৰু উন্নয়নৰ স্বার্থত বিৰূপ প্রভাৱ পেলাইছিল।
- এনেকুৱা ঐতিহাসিক অভিজ্ঞতাৰ ভিত্তিত আৰু কেন্দ্রীয় চৰকাৰৰ অসমৰ সমস্যাসমূহৰ প্রতি থকা উদাসীনতাই সমস্যাটো অধিক জটিল কৰি তুলিছিল।
- ভাৰত বিভাজন আৰু গ্রুপিং পৰিকল্পনাই অসমীয়া মানুহক তেওঁলোকৰ ভাগ্য আৰু ভৱিষ্যৎ সম্পর্কে অধিক সন্দিহান কৰি তুলিছিল। ই অসমৰ অবৈধ প্রব্রজন সমস্যা আৰু ভাষা সমস্যাৰ জৰিয়তে অধিক গুৰুতৰ ৰূপ লাভ কৰি বিংশ শতিকা আশীৰ দশকত অসম আন্দোলনৰ জৰিয়তে অসম জ্বলি উঠে। এই সময়ছোৱাত আলফা নামৰ বিদ্রোহী গোটটোৰ জন্ম হৈছিল।

- বড়ো সংস্কৃতি আৰু জাতিগত পৰিচয় ৰক্ষা কৰি পুনৰুজ্জীৱিত কৰিবলৈ তথা ভূমি পৃথকীকৰণৰ বিষয়টি সমাধানৰ বাবে বড়ো আন্দোলন আৰম্ভ হৈছিল। সদৌ বড়ো ছাত্র সন্থা (ABSU), Bodo People's Action Committee (BPAC) আৰু Bodo Security Forceএ 'বড়োলেণ্ড' নামৰ পৃথক বড়ো ৰাজ্যৰ দাবী উত্থাপন কৰিছিল।
- BLT গোটটোৱে পৰৱর্তী সময়ত অসম চৰকাৰৰ সৈতে বুজাবুজিত উপনীত হৈ অসমৰ ভিতৰতে BTAD নামৰ এখন পৃথক ৰাজনৈতিক ক্ষেত্রৰ গঠন কৰিছিল। অৱশ্যে NDFB এ পৃথক ৰাজ্যৰ দাবীত অটল হৈ থাকিল।
- অসমৰ বিদ্রোহাৱস্থাৰ বিকাশৰ ক্ষেত্রত অৰিহণা যোগোৱা কাৰকসমূহ হ'ল —
- ভূমি অধিগ্রহণ , গ্রাম্য ঋণগ্রস্ততা, নিবনুৱা সমস্যা , অঞ্চলটোৰ উন্নতিৰ বাবে সম্পদৰ অব্যৱহাৰ, ইত্যাদি।
- অসমত শিৱসাগৰত ১৯৭৯ চনৰ এপ্রিল মাহত আলফা গঠন কৰা হয়। এই সংগঠনৰ মূল লক্ষ্য আছিল সশস্ত্র সংগ্রামৰ জৰিয়তে ভাৰতৰ পৰা বিচ্ছিন্ন কৰি এখন পৃথক সার্বভৌম সমাজবাদী অসম প্রতিষ্ঠা কৰা। বিংশ শতিকাৰ নবাম দশকৰ আৰম্ভণিৰ বছৰকেইটাত আলফাই অসমৰ সম্পদত কেন্দ্রীয় চৰকাৰে চলোৱা ঔপনিৱেশিক শোষণক ভিত্তি হিচাপে লৈ অসমৰ এক বৃহৎ সংখ্যক মানুহক একত্রিত কৰাত সফল হৈছিল।
- ২০১১ চনত সংগঠনটোৰ উপ-সভাপতি প্রদীপ গগৈৰ নেতৃত্বত 'বিদেশ সচিব' শশধৰ চৌধুৰী আৰু 'কেন্দ্রীয় প্রচাৰ সম্পাদক' মিথিংগা দৈমাৰীয়ে ঘোষণা কৰিছিল যে সংগঠনটোৰ কেন্দ্রীয় কার্যবাহী পৰিষদে কেন্দ্রীয় চৰকাৰৰ সৈতে কোনো পূর্বচর্ত অবিহনে আলোচনাত বহিব। মন কৰিবলগীয়া যে এই আলোচনাক আলফাৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই সমর্থন জনোৱা নাছিল আৰু সাধাৰণ পৰিষদক অসাংবিধানিক আখ্যা দিছিল। গতিকে আলফাত এক ভাঙোনৰ সৃষ্টি হৈ ক্রমে পৰেশ বৰুৱা নেতৃত্বাধীন আলফা-আলোচনাবিৰোধী (ULFA-ATP) আৰু অৰবিন্দ ৰাজখোৱা নেতৃত্বাধীন আলফা-আলোচনাপন্থী (ULFA-PTF) - এই দুটা ভাগত বিভক্ত হৈ পৰিছিল।
- অসমত বাস কৰা বড়ো লোকসকলৰ পৰিচয় আৰু সুৰক্ষাৰ ৰক্ষণাবেক্ষণ আৰু ভাৰতৰ ভিতৰতে পৃথক বড়োলেণ্ড ৰাজ্য গঠনৰ দাবীত ১৯৮৬ চনৰ অক্টোৱৰ মাহৰ ৩ তাৰিখে ৰঞ্জন দৈমাৰীয়ে ওদালগুৰিৰ ওচৰৰ ওদলা কাশীবাৰী গাঁৱত Bodo Security Force (BdSF) নামৰ এটা সশস্ত্র সংগঠন গঠন কৰিছিল।
- বড়ো চুক্তি বাতিল হোৱাৰ পিছত ১৯৯৪ চনৰ ২৫ নৱেম্বৰত এই সংগঠনটো NDFB নামেৰে নামকৰণ কৰা হয়। BdSF ক NDFB নামেৰে নামকৰণ কৰাৰ পিছত সংগঠনটোৱে গেৰিলা যুদ্ধ আৰম্ভ কৰিছিল। সংগঠনটোৰ আদর্শ হ'ল জাতিভিত্তিক জাতীয়তাবাদ, মার্ক্সবাদ, সমাজবাদ আৰু গণতন্ত্র।

- পৰৱর্তী সময়ত NDFB দুটা ভাগত বিভাজিত হৈ পৰে। সেই দুটা হ'ল ৰঞ্জন দৈমাৰীৰ ওৰফে ডি.আৰ.নাবলাৰ নেতৃত্বত NDFB প্রগতিশীল। ২০১২ চনত NDFB নাবলা গোটটো পুনৰ বিভাজন হৈ এগৰাকী অবড়ো আই কে সংবিজিতৰ নেতৃত্বত নতুন গোটৰ সৃষ্টি হয়।
- বিদ্রোহী সমস্যা সমাধানৰ কিছুমান প্রত্যাক্রিত সমাধান হ'ল —উপলব্ধ সম্পদসমূহ ব্যৱহাৰ কৰি দ্রুত অর্থনৈতিক বিকাশ সম্ভৱ কৰি তুলিব লাগে, প্রশাসন যন্ত্রৰ শাসন আৰু বিতৰণ ব্যৱস্থাটো ধনীসকলৰ সলনি দুখীয়াসকলৰ বাবে উপলব্ধ হোৱা উচিত, বিদ্রোহৰ বিপক্ষে অভিযান আৰু সেনাবাহিনী প্রয়োগৰ দৰে সিদ্ধান্ত এৰাই চলিব লাগে আৰু অন্তিম উপায় হিচাপেহে এনে সিদ্ধান্ত গ্রহণ কৰিব লাগে, সশস্ত্র সংগঠনসমূহেও যুক্তিপূর্ণ দাবী উত্থাপন কৰিব লাগে যিহেতু সার্বভৌমত্বৰ দাবী অযুক্তিপূর্ণ হিচাপে বিবেচিত, ইত্যাদি।



১১.৭ অধিক জানিবলৈ

1. Baruah, Sanjib. (2001). *India Against Itself*. New Delhi: Oxford University Press.
2. Bhattacharjee .J.B.(2007). *Roots of Insurgency in Northeast India*. New Delhi : Akansha Pulishing House.

১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সশস্ত্র বিদ্রোহৰ শাব্দিক অর্থ হ'ল কোনো প্রতিষ্ঠিত কর্তৃপক্ষৰ বিৰুদ্ধে অস্ত্র-শস্ত্র ব্যৱহাৰ কৰি চলোৱা এক ধৰণৰ বিদ্রোহ। সশস্ত্র বিদ্রোহী সংগঠনবোৰে বিভিন্ন কৌশল অৱলম্বন কৰি প্রতিষ্ঠিত চৰকাৰ একোখনক ক্ষমতাৰ পৰা অপসাৰিত কৰাৰ লক্ষ্যেৰে কাম কৰি যায়। এনে কৌশল দুটামান হ'ল- সশস্ত্র বিদ্রোহ আৰু ৰাজনৈতিক উদ্দেশ্যেৰে পৰিচালিত "গেৰিলা যুদ্ধ"।

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) ইউনাইটেড লিবাৰেচন ফ্রণ্ট অব্ আসাম -আলফা(ULFA)

(খ) নেচনেল ডেম'ক্রেটিক ফ্রণ্ট অব্ বড়োলেণ্ড(NDFB)

(গ) কমতাপুৰ লিবাৰেশ্যন অর্গেনাইজেশ্বন(KLO)

(ঘ) কার্বি লংৰি নর্থ কাছাৰ হিলচ লিবাৰেশ্যন ফ্রণ্ট (KLNLF)

৩ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) সার্বভৌম বড়োলেণ্ড স্থাপন কৰা।

খ) 'ভাৰতীয়'ৰ সম্প্রসাৰণ আৰু আধিপত্যৰ পৰা বড়ো লোকক মুক্ত কৰা।

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) উপলব্ধ সম্পদসমূহ ব্যৱহাৰ কৰি দ্রুত অর্থনৈতিক বিকাশ সম্ভৱ কৰি তুলিব লাগে।

খ) প্রশাসন যন্ত্রৰ শাসন আৰু বিতৰণ ব্যৱস্থাটো ধনীসকলৰ সলনি দুখীয়াসকলৰ বাবে উপলব্ধ হোৱা উচিত।



১১.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ অসমত বিদ্রোহাৱস্থা সৃষ্টিৰ অন্তৰালত নিহিত যিকোনো দুটা কাৰক উল্লেখ কৰক।

প্রশ্ন ২ঃ ভাৰতীয় সেনাই কোন চনত 'অপাৰেচন অল ক্লিয়াৰ' অভিযান চলাইছিল?

প্রশ্ন ৩ঃ কোন চনত আলফা গঠন কৰা হৈছিল?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ বিদ্রোহাৱস্থাৰ অর্থ ব্যাখা কৰক।

প্রশ্ন ২ঃ বিদ্রোহী সংগঠনবোৰৰ মাজত পৰিলক্ষিত হোৱা যিকোনো চাৰিটা সাধাৰণ বৈশিষ্ট আলোচনা কৰক।

প্রশ্ন ৩ঃ আলফা অথবা NDFB - যিকোনো এটা সংগঠনৰ ওপৰত এটি টোকা প্রস্তুত কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অসমত বিদ্রোহাৱস্থা সৃষ্টিত ক্রিয়া কৰা যিকোনো পাঁচটা কাৰক বহলাই আলোচনা কৰক।

প্রশ্ন ২ঃ বিদ্রোহাৱস্থাৰ প্রাত্যহিক সমাধানৰ বিষয়ে ব্যাখ্যা কৰক।

****

অধ্যায় ১২ ঃ ষষ্ঠ অনুসূচী আৰু পাহাৰীয়া অঞ্চলত স্বায়ত্ব শাসনৰ বাবে আন্দোলন

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ ষষ্ঠ অনুসূচীৰ অধীনত সাংবিধানিক ব্যৱস্থাসমূহ

১২.৪ কার্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰত স্বায়ত্ব শাসনৰ দাবীৰ আন্দোলন

১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৭ অধিক জানিবলৈ

১২.৮ অগ্রগতিৰ খতিয়ান

১২.৯ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ষষ্ঠ অনুসূচীৰ ঐতিহাসিক পটভূমিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ষষ্ঠ অনুসূচীৰ বিভিন্ন ব্যৱস্থাসমূহ ব্যৱস্থাসমূহ ব্যাখ্যা কৰিব পাৰিব
- অসমত জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদৰ গঠন সম্পর্কে আলোচনা কৰিব পাৰিব
- কার্বি আংলং আৰু উত্তৰ কাছাৰ পার্বত্য এলেকাত স্বায়ত্ব শাসনৰ দাবীৰ আন্দোলনৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

ভাৰতে ১৯৪৭ চনত স্বাধীনতা লাভ কৰিছিল আৰু ভাৰতে স্বাধীনত লাভ কৰাৰ আগতে বৃটিছ চৰকাৰে জনজাতীয় অঞ্চল চিনাক্তকৰণ কৰিছিল আৰু তেওঁলোকৰ সুৰক্ষা আৰু বিকাশৰ প্রতিশ্রুতি দিছিল, কিন্তু তেওঁলোকে জনজাতীয় লোকসকলক স্বায়ত্ব শাসন প্রদান কৰাৰ কোনো সফল চৰকাৰী ব্যৱস্থা লোৱা নাছিল। সেয়েহে অসমৰ পাহাৰীয়া অঞ্চলৰ জনজাতীয় লোক সকলৰ পৰা উন্নত সামাজিক মর্যদাৰ বাবে স্বাধানতাৰ পাছৰ ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত স্বায়ত্ব শাসনৰ কাৰণে বিভিন্ন দাবী উত্থাপন হৈছিল। তেতিয়া ভাৰতীয় সংবিধানে অসম, মেঘালয়, ত্রিপুৰা, মিজোৰাম প্রদেশৰ জনজাতীয় লোকৰ দ্বাৰা পাহাৰীয়া অঞ্চলত বসবাস কৰা জনজাতীয় লোকৰ স্বায়ত্ব শাসনৰ কাৰণে ভাৰতীয় সংবিধানত ষষ্ঠ অনুসূচীৰ যোগেদি বিশেষ চর্ত নিদ্ধাৰণ কৰিছিল। ষষ্ঠ অনুসূচীৰ আৰম্ভণী ১৮৭৪ চনত

বৃটিছ ভাৰতৰ পৰা এখন পৃথক ৰাজ্য হিচাপে অসমে প্ৰণয়ণ কৰা সংবিধানৰ দিনৰে পুৰণি। ৰাজ্যখনৰ কিছু অংশ 'পিছপৰা অঞ্চল' হিচাপে বৰ্ণনা কৰা হৈছিল যাক ১৮৭৪ চনৰ অনুসূচীত জিলা আইনৰ (Scheduled District Act of 1874) অধীনত শাসন কৰা হ'ব। সেই অঞ্চলসমূহৰ স্থানীয় প্ৰশাসনৰ কাৰণে এক পৃথক ব্যৱস্থাৰ প্ৰয়োজন অনুভৱ কৰা হৈছিল যিহেতু সেই অঞ্চলৰ মানুহৰ এক পৃথক বৈশিষ্টপূৰ্ণ সংস্কৃতি আছিল যাক তেওঁলোকেচ অব্যাহত আৰু অক্ষুন্ন ৰাখিব বিচাৰিছিল। এই অঞ্চলৰ লোকসকলে তেওঁলোকৰ মাটি, অৰণ্য, জান-জুৰি আৰু নদীৰ ওপৰত তেওঁলোকৰ কৰ্তৃত্ব অব্যাহত ৰাখিব বিচাৰিছিল আৰু তেওঁলোকৰ প্ৰথা আৰু পৰম্পৰা, সাজ-পোছাক, খাদ্যভাম আদিক সুৰক্ষা দিব বিচাৰিছিল আৰু লগতে তেওঁলোকৰ জনজাতীয় সামাজিক নীতি নিয়ম আৰু তেওঁলোকৰ সামাজিক ন্যায়ৰ পুৰণা ব্যৱস্থাক সংৰক্ষণ কৰিব বিচাৰিছিল।

যি কি নহওঁক, বিভিন্ন ঐতিহাসিক কাৰণত এই অঞ্চলৰ লোকসকলে অৰ্থনৈতিকভাৱে আৰু শৈক্ষিকভাৱে দুয়ো ক্ষেত্ৰতে অতি পিছপৰা আছিল। তেওঁলোক আছিল এক সমৃদ্ধ ঐতিহ্যৰ গৰাকী। এই ঐতিহ্যক ভৈয়ামৰ লোকৰ প্ৰভাৱৰ পৰা সুৰক্ষিত ৰখাটো প্ৰয়োজনীয় হৈ পৰিছিল। এই কথা অনুধাৱন কৰা হৈছিল যে দেশৰ অন্য অঞ্চলৰ বাবে প্ৰণয়ন কৰা স্থানীয় প্ৰশাসন ব্যৱস্থাবোৰ উত্তৰ-পূৱৰ পাৰ্বত্য অঞ্চলবোৰৰ বাবে সুবিধাজনক নহ'ব। সেয়েহে, ভাৰতীয় সংবিধাধৰ ষষ্ঠ অনুসূচীৰ জৰিয়তে এই অঞ্চলটোৰ বাবে প্ৰশাসনৰ এটা সৰল ব্যৱস্থা আগবঢ়োৱা হৈছিল। ইয়াৰ জৰিয়তে উত্তৰ-পূৱৰ পাৰ্বত্য এলেকাবোৰক বিশেষ সাংবিধানিক সুৰক্ষা কবচ প্ৰদান কৰা হ'ল।

১২.৩ ষষ্ঠ অনুসূচীৰ অধীনত সাংবিধানিক ব্যৱস্থাসমূহ

'পিছপৰা অঞ্চল' হিচাপ সিদ্ধান্ত-গ্ৰহণকাৰী সকলে চিনাক্তকৰণ কৰা, জনসাধাৰণৰ অংশগ্ৰহণ সু-নিশ্চিত কৰিবলৈ আৰু বিষয়টোৰ পৰিচালনা আৰু জনজাতীয় সকলৰ আগ্ৰহক সুৰক্ষা দিবলৈ, ভাৰতৰ অন্তৰ্ৱতী কালীন চৰকাৰে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নেতৃত্বত সংবিধান সভাৰ এখন উপ-সমিতি নিয়োগ কৰিছিল। এই সমিতিখনক উত্তৰ-পূৱ সীমান্ত (অসম) জনজাতীয় আৰু পৃথক (Excluded) অঞ্চলৰ সমিতি হিচাপে জনা যায়। বৰদলৈ সমিতিয়ে পাহাৰীয়া জনজাতিসকলৰ বিভিন্ন দাবী আৰু ইচ্ছা আকাংক্ষ্যাক লৈ এক বিস্তৃত অধ্যয়ন চলাইছিল আৰু জনজাতীয় অঞ্চলৰ প্ৰশাসনৰ কাৰণে সাধাৰণ আৰু কম খৰচী প্ৰশাসনিক ব্যৱস্থা আৰম্ভ কৰাত অনুমোদন জনাইছিল যাক জিলা পৰিষদ আখ্যা দিয়া হ'ব। গোপীনাথ বৰদলৈ সমিতিৰ অনুমোদনক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ ২৪৪ (2) অনুচ্ছেদৰ লগত সংলগ্ন কৰা হৈছিল। বৰদলৈ সমিতিয়ে প্ৰধান জনজাতীয় লোকসকলৰ বাহিৰে আন জনজাতিসকলৰ কাৰণে আঞ্চলিক পৰিষদ গঠনৰ ব্যৱস্থা কৰিছিল। এই আঁচনিয়ে সেই সময়ৰ অসমৰ পাহাৰীয়া অঞ্চলৰ অন্তৰ্ভুক্ত ঐক্যবদ্ধ খাচী-জয়ন্তীয়া পাৰ্বত্য জিলা,

গাৰো, পার্বত্য জিলা, লুচাই পার্বত্য জিলা, নাগা পার্বত্য জিলা, উত্তৰ কাছাৰ পার্বত্য জিলা আৰু মিকিৰ পার্বত্য জিলাত স্বায়ত্ব শাসিত প্রশাসন (জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদ) গঠন কৰিব বিচাৰিছিল।

- **ষষ্ঠ অনুসূচীৰ বৈশিষ্ট্যসমূহ**
  - ষষ্ঠ অনুসূচীৰ লক্ষ্য হৈছে পাহাৰীয়া অঞ্চলৰ জনজাতীয় লোকক সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত অংশ গ্রহণ কৰা আৰু তেওঁলোকৰ নিজৰ শাসন, আইনগতভাৱে নিশ্চিতকৰণৰ দ্বাৰা সবলীকৰণ কৰা। ই ক্ষমতাৰ বিকেন্দ্রীকৰণ আৰু তৃণমূল পর্য্যায়লৈ গণতন্ত্র বিস্তাৰ (expand) কৰা এক ব্যৱস্থা।
  - ষষ্ঠ অনুসূচী থলুৱা লোকৰ পৰম্পৰা আৰু সংস্কৃতিৰ সৈতে সুৰক্ষা প্রদান কৰা এক ব্যৱস্থা। জনজাতীয় লোকসকলে তেওঁলোকৰ নিজৰ সংস্কৃতি, পৰম্পৰা, সামাজিক ব্যৱস্থা আৰু প্রতিস্থানসমূহ সংৰক্ষণ কৰাটোত বৰ আগ্রহী আছিল আৰু তেওঁলোকৰ মাটি, অৰণ্য জান-জুৰি আৰু নদীৰ ওপৰত তেওঁলোকৰ কর্তৃত্ব স্থাপনত সচেতন আছিল যদিও তেওঁলোকৰ নিজৰ পৰিচয় সংৰক্ষিত ৰাখিব পৰাকৈ পর্যাপ্ত উপায় নাছিল। থলুৱা লোকৰ চহকী পৰম্পৰা সুৰক্ষিত আৰু বিকশিত কৰাতো প্রয়োজন। ষষ্ঠ অনুসূচীৰ অন্তৰালত জনজাতীয় লোকসকলক তেওঁলোকৰ নিজৰ এক সাধাৰণ আৰু কম খৰচী প্রশাসন ব্যৱস্থা প্রদান কৰা ধাৰণাটো আছিল যি তেওঁলোকৰ প্রথা, পৰম্পৰা, সামাজিক, নীতি নিয়ম আৰু জীৱন ধাৰণাৰ প্রক্রিয়াক সুৰক্ষা প্রদান কৰিব।
  - বর্তমান চাৰিখন ৰাজ্যত স্বায়ত্ব শাসিত পার্বত্য জনজাতি জিলা আছে। জিলাকেইখন হ'ল— উত্তৰ কাছাৰ পার্বত্য জিলা (বর্তমানৰ ডিমা হাচাও জিলা) (অসম), কার্বি আংলং জিলা (অসম), বড়োলেণ্ড টেৰিট'ৰিয়েল এলেকা জিলা (অসম), খাচি পাহাৰ জিলা (মেঘালয়), গাৰো পাহাৰ জিলা (মেঘালয়), জয়ন্তীয়া পাহাৰ জিলা (মেঘালয়), ত্রিপুৰা জনজাতি এলেকা জিলা (ত্রিপুৰা), চাক্‌মা জিলা (মিজোৰাম), মাৰা জিলা (মিজোৰাম) আৰু লাই জিলা (মিজোৰাম)।
  - অনুসূচিত অঞ্চল আৰু উত্তৰ-পূর্ব্বাঞ্চলৰ বাহিৰৰ অনুসূচিত জনজাতি অধ্যুষিত অঞ্চলৰ ক্ষেত্রত প্রযোজ্য সংবিধানৰ ষষ্ঠ আৰু পঞ্চম অনুসূচীত ভাৰতৰ প্রাক্তন মুখ্য ন্যায়াধীশ স্বর্গীয় মহম্মদ হিদায়ৎ-উল্লাহে ''ভাৰতৰ কেইটামান সুনির্দিষ্ট অনুসূচিত এলেকাৰ ক্ষুদ্র সংবিধান' বুলি অভিহিত কৰিছিল। ষষ্ঠ অনুসূচীত স্বায়ত্বশাসিত জিলা তথা অঞ্চল গঠনৰ বিস্তৃতনীতি-নিয়ম, এনে অঞ্চল আৰু জিলাৰ লক্ষ্য-উদ্দেশ্য, জিলা পৰিষদ অথবা আঞ্চলিক পৰিষদৰ সংৰচনাত্মক ক্ষমতা আৰু কার্যাৱলীৰ সম্পূর্ণ বর্ণনা উল্লেখ কৰা হৈছে। স্বায়ত্বশাসিত জিলা পৰিষদ হ'ল সংসদে গঠন কৰা এটা অভিকৰণ। এনে পৰিষদে ৰাজ্যৰ বিধায়িনী ক্ষমতাৰ বাহিৰত থাকি স্বতন্ত্রভাৱে নিজৰ কাম-কাজ আগবঢ়াই নিব পাৰে।

- ষষ্ঠ অনুসূচীৰ অধীনত অসম, মেঘালয়, ত্রিপুৰা আৰু মিজোৰামৰ জনজাতি অধ্যুষিত এলেকাবোৰৰ সাংবিধানিক প্ৰশাসনীয় অভিকৰণসমূহ গঠন কৰা হয়। এই অনুসূচীয়ে এটা স্পষ্ট কৰি দিয়ে যে এই ৰাজ্যকেইখনৰ কিছুমান নির্দিষ্ট জনজাতি অধ্যুষিত এনেকাই স্বায়ত্ব শাসিত জিলা আৰু স্বায়ত্বশাসিত অঞ্চলৰ স্বীকৃতি পাব। এখন স্বায়ত্বশাসিত জিলাত বিভিন্ন অনুসূচিত জনজাতি থাকিব পাৰে। এনে হ'লে, ৰাজ্যপালে জাননী জাৰী কৰি আধিপত্য থকা অনুসূচিত জনজাতিসকলক বিভিন্ন স্বায়ত্বশাসিত অঞ্চলত ভাগ কৰিব পাৰে। ৰাজ্যপালে স্বায়ত্বশাসিত জিলাবোৰৰ এলেকা নির্ধাৰণ কৰি দিয়ে। সংবিধানৰ ষষ্ঠ অনুসূচীয়ে ৰাজ্যপালক প্ৰদান কৰা ক্ষমতাবোৰ হ'ল- নতুন স্বায়ত্বশাসিত জিলা গঠন, কোনো সক্রিয় জিলা পৰিষদৰ অধীনৰ এলেকা বৃদ্ধি অথবা কর্তন, দুখন অথবা ততোধিক স্বায়ত্বশাসিত জিলা অথবা এনে জিলাৰ অংশ একত্রিতকৰণ অথবা বিভিন্ন অংশ লগ লগাই এখন স্বায়ত্বশাসিত জিলা গঠন, এনে যিকোনো জিলাৰ সীমা নির্দ্ধাৰণ অথবা যিকোনো স্বায়ত্বশাসিত জিলাৰ নাম সলনিকৰণ। অৱশ্যে স্থানভেদে জিলা পৰিষদৰ প্ৰশাসনীয় এলেকাৰ সীমা ভিন ভিন হ'ব পাৰে। যেনে- অসম আৰু মেঘালয়ৰ জিলা পৰিষদবোৰ কেৱল জিলা পর্যায়ত আৰু মিজোৰামৰ জিলা পৰিষদবোৰ জিলা তথা উপ-সংমণ্ডল উভয় স্তৰত গঠন কৰা হয়।
- ষষ্ঠ অনুসূচীৰ চর্ত মতে জিলা পৰিষদসমূহ ৩০ জন সদস্যৰে গঠিত হ'ব, ইয়াৰে ২৬ জনক এজনীয়া সদস্যৰ সমষ্টিৰ পৰা প্রাপ্তবয়স্ক ভোটাৰৰ ভিত্তিত নির্বাচিত কৰা হ'ব আৰু ৪ জন তকৈ অধিক সদস্য ৰাজ্যপালৰ দ্বাৰা মূখ্য কার্যবাহী সদস্যৰ পৰামর্শ মতে ৫ বছৰৰ বাবে নির্বাচিত কৰিব নোৱাৰিব। প্রত্যেক জিলা পৰিষদত এজন চেয়াৰমেন আৰু এজন ডেপুটি চেয়াৰমেন থাকিব যাক জিলা পৰিষদৰ নির্বাচিত সদস্য সকলে নির্বাচন কৰিব। কার্যত, চেয়াৰমেন আৰু ডেপুটি চেয়াৰমেনে বিধানসভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ দৰে কার্যনির্বাহ কৰিব। জিলা পৰিষদক মাটিৰ বণ্টন, (allotment) অধিগ্রহণ আৰপ ব্যৱহাৰ, অসংৰক্ষিত অৰণ্যৰ পৰিচালনা, কৃষিৰ উদ্দেশেৰে জন ধাৰা (canals) আৰু নলাৰ ব্যৱহাৰ, ঝুম খেতিৰ বিধি/আইন গাঁও পৰিষদ আৰু নগৰ সমিতিৰ স্থাপন গ্রাম্য নীতিৰ প্রশাসন ৰাজহুৱা স্বাস্থ্য আৰু অনাময় মুখিয়ালৰ নিয়োগ আৰু উত্তৰাধিকাৰী নিয়োগ আদিৰ বাবে আইন প্রস্তুতৰ ক্ষমতা প্রদান কৰা হৈছে। জিলা পৰিষদে প্রস্তুত কৰা আইন জড়িত ৰাজ্যসমূহে চৰকাৰী ৰাজ পত্রত প্রকাশ কৰে।

ষষ্ঠ অনুসূচীৰ ৪ নং দফাই জিলা পৰিষদবোৰক গাওঁ আৰু জিলা পৰিষদ আদালত গঠনৰ ক্ষমতা দিছে। স্বায়ত্বশাসিত এলেকাবোৰৰ বাবে গঠিত এনে

আদালতবোৰে দুটা জনজাতি পক্ষৰ মাজত গা কৰি উঠা প্ৰথাগত আইন (customary laws) বিষয়ক গোচৰবোৰ নিষ্পত্তি অথবা বিচাৰ কৰে। দেশৰ উচ্চ তথা উচ্চতম ন্যায়ালয়ৰ বাহিৰে আন কোনো আদালতে পৰিষদ আদালতৰ ৰায়দান আৰু গোচৰত হস্তক্ষেপ কৰিব নোৱাৰে। জিলা পৰিষদবোৰে ভূমি ৰাজহ, বাধ্যতামূলক কৰ আৰু অন্য শুল্ক সংগ্ৰহ কৰে। পৰিষদবোৰৰ উপার্জনৰ অন্য উৎসবোৰ হ'ল ৰাজ্য চৰকাৰৰ পৰা পোৱা অনুদান সাহায্য, ঋণ আৰু আগধন। অ-জনজাতি এলেকাবোৰৰ স্থানীয় স্ব-প্ৰশাসন চৰকাৰ (পঞ্চায়ত) বোৰৰ দৰে জিলা পৰিষদবোৰো ভাৰতীয় প্ৰশাসনৰ তৃতীয় স্তৰটোৰ এটা অংশ।

- ষষ্ঠ অনুসূচীয়ে জিলা পৰিষদৰ কাৰ্যকৰী কাৰ্যসমূহ চলাবলৈ এখন কাৰ্যবাহী সমিতিৰ আইনগত ব্যৱস্থা কৰিছে। কাৰ্যবাহী সমিতিখন মুখ্য কাৰ্যবাহী সদস্য আৰু অন্য কাৰ্যবাহী সদস্যসকলৰে গঠিত। ই সংসদীয় গণতন্ত্ৰৰ কেবিনেট (cabinet) প্ৰথাৰ দৰে, জিলা পৰিষদ জিলা পৰ্য্যায়ত এক সুক্ষ্ম চৰকাৰৰ দৰে। ষষ্ঠ অনুসূচীৰ ব্যৱস্থাৰ পৰা এইটো স্পষ্ট যে স্বায়ত্ব শাসিত জিলাৰ অসামৰিক প্ৰশাসন দুজন কৰ্তৃপক্ষৰ দ্বাৰা চলোৱা হয় প্ৰকৃততে, ৰাজ্য চৰকাৰক প্ৰতিনিধিত্ব কৰা উপাযুক্ত আৰু জিলা পৰিষদৰ কাৰ্যবাহী সমিতি। ষষ্ঠ অনুসূচীয়ে এনেকৈ কতৃৰ্ত্বৰ দুটা ধৰণৰ (Set) সৃষ্টি কৰিছিল।
- ষষ্ঠ অনুসূচীৰ চৰ্তসমূহক কেৱল সংসদৰ দ্বাৰা সংবিধানৰ অন্যান্য অংশৰ দৰে সংশোধন কৰিব পাৰি। কিন্তু ইয়াত এইটো উল্লেখ কৰিব লাগিব যে ষষ্ঠ অনুসূচীৰ কিছু অংশৰ সংশোধনক সংবিধানৰ ৩৬৮ দফাৰ অধীনৰ সংশোধন হিচাপে ধৰা নহয়।

- **অসমত জিলা পৰিষদ আৰু আঞ্চলিক পৰিষদৰ গঠন**

ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত অসম চৰকাৰে স্বায়ত্ব শাসিত এলেকা লুচাই পাহাৰ জিলাৰ বাবে 'অসম স্বায়ত্বশাসিত জিলা (জিলা পৰিষদ গঠন) নীতি, ১৯৫১' [Assam Autonomous District (Constitution of District Councils) Rules, 1951] আৰু 'পাৰি-লাখেৰ(আঞ্চলিক পৰিষদ গঠন) নীতি, ১৯৫২' [Pawi-Lakher (Constitution of Regional Councils) Rules, 1952] প্ৰস্তুত কৰিছিল। এই নীতি অনুসৰি ক্ৰমে ১৯৫২ আৰু ১৯৫৩ চনত জিলা পৰিষদ তথা আঞ্চলিক পৰিষদ গঠন কৰা হৈছিল। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত ১৯৫২ চনতে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলা দুখন গঠন কৰা হৈছিল। এই জিলা দুখন গঠন কৰাৰ উদ্দেশ্য আছিল অঞ্চলটোৰ অর্থনৈতিক উন্নয়ন সাধন কৰা,শৈক্ষিক বিকাশ ঘটোৱা, ভাষিকপ্ৰত্যাশা পূৰণ কৰা, সংশ্লিষ্ট জনজাতিবোৰৰ ভূমি অধিকাৰ-নৃগোষ্ঠীয় পৰিচয় সংৰক্ষিত ৰখা আৰু জিলা দুখনৰ আন্তঃগাঁথনিমূলক উন্নয়ন খৰতকীয়া কৰা।

বিগত কেইটামান দশকত অসমৰ ভৈয়াম জনজাতিসকলো সংগঠিত হৈছে। তেওঁলোকেও সংবিধানৰ সুৰক্ষা কবচ দাবী কৰিছে আৰু পার্বত্য প্রশাসনৰ আৰ্হিত নিজ নিজ সম্প্রদায়ৰ বাবে বিশেষ প্রশাসনীয় ব্যৱস্থা বিচাৰিছে ।

২০০৩ চনত ষষ্ঠ অনুসূচীৰ অধীনত অসমৰ ভৈয়াম অঞ্চলৰ চাৰিখন জিলা সামৰি বড়োলেণ্ড টেৰিট'ৰিয়েল এলেকা জিলা (BTAD) গঠন কৰা হৈছে। ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে ষষ্ঠ অনুসূচীৰ পর্যায়ক্রমে অসমৰ জনজাতি অধ্যুষিত ভৈয়াম এলেকাবোৰলৈও সম্প্রসাৰণ ঘটিছে।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ১ ঃ ষষ্ঠ অনুসচীৰ যিকোনো দুটা বৈশিষ্ট্য লিখক।

.....

.....

.....

প্রশ্ন ২ ঃবৰদলৈ সমিতিয়ে প্রধান জনজাতীয় লোকসকলৰ বাহিৰে আন জনজাতিসকলৰ কাৰণে আঞ্চলিক পৰিষদ গঠনআঞ্চলিক পৰিষদ গঠনৰ ব্যৱস্থা কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

১২.৪ কার্বি আংলং আৰু উত্তৰ কাছাৰ পার্বত্য এলেকাত স্বায়ত্ব শাসনৰ দাবীৰ আন্দোলন

স্বাধীনতা লাভ কৰাৰে পৰা অসমে, যি ভিন্ন নৃগোষ্ঠীয়ে সম্প্রদায়ৰ মাতৃভূমি , যথেষ্ট সংখ্যক শান্তিপূর্ণ, হিংসাত্মক আৰু দুয়োটাৰে সংমিশ্রণ, স্বকীয় পৰিচিতিৰ বাবে কৰা/হোৱা আন্দোলনৰ সাক্ষী বহন কৰিছে যি স্বাধীন ৰাজ্যৰ দাবীক লৈ কেন্দ্রীভূত। ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীয়ে অসমৰ পাহাৰীয়া জিলাসমূহৰ কাৰণে স্বায়ত্বশাসিত পৰিষদৰ আইনগত ব্যৱস্থা কৰিছে। কিন্তু, কার্বি আংলং আৰু উত্তৰ কাছাৰ দুখন জিলাই ১৯৬০ চনৰ পৰা অনুসূচীৰ অধীনত স্বায়ত্ব শাসিত পৰিষদৰ অপর্য্যাপ্ততা উল্লেখ কৰি আহিছে। আচলতে, শেহতীয়াকৈ কার্বি-ডিমাচা স্বায়ত্ব শাসন আন্দোলনে এক উদ্বেগজনক সামৰিক নৃগোষ্ঠীয় সংঘাতৰ ফালে গতি কৰি এক গুৰুতৰ পৰিবর্তন আনিছে আৰু নৃগোষ্ঠীয় বৈশিষ্ট্যৰ আধাৰত বিশেষ স্বায়ত্বশাসিত গৃহভূমিৰ দাবীক জগাই তুলিছে।

অসমত কার্বি আংলং আৰু উত্তৰ কাছাৰ পার্বত্য জিলাৰ পাহাৰীয়া জনসাধাৰণে এখন স্বায়ত্বশাসিত ৰাজ্যৰ কাৰণে কৰা দাবী উত্তৰ-পূৰৰ একেধৰণৰ আন্দোলনৰ লগত শিপাই আছে যিয়ে প্রথমতে নাগালেণ্ডক আৰু পাছত মিজোৰাম আৰু তাৰ পাছত

মেঘালয়ক পৃথক ৰাজ্য হিচাপে গঠন হোৱাত সহায় কৰিছিল।

শেহতীয়াকৈ অসমে ৰাভা, তিৰা, মিচিং, সোণোৱাল, কছাৰী, কোঁচ ৰাজবংশী, বড়ো, ডিমাচা আৰু কাৰ্বিৰ দৰে বহুসংখ্যক নৃগোষ্ঠীয়ে গোটৰ তেওঁলোকৰ নৃগোষ্ঠীয় পৰিচিতিৰ প্ৰতি ভাবুকিৰ কথা উল্লেখ কৰি নৃগোষ্ঠীয় পৰিচয় আধাৰত ব্যাপকতৰ স্বায়ত্বশাসন অথবা পৃথক ৰাজ্যৰ দাবী আগতকৈ শক্তিশালী কৰি তুলিছে। নৱেম্বৰ, ১৯৫১ চনত যেতিয়া কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ (পাহাৰীয়া) বৰ্তমান ডিমা হাচাও নামে জনাজাত, দুখন জিলাই জিলা হিচাপে পৰিগণিত হৈছিল একত্ৰিত মিকিৰ আৰু উত্তৰ কাছাৰ পাহাৰ নামে জনা গৈছিল। ১৯৫২ চনত ভাৰতৰ সংবিধানৰ ষষ্ঠ অনু সূচীৰ অধীনত পৃথক জিলা পৰিষদ হিচাপে কাৰ্বি আৰু ডিমাচাসকলক স্বায়ত্ব শাসন প্ৰদান কৰা হৈছিল। তেতিয়া কাৰ্বি আংলং এক মহকুমা আছিল, আৰু ইয়াৰ নাম আছিল মিকিৰ পাবত্য জিলা আৰু ১৯৭১ চনত উত্তৰ কাছাৰ জিলাক ইয়াৰ পৰা পৃথক কৰি মিকিৰ পাৰ্বত্য জিলা হিচাপে পুনৰ নামাকৰণ কৰা হয়।

১৯৭৬ চনৰ পৰা জিলাখনৰ নাম কাৰ্বি আংলং ৰূপে সলনি কৰা হয়। এইদৰে কাৰ্বি আংলং অসমৰ এখন পূৰ্ণাংগ জিলাত পৰিণত হৈছিল। কাৰ্বি আংলঙৰ মুখ্য কাৰ্যালয় ডিফুত অৱস্থিত।

একেদৰে, হাফলঙত মুখ্য কাৰ্যালয় পাতি উত্তৰ কাছাৰ পাৰ্বত্য এলেকাকো এখন পূৰ্ণাংগ জিলাৰ মৰ্যাদা দিয়া হৈছিল। বৰ্তমান এই জিলাখনৰ নতুন নাম হ'ল ডিমা হাচাও জিলা।

দুয়োখন জিলাই ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত নীতিৰ অধীনত স্বায়ত্বশাসনৰ সুবিধা লাভ কৰিছে। কাৰ্বি আৰু ডিমাচাসকলে অসমৰ জনজাতি সম্প্ৰদায়বোৰৰ মাজত একোখন গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে।

১৯৫০ চনৰ দশকৰ মাজভাগত পাৰ্বত্য ৰাজ্য আন্দোলনৰ ৰূপত ৰাজ্যখনত পৃথক পাৰ্বত্য ৰাজ্য বিচাৰি কৰা দাবীৰ উত্থান ঘটিছিল। সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলন (All Party Hill Leaders' Conference)এ নেতৃত্ব প্ৰদান কৰা পাৰ্বত্য ৰাজ্য আন্দোলনত কাৰ্বি আংলঙে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা নাছিল। অৱশ্যে দুয়োখন পাৰ্বত্য জিলাই আৱন্তণিৰে পৰা ক্ষমতাৰ ব্যাপকতৰ হস্তান্তৰৰ দাবী জনাই আহিছে।

১৯৭০ চনত যেতিয়া পৃথক ৰাজ্য মেঘালয় গঠন কৰা হৈছিল, কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাক নতুন ৰাজ্য মেঘালয়ত যোগ দিয়াৰ বিকল্প প্ৰদান কৰা হৈছিল। কিন্তু এই দুখন জিলাই অসমত থকাৰেই সিদ্ধান্ত গ্ৰহণ কৰিছিল।

১৯৮০ ৰ দশকৰ মাজভাগৰ পৰা কাৰ্বি আংলং জিলাৰ ৰাজনীতিত পুনৰ কাৰ্বিসকলৰ নৃগোষ্ঠীয় পৰিচয় সুদৃঢ়কৰণৰ বিষয়টোৱে গুৰুত্ব লাভ কৰিলে। অসম চৰকাৰে গ্ৰহণ কৰা কিছুমান উগ্ৰ জাতীয়তাবাদী নীতিৰ বাবেও কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা (বৰ্তমান ডিমা হাচাও)ৰ লগতে ৰাজ্যখনৰ বিভিন্ন জনজাতি প্ৰধান অঞ্চলত সন্দেহৰ সৃষ্টি হৈছিল। এনে সন্দেহ সৃষ্টিকাৰী দুটা প্ৰধান কাৰক আছিল-

(i) অসম মাধ্যমিক শিক্ষা বোর্ডৰ দ্বাৰা বাধ্যতামূলকভাৱে 'তৃতীয় ভাষা' ৰূপে অসমীয়া ভাষা প্ৰচলনৰ সিদ্ধান্ত (ৰজ্মজ্জ্বছ চনত জাৰী কৰা এক চৰকাৰী জাননীৰ দ্বাৰা) আৰু (ii) সকলো চৰকাৰী সেৱাত নতুন নিযুক্তিৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ জ্ঞান বাধ্যতামূলক কৰি জাৰী কৰা নতুন ভাষা নীতি। পার্বত্য জিলা দুখনৰ বাসিন্দাসকলে তদানীন্তন চৰকাৰৰ এই নীতি দুটাক বিমলা প্ৰসাদ চলিহাৰ প্ৰতিশ্ৰুতি ভংগকাৰী কার্য বুলি গণ্য কৰিছিল। কাৰণ, চলিহাই চৰকাৰী চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ জ্ঞান বাধ্যতামূলক নকৰাৰ কথা কৈছিল। এই পৃষ্ঠভূমিতে উত্তৰ-কাছাৰ পার্বত্য আৰু কার্বি আংলং জিলাৰ বাসিন্দাৰ ভাষা, সংস্কৃতি তথা পৰম্পৰাক ৰক্ষণাবেক্ষণ দিয়াৰ স্বার্থত 'স্বায়ত্বশাসিত ৰাজ্য দাবী সমিতি' (Autonomous State Demand Committee) নামৰ ছত্ৰ সংগঠন এটাৰ জন্ম হৈছিল।

উত্তৰ কাছাৰ আৰু কার্বি আংলং দুয়োখন পাহাৰীয়া জিলাৰ মানুহৰ ভাষা, সংস্কৃতি আৰু পৰম্পৰাক সুৰক্ষা প্ৰদান কৰাৰ উদ্দেশ্যে গঠিত 'স্বায়ত্বশাসিত ৰাজ্য দাবী সমিতি'যে ভাৰতীয়ে সংবিধানৰ ২৪৪ (A) অনুচ্ছেদৰ অধীনত কার্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰৰ কাৰণে এক স্বায়ত্বশাসিত ৰাজ্যৰ দাবী উত্থাপন কৰিছিল। ২৪৪ (A) অনুচ্ছেদ অসমৰ কিছুমান জনজাতীয় অঞ্চলেৰে এখন স্বায়ত্বশাসিত ৰাজ্য গঠন আৰু স্থানীয় বিধান মণ্ডল অথবা মন্ত্রী পৰিষদ অথবা দুয়োটা সৃষ্টিৰ লগত জড়িত। সেইদৰে, সংবিধানৰ ২৪৪ (A) অনুচ্ছেদ অনুসৰণ কৰি পূর্ণ মাত্রাত প্ৰশাসনিক আৰু ৰাজনৈতিক স্বায়ত্ব শাসন লাভৰ উপায় হিচাপে অসম ৰাজ্যৰ ভিতৰতে এখন স্বায়ত্ব শাসিত ৰাজ্যৰ দাবী আৰম্ভ কৰা হৈছিল।

আনকি কার্বি আংলং স্বায়ত্বশাসিত ৰাজ্য দাবী সমিতিয়ে ASDC য়ে বহু সময় ধৰি এলানী বন্ধ কার্যসূচী হাতত লৈ আহিছে। ই ১৯৮৬ চনৰ ১৭ জুনত কার্বি আংলং ৰাজ্য দাবী দিৱস পালন কৰিছিল। ASDC য়ে স্বায়ত্ব শাসিত ৰাজ্য গঠনৰ ইয়াৰ দাবী সার্থক কৰিছিল কৰিবলৈ ১৯৮৬ চনৰ ১৫ আগষ্টত এক সমান্তৰালকৈ স্বাধীনতা দিৱস উদথাপন কৰিছিল। দুয়োখন পাহাৰীয়া জিলাক লৈ ভাৰতৰ সংবিধানৰ ২৪৪ (A) অনুচ্ছেদৰ অধীনত অসমৰ ভিতৰত এখন স্বায়ত্বশাসিত ৰাজ্য গঠনৰ কাৰণে উত্থাপিত দাবীৰ কাৰণে জিলাখনৰ বিভিন্ন অংশত বিভিন্ন প্ৰতিবাদ, শোভাযাত্রা, প্রার্থনা সভা আয়োজন কৰা হৈছিল। অসম ৰাজ্যৰ অতিৰিক্ত পুনৰ গঠন আৰু ভাগ বটোৱাৰাক বাধা দিবলৈ আৰু সংবিধানৰ ষষ্ঠ অনুসূচীৰ গাঁথনিৰ (framework) ভিতৰত এটা সমাধান উলিয়াবলৈ কেন্দ্রীয় গৃহ মন্ত্রীৰ উপস্থিতিত ১৯৯৫ চনৰ ১ এপ্রিলত এহাতে আছিল ASDC, কার্বি ছাত্র সস্থা (KSA), উত্তৰ কাছাৰ পার্বত্য ছাত্র ফেডাৰেশ্যন (NCHSF) , ডিমাচা ছাত্র সস্থা (DSU) আৰু আনহাতেদি অসম চকাৰৰ মাজত এক বুজাবুজিৰ চুক্তি (MoU) স্বাক্ষৰিত হৈছিল। ই কার্বি আংলংৰ স্বায়ত্ব শাসিত জিলা পৰিষদৰ ক্ষমতা আৰু কার্য্যাৱলীৰ অতিৰিক্ত বৃদ্ধি ঘটাইছিল আৰু আগলৈ, কার্বি আংলং স্বায়ত্ব শাসিত জিলা পৰিষদক কার্বি আংলং স্বায়ত্বশাসিত পৰিষদলৈ (KAAC) উন্নীত কৰা হৈছিল।

একেদৰে, ১৯৯৫ চনৰ বুজাবুজিৰ স্মাৰক পত্ৰৰ অধীনত কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদক ৩০ টা বিষয়ৰ যাৱতীয় কাম-কাজবোৰ আগুৱাই নিয়াৰ দায়িত্ব দিয়া হৈছিল। এই কার্যাৱলী পৰিচালনা কৰিবলৈ অসম ৰাজ্যৰ কার্যবাহী ক্ষমতা সম্প্রসাৰিত কৰা হৈছিল। কিন্তু ১৯৯৫ চনৰ বুজাবুজিৰ স্মাৰক পত্ৰৰ পাছতো কার্বিসকলে দাবী কৰা স্বায়ত্বশাসিত অথবা পৃথক ৰাজ্যৰ কোনো যুক্তিসংগত সমাধান নোলাল। কার্বিসকলকৰ নৃগোষ্ঠীয় প্রত্যাশা পূৰণৰ ৰাজনৈতিক সংঘর্ষ আজিও অব্যাহত আছে। এইখিনিতে এটা কথা উল্লেখ কৰাটো ভাল হ'ব যে ২০১৫ চনত বর্তমানৰ কার্বি আংলং জিলাখনৰ পৰাই পশ্চিম কার্বি আংলং জিলাখন গঠন আৰু হামৰেনত ইয়াৰ সদৰ স্থাপন কৰা হৈছিল।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন ৩ ঃ ASDC য়ে ভাৰতৰ সংবিধানৰ কোনটো অনুচ্ছেদৰ অধীনত অসমৰ ভিতৰত এখন স্বায়ত্বশাসিত ৰাজ্য গঠনৰ কাৰণে দাবী কৰিছে ?

.....

.....

.....

প্রশ্ন ৪ ঃ কেন্দ্রীয় গৃহ মন্ত্রীৰ উপস্থিতিত ১৯৯৫ চনৰ ১ এপ্রিলত এহাতে আছিল ASDC, কার্বি ছাত্র সস্থা (KSA), উত্তৰ কাছাৰ পার্বত্য ছাত্র ফেডাৰেশ্যন (NCHSF), ডিমাচা ছাত্র সস্থা (DSU) আৰু আনহাতেদি অসম চকাৰৰ মাজত এক বুজাবুজিৰ চুক্তি (MoU) স্বাক্ষৰিত হৈছিল। (শুদ্ধ/অশুদ্ধ)

.....



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'পিছপৰা অঞ্চল' হিচাপ সিদ্ধান্ত-গ্রহণকাৰী সকলে চিনাক্তকৰণ কৰা, জনসাধাৰণৰ অংশগ্রহণ সু-নিশ্চিত কৰিবলৈ আৰু বিষয়টোৰ পৰিচালনা আৰু জনজাতীয় সকলৰ আগ্রহক সুৰক্ষা দিবলৈ, ভাৰতৰ অন্তর্ৱর্তী কালীন চৰকাৰে লোকপ্রিয় গোপীনাথ বৰদলৈৰ নেতৃত্বত সংবিধান সভাৰ এখন উপ-সমিতি নিয়োগ কৰিছিল।
- এই সমিতিখনক উত্তৰ-পূৰ সীমান্ত (অসম) জনজাতীয় আৰু পৃথক (Excluded) অঞ্চলৰ সমিতি হিচাপে জনা যায়। বৰদলৈ সমিতিয়ে পাহাৰীয়া জনজাতিসকলৰ বিভিন্ন দাবী আৰু ইচ্ছা আকাংক্ষ্যাক লৈ এক বিস্তৃত অধ্যয়ন চলাইছিল আৰু জনজাতীয়

অঞ্চলৰ প্ৰশাসনৰ কাৰণে সাধাৰণ আৰু কম খৰচী প্ৰশাসনিক ব্যৱস্থা আৰম্ভ কৰাত অনুমোদন জনাইছিল যাক জিলা পৰিষদ আখ্যা দিয়া হ'ব।

- গোপীনাথ বৰদলৈ সমিতিৰ অনুমোদনক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ ২৪৪ (২) অনুচ্ছেদৰ লগত সংলগ্ন কৰা হৈছিল। বৰদলৈ সমিতিয়ে প্ৰধান জনজাতীয় লোকসকলৰ বাহিৰে আন জনজাতিসকলৰ কাৰণে আঞ্চলিক পৰিষদ গঠনৰ ব্যৱস্থা কৰিছিল।
- ষষ্ঠ অনুসূচীৰ লক্ষ্য হৈছে পাহাৰীয়া অঞ্চলৰ জনজাতীয় লোকক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত অংশ গ্ৰহণ কৰা আৰু তেওঁলোকৰ নিজৰ শাসন, আইনগতভাৱে নিশ্চিতকৰণৰ দ্বাৰা সবলীকৰণ কৰা। ই ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰু তৃণমূল পৰ্য্যায়লৈ গণতন্ত্ৰ বিস্তাৰ (expand) কৰা এক ব্যৱস্থা।
- ষষ্ঠ অনুসূচী থলুৱা লোকৰ পৰম্পৰা আৰু সংস্কৃতিৰ সৈতে সুৰক্ষা প্ৰদান কৰা এক ব্যৱস্থা। ষষ্ঠ অনুসূচীৰ অন্তৰালত জনজাতীয় লোকসকলক তেওঁলোকৰ নিজৰ এক সাধাৰণ আৰু কম খৰচী প্ৰশাসন ব্যৱস্থা প্ৰদান কৰা ধাৰণাটো আছিল যি তেওঁলোকৰ প্ৰথা, পৰম্পৰা, সামাজিক, নীতি নিয়ম আৰু জীৱন ধাৰণাৰ প্ৰক্ৰিয়াক সুৰক্ষা প্ৰদান কৰিব।
- বৰ্তমান চাৰি ৰাজ্যত নখন স্বায়ত্ব শাসিত পাৰ্বত্য জনজাতি জিলা আছে। জিলাকেইখন হ'ল— উত্তৰ কাছাৰ পাৰ্বত্য জিলা বৰ্তমানৰ ডিমা হাচাও (অসম), কাৰ্বি আংলং জিলা (অসম), বড়োলেণ্ড টেৰিট'ৰিয়েল এলেকা জিলা (অসম), খাচি পাহাৰ জিলা (মেঘালয়), গাৰো পাহাৰ জিলা (মেঘালয়), জয়ন্তীয়া পাহাৰ জিলা (মেঘালয়), ত্ৰিপুৰা জনজাতি এলেকা জিলা (ত্ৰিপুৰা), চাক্‌মা জিলা (মিজোৰাম), মাৰা জিলা (মিজোৰাম) আৰু লাই জিলা (মিজোৰাম)।
- ষষ্ঠ অনুসূচীত স্বায়ত্বশাসিত জিলা তথা অঞ্চল গঠনৰ বিস্তৃতনীতি-নিয়ম, এনে অঞ্চল আৰু জিলাৰ লক্ষ্য- উদ্দেশ্য, জিলা পৰিষদ অথবা আঞ্চলিক পৰিষদৰ সংৰচনাত্মক ক্ষমতা আৰু কাৰ্যাৱলীৰ সম্পূৰ্ণ বৰ্ণনা উল্লেখ কৰা হৈছে। স্বায়ত্বশাসিত জিলা পৰিষদ হ'ল সংসদে গঠন কৰা এটা অভিকৰণ। এনে পৰিষদে ৰাজ্যৰ বিধায়িনী ক্ষমতাৰ বাহিৰত থাকি স্বতন্ত্ৰভাৱে নিজৰ কাম-কাজ আগবঢ়াই নিব পাৰে।
- ষষ্ঠ অনুসূচীৰ অধীনত অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ জনজাতি অধ্যুষিত এলেকাবোৰৰ সাংবিধানিক প্ৰশাসনীয় অভিকৰণসমূহ গঠন কৰা হয়। এই অনুসূচীয়ে এটা স্পষ্ট কৰি দিয়ে যে এই ৰাজ্যকেইখনৰ কিছুমান নিৰ্দিষ্ট জনজাতি অধ্যুষিত এনেকাই স্বায়ত্ব শাসিত জিলা আৰু স্বায়ত্বশাসিত অঞ্চলৰ স্বীকৃতি পাব।
- ষষ্ঠ অনুসূচীয়ে জিলা পৰিষদৰ কাৰ্যকৰী কাৰ্যসমূহ চলাবলৈ এখন কাৰ্যবাহী সমিতিৰ আইনগত ব্যৱস্থা কৰিছে। কাৰ্যবাহী সমিতিখন মুখ্য কাৰ্যবাহী সদস্য আৰু অন্য কাৰ্যবাহী

সদস্যসকলৰে গঠিত। ই সংসদীয় গণতন্ত্ৰৰ কেবিনেট (cabinet) প্ৰথাৰ দৰে, জিলা পৰিষদ জিলা পৰ্য্যায়ত এক সুক্ষ্ম চৰকাৰৰ দৰে।

- ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত অসম চৰকাৰে স্বায়ত্ব শাসিত এলেকা লুচাই পাহাৰ জিলাৰ বাবে 'অসম স্বায়ত্বশাসিত জিলা (জিলা পৰিষদ গঠন) নীতি, ১৯৫১ ' আৰু 'পাৰি-লাখেৰ(আঞ্চলিক পৰিষদ গঠন) নীতি, ১৯৫২ ' প্ৰস্তুত কৰিছিল। এই নীতি অনুসৰি ক্ৰমে ১৯৫২ আৰু ১৯৫৩ চনত জিলা পৰিষদ তথা আঞ্চলিক পৰিষদ গঠন কৰা হৈছিল। উদ্দেশ্য আছিল অঞ্চলটোৰ অৰ্থনৈতিক উন্নয়ন সাধন কৰা,শৈক্ষিক বিকাশ ঘটোৱা, ভাষিকপ্ৰত্যাশা পূৰণ কৰা, সংশ্লিষ্ট জনজাতিবোৰৰ ভূমি অধিকাৰ-
- অসমত কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ পাহাৰীয়া জনসাধাৰণে এখন স্বায়ত্বশাসিত ৰাজ্যৰ কাৰণে কৰা দাবী উত্তৰ-পূৱৰ একেধৰণৰ আন্দোলনৰ লগত শিপাই আছে যিয়ে প্ৰথমতে নাগালেণ্ডক আৰু পাছত মিজোৰাম আৰু তাৰ পাছত মেঘালয়ক পৃথক ৰাজ্য হিচাপে গঠন হোৱাত সহায় কৰিছিল।
- নৱেম্বৰ, ১৯৫১ চনত যেতিয়া কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ (পাহাৰীয়া) বৰ্তমান ডিমা হাচাও নামে জনাজাত, দুখন জিলাই জিলা হিচাপে পৰিগণিত হৈছিল একত্ৰিত মিকিৰ আৰু উত্তৰ কাছাৰ পাহাৰ নামে জনা গৈছিল।

  ১৯৫২ চনত ভাৰতৰ সংবিধানৰ ষষ্ঠ অনু সূচীৰ অধীনত পৃথক জিলা পৰিষদ হিচাপে কাৰ্বি আৰু ডিমাচাসকলক স্বায়ত্ব শাসন প্ৰদান কৰা হৈছিল। তেতিয়া কাৰ্বি আংলং এক মহকুমা আছিল, আৰু ইয়াৰ নাম আছিল মিকিৰ পাবত্য জিলা আৰু ১৯৭১ চনত উত্তৰ কাছাৰ জিলাক ইয়াৰ পৰা পৃথক কৰি মিকিৰ পাৰ্বত্য জিলা হিচাপে পুনৰ নামাকৰণ কৰা হয়।
- ১৯৭৬ চনৰ পৰা জিলাখনৰ নাম কাৰ্বি আংলং ৰূপে সলনি কৰা হয়। এইদৰে কাৰ্বি আংলং অসমৰ এখন পূৰ্ণাংগ জিলাত পৰিণত হৈছিল। কাৰ্বি আংলঙৰ মুখ্য কাৰ্যালয় ডিফুত অৱস্থিত।
- একেদৰে, হাফলঙত মুখ্য কাৰ্যালয় পাতি উত্তৰ কাছাৰ পাৰ্বত্য এলেকাকো এখন পূৰ্ণাংগ জিলাৰ মৰ্যাদা দিয়া হৈছিল। বৰ্তমান এই জিলাখনৰ নতুন নাম হ'ল ডিমা হাচাও জিলা।
- দুয়োখন জিলাই ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত নীতিৰ অধীনত স্বায়ত্বশাসনৰ সুবিধা লাভ কৰিছে। কাৰ্বি আৰু ডিমাচাসকলে অসমৰ জনজাতি সম্প্ৰদায়বোৰৰ মাজত একোখন গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে।

  ১৯৫০ চনৰ দশকৰ মাজভাগত পাৰ্বত্য ৰাজ্য আন্দোলনৰ ৰূপত ৰাজ্যখনত পৃথক পাৰ্বত্য ৰাজ্য বিচাৰি কৰা দাবীৰ উত্থান ঘটিছিল। সৰ্বদলীয় পাৰ্বত্য নেতা সন্মিলনে নেতৃত্ব প্ৰদান কৰা পাৰ্বত্য ৰাজ্য আন্দোলনত কাৰ্বি আংলঙে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা নাছিল। অৱশ্যে দুয়োখন পাৰ্বত্য জিলাই আৱন্তণিৰে পৰা ক্ষমতাৰ ব্যাপকতৰ হস্তান্তৰৰ দাবী জনাই আহিছে।

- ১৯৭০ চনত যেতিয়া পৃথক ৰাজ্য মেঘালয় গঠন কৰা হৈছিল, কার্বি আংলং আৰু উত্তৰ কাছাৰ পার্বত্য জিলাক নতুন ৰাজ্য মেঘালয়ত যোগ দিয়াৰ বিকল্প প্রদান কৰা হৈছিল। কিন্তু এই দুখন জিলাই অসমত থকাৰেই সিদ্ধান্ত গ্রহণ কৰিছিল।
- ১৯৮০ ৰ দশকৰ মাজভাগৰ পৰা কার্বি আংলং জিলাৰ ৰাজনীতিত পুনৰ কার্বিসকলৰ নৃগোষ্ঠীয় পৰিচয় সুদৃঢ়কৰণৰ বিষয়টোৱে গুৰুত্ব লাভ কৰিলে। এই পৃষ্ঠভূমিতে উত্তৰ-কাছাৰ পার্বত্য আৰু কার্বি আংলং জিলাৰ বাসিন্দাৰ ভাষা, সংস্কৃতি তথা পৰম্পৰাক ৰক্ষণাবেক্ষণ দিয়াৰ স্বার্থত 'স্বায়ত্বশাসিত ৰাজ্য দাবী সমিতি' (Autonomous State Demand Committee or ASDC) নামৰ ছত্র সংগঠন এটাৰ জন্ম হৈছিল।
- উত্তৰ কাছাৰ আৰু কার্বি আংলং দুয়োখন পাহাৰীয়া জিলাৰ মানুহৰ ভাষা, সংস্কৃতি আৰু পৰম্পৰাক সুৰক্ষা প্রদান কৰাৰ উদ্দেশ্যে গঠিত 'স্বায়ত্বশাসিত ৰাজ্য দাবী সমিতি'যে ভাৰতীয়ে সংবিধানৰ ২৪৪ (A) অনুচ্ছেদৰ অধীনত কার্বি আংলং আৰু উত্তৰ কাছাৰ পাহাৰৰ কাৰণে এক স্বায়ত্বশাসিত ৰাজ্যৰ দাবী উত্থাপন কৰিছিল।
- ২৪৪ (A) অনুচ্ছেদ অসমৰ কিছুমান জনজাতীয় অঞ্চলেৰে এখন স্বায়ত্বশাসিত ৰাজ্য গঠন আৰু স্থানীয় বিধান মণ্ডল অথবা মন্ত্রী পৰিষদ অথবা দুয়োটা সৃষ্টিৰ লগত জড়িত। সেইদৰে, সংবিধানৰ ২৪৪ (A) অনুচ্ছেদ অনুসৰণ কৰি পূর্ণ মাত্রাত প্রশাসনিক আৰু ৰাজনৈতিক স্বায়ত্ব শাসন লাভৰ উপায় হিচাপে অসম ৰাজ্যৰ ভিতৰতে এখন স্বায়ত্ব শাসিত ৰাজ্যৰ দাবী আৰম্ভ কৰা হৈছিল।
- অসম ৰাজ্যৰ অতিৰিক্ত পুনৰ গঠন আৰু ভাগ বটোৱাৰাক বাধা দিবলৈ আৰু সংবিধানৰ ষষ্ঠ অনুসূচীৰ গাঁথনিৰ (framework) ভিতৰত এটা সমাধান উলিয়াবলৈ কেন্দ্রীয় গৃহ মন্ত্রীৰ উপস্থিতিত ১৯৯৫ চনৰ ১ এপ্রিলত এহাতে এফালে আছিল ASDC, কার্বি ছাত্র সন্থা (KSA), উত্তৰ কাছাৰ পার্বত্য ছাত্র ফেডাৰেশ্যন (NCHSF) , ডিমাচা ছাত্র সন্থা (DSU) আৰু আনহাতেদি অসম চকাৰৰ মাজত এক বুজাবুজিৰ চুক্তি (MoU) স্বাক্ষৰিত হৈছিল।
- ই কার্বি আংলংৰ স্বায়ত্ব শাসিত জিলা পৰিষদৰ ক্ষমতা আৰু কার্য্যাৱলীৰ অতিৰিক্ত বৃদ্ধি ঘটাইছিল আৰু আগলৈ, কার্বি আংলং স্বায়ত্ব শাসিত জিলা পৰিষদক কার্বি আংলং স্বায়ত্বশাসিত পৰিষদলৈ (KAAC) উন্নীত কৰা হৈছিল।
- একেদৰে, ১৯৯৫ চনৰ বুজাবুজিৰ স্মাৰক পত্রৰ অধীনত কার্বি আংলং স্বায়ত্বশাসিত পৰিষদক ৩০ টা বিষয়ৰ যাৱতীয় কাম-কাজবোৰ আগুৱাই নিয়াৰ দায়িত্ব দিয়া হৈছিল। এই কার্যাৱলী পৰিচালনা কৰিবলৈ অসম ৰাজ্যৰ কার্যবাহী ক্ষমতা সম্প্রসাৰিত কৰা হৈছিল।



১২.৮ অধিক জানিবলৈ

1. Konwar, Narayan. *Society and Politics In Assam*. Guwahati : Book Land.
2. Sengupta, Sarthar(ed.). *Tribal Studies in North East India*. New Delhi : Mittal Publications.
3. Kumar. B.B.(ed.). *Problems of Ethnicity in North East India*. New Delhi. Concept Publishing Company



১২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

ক) ষষ্ঠ অনুসূচীৰ লক্ষ্য হৈছে পাহাৰীয়া অঞ্চলৰ জনজাতীয় লোকক সিদ্ধান্ত গ্রহণৰ ক্ষেত্রত অংশ গ্রহণ কৰা আৰু তেওঁলোকৰ নিজৰ শাসন, আইনগতভাৱে নিশ্চিতকৰণৰ দ্বাৰা সবলীকৰণ কৰা। ই ক্ষমতাৰ বিকেন্দ্রীকৰণ আৰু তৃণমূল পর্য্যায়লৈ গণতন্ত্র বিস্তাৰ (expand) কৰা এক ব্যৱস্থা।

খ) ষষ্ঠ অনুসূচী থলুৱা লোকৰ পৰম্পৰা আৰু সংস্কৃতিৰ লগত/ সৈতে সুৰক্ষা প্রদান কৰা এক ব্যৱস্থা। জনজাতীয় লোকসকলে তেওঁলোকৰ নিজৰ সংস্কৃতি, পৰম্পৰা, সামাজিক ব্যৱস্থা আৰু প্রতিস্থানসমূহ সংৰক্ষণ কৰাটোত বৰ আগ্রহী আছিল আৰু তেওঁলোকৰ মাটি, অৰণ্য জান-জুৰি আৰু নদীৰ ওপৰত তেওঁলোকৰ কর্তৃত্ব স্থাপনত সচেতন আছিল যদিও তেওঁলোকৰ নিজৰ পৰিচয় সংৰক্ষিত ৰাখিব পৰাকৈ পর্যাপ্ত উপায় নাছিল। থলুৱা লোকৰ চহকী পৰম্পৰা সুৰক্ষিত আৰু বিকশিত কৰাতো প্রয়োজন। ষষ্ঠ অনুসূচীৰ অন্তৰালত জনজাতীয় লোকসকলক তেওঁলোকৰ নিজৰ এক সাধাৰণ আৰু কম খৰচী প্রশাসন ব্যৱস্থা প্রদান কৰা ধাৰণাটো আছিল যি তেওঁলোকৰ প্রথা, পৰম্পৰা, সামাজিক, নীতি নিয়ম আৰু জীৱন ধাৰণাৰ প্রক্রিয়াক সুৰক্ষা প্রদান কৰিব।

২ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্রশ্নৰ উত্তৰ ঃ ২৪৪ (A) অনুচ্ছেদ

৪ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ

১২.১০ আহি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীয়ে সামৰি লোৱা ৰাজ্যবোৰৰ নাম লিখক।

প্রশ্ন ২ঃ .....সমিতিৰ পৰামর্শাৱলী ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীৰ ধাৰা ২৪৪ (২) ত সন্নিৱিষ্ট কৰা হৈছে। (খালী ঠাই পূৰ কৰক)

প্রশ্ন ১ঃ সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তর্ভুক্ত অসমৰ পার্বত্য এলেকাৰ জনজাতি সম্প্রদায়বোৰৰ নাম লিখক।

প্রশ্ন ২ঃ কোন চনত (BTAD) এ স্বায়ত্বশাসন লাভ কৰিছিল?

(খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ উত্তৰ-পূৱ ফ্রণ্ট্রিয়াৰ (অসম) জনজাতি আৰু বাদ পৰা এলেকা সমিতিৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ঃ অসমত জিলা আৰু আঞ্চলিক পৰিষদবোৰ গঠনৰ প্রক্রিয়াটো চমুকৈ বর্ণনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ষষ্ঠ অনুসূচাৰ যিকোনো ছটা বৈশিষ্ট্য আলোচনা কৰক।

প্রশ্ন ২ঃ কার্বি আংলং আৰু উত্তৰ কাছাৰ পার্বত্য জিলাত স্বায়ত্বশাসন বিচাৰি চলা আন্দোলনবোৰ আলোচনা কৰক।

****

অধ্যায় ১৩ ঃ বড়োভূমিৰ আন্দোলন

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ বড়োভূমিৰ আন্দোলন
১৩.৩.১ বড়োভূমি আন্দোলনৰ পটভূমি
১৩.৩.২ বড়োভূমি গঠনৰ দাবী
১৩.৩.৩ নিষ্পত্তিৰ স্মাৰকপত্ৰ আৰু বড়োভূমি ক্ষেত্ৰীয় পৰিষদৰ গঠন
১৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৫ অধিক জানিবলৈ
১৩.৬ অগ্ৰগতিৰ খতিয়ান
১৩.৭ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বড়োসকলৰ জাতীয় পৰিচয়ৰ প্ৰকাশৰ বিষয়টো ব্যাখ্যা কৰিব পাৰিব
- উদয়াচল দাবী আৰু ৰোমান লিপি আন্দোলনৰ পৰিপ্ৰেক্ষিতত বড়োভূমি আন্দোলনৰ পটভূমিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বড়োভূমিৰ দাবী আৰু ইয়াৰ আন্দোলনৰ সৈতে সংলগ্ন ঘটনাসমূহৰ বৰ্ণনা কৰিব পাৰিব
- নিষ্পত্তিৰ স্মাৰক-পত্ৰ আৰু বড়ো ক্ষেত্ৰীয় পৰিষদ গঠনৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

বৰ্তমান সময়ৰ উত্তৰ-পূব ভাৰতৰ ৰাজনীতিৰ এক প্ৰধান বৈশিষ্ট্য হৈছে নিজ জনগোষ্ঠী, সম্প্ৰদায় আৰু ভাষাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা জাতীয় সচেতনতা। স্বায়ত্ব শাসনৰ দাবীসমূহ প্ৰায়ে এনে জাতীয় সচেতনতাৰ উদ্ভৱৰ সৈতে জড়িত। এনে জাতীয় অনুভূতিসমূহ সংগঠিত আন্দোলনৰ ৰূপত পিছলৈ গঢ় লৈ উঠে। এইটো অধ্যায়ত আমি অসমৰ ৰাজনৈতিক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ঘটনা— বড়োভূমিৰ আন্দোলনৰ বিষয়ে জানিবলৈ চেষ্টা কৰিম।

১৩.৩ বড়োভূমিৰ আন্দোলন

১৩.৩.১ বড়োভূমিৰ আন্দোলন পটভূমি

ৰাজনৈতিক স্বায়ত্ব শাসন লাভ কৰিবৰ অর্থে বড়ো সম্প্রদায়ৰ সমূহীয়া জাগৰণ আৰু এখন পৃথক বড়োভূমিৰ দাবী হ'ল প্রাক্ স্বাধীনতা কালৰ অসমৰ ৰাজনৈতিক ইতিহাসৰ এক উল্লেখযোগ্য ঘটনা। ইয়াৰ উপৰিও দেশৰ সামাজিক আন্দোলনৰ ইতিহাসত বড়োভূমিৰ সামাজিক ৰাজনৈতিক আন্দোলনে এক নতুন অধ্যায়ৰ সূচনা কৰে। বড়োভূমি আন্দোলনৰ পটভূমি সম্পর্কে তলত আলোচনা কৰা হ'ল—

- **ৰোমান লিপি আন্দোলন**

  আৰম্ভণিতে বড়ো জাতীয় পৰিচয়ৰ বিষয়টো ভাষাৰ সৈতেহে জড়িত আছিল। ১৯৫২ চনত কোকৰাঝাৰৰ ওচৰত বাসুগাঁওত বড়ো সাহিত্য সভা গঠন কৰা হৈছিল। ইয়াৰ উদ্বোধনী সভাৰ ঠিক পিছতেই বড়ো সাহিত্য সভাই তেতিয়াৰ মুখ্যমন্ত্রী শ্রীযুত বিষ্ণুৰাম মেধিক বড়ো অঞ্চলসমূহত বড়ো ভাষাক শিক্ষাৰ মাধ্যম হিচাপে ঘোষণা কৰিবলৈ এখন প্রস্তাৱ দাখিল কৰে। ইয়াৰ লগে লগেই বড়ো সাহিত্য সভাই কোকৰাঝাৰত এক বৃহৎ সমদলৰ আয়োজন কৰে। ১৯৬৩ চনত অসম চৰকাৰে বড়ো, কছাৰী অঞ্চলসমূহত বড়ো ভাষাক তৃতীয় শ্রেণীলৈ পৰিচয় ঘটায়। ১৯৬৬ চনত অসম চৰকাৰে যদিও অসমৰ মাধ্যমিক শিক্ষাস্তৰলৈ বড়ো ভাষাৰ প্রচলন ঘটায় তথাপিও এই আঁচনিয়ে কোনো সঠিক খোজ ল'বলৈ সক্ষম নহয়। এইটোৱে চাৰিওফালে এক অসন্তুষ্টিৰ সৃষ্টি কৰে আৰু বড়ো সাহিত্য সভাই আকৌ এবাৰ আন্দোলনৰ পথ গ্রহণ কৰে। পিছলৈ যেতিয়া ৰাজ্য চৰকাৰ আৰু বড়ো সাহিত্য সভাই বড়ো মাধ্যমৰ পৰিচয় ঘটাবলৈ এক সময় সীমিত আঁচনিৰ বাবে চুক্তি কৰে তেতিয়াহে এই সমস্যাটোৰ সমাধান হয়। ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইন যিয়ে অসমীয়াক একমাত্র চৰকাৰী ভাষা বুলি ঘোষণা কৰাৰ লগতে ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহত অসমীয়াক একমাত্র শিক্ষাৰ মাধ্যম হিচাপে দাবী কৰাটোৱে বড়ো নেতাসকলক পুনৰ আকৌ এবাৰ অসন্তুষ্ট কৰে আৰু ইয়াৰ ফলস্বৰূপে এক সত্যাগ্রহ আন্দোলন গঠন কৰা হয়। আভ্যন্তৰীণ সুৰক্ষা আইন (Maintenance of Internal Security Act) (MISA)ৰ অধীনত বহুতো বড়ো নেতাক গ্রেপ্তাৰ কৰা হয়। বড়ো স্বায়ত্ব শাসিত আন্দোলনে ১৯৭৪ চনত এক নতুন ৰূপ লয় যেতিয়া বড়োসকলে তেওঁলোকৰ ভাষাত ৰোমান লিপিৰ পৰিচয় ঘটোৱাটো বিচাৰে (১৮৮৬ চনৰ পৰাই বড়োসকলৰ ভাষাত ৰোমান ব্যৱহৃত হৈ আহিছে)। শেষত, কেন্দ্রীয় চৰকাৰৰ অনুৰোধত ভৈয়াম

জনজাতি পৰিষদ, অসম আৰু বড়ো সাহিত্য সভাই ১৯৭৫ চনৰ এপ্ৰিলত দেৱনাগৰী লিপি গ্ৰহণ কৰিবলৈ মান্তি হয়। সেইমতে অসম চৰকাৰে বড়ো ভাষাক কোকৰাঝাৰ আৰু ওদালগুৰি উপ-মহকুমাৰ সহযোগী চৰকাৰী ভাষা হিচাপে ঘোষণা কৰে।

- **উদয়াচল গঠনৰ দাবী**

অসমৰ ৰাজনৈতিক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ঘটনা হ'ল উদয়াচল গঠনৰ দাবী। ১৯৬৭ চনৰ ২৭ ফেব্ৰুৱাৰীত মদোৱাম ব্ৰহ্মৰ সভাপতিত্বত কোকৰাঝাৰত জনজাতীয় যুৱ নেতাসকলে 'ভৈয়াম জনজাতি পৰিষদ, অসম' (Plains Tribal Council of Assam) গঠন কৰে। ১৯৬৭ চনৰ ১৩ জানুৱাৰীত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে আগবঢ়োৱা অসমক এক সন্মিলিত ৰাষ্ট্ৰ হিচাপে পুনৰ গঠনৰ প্ৰস্তাৱৰ ভিত্তিত এই পৰিষদে অসমৰ ভৈয়াম জনজাতীয় লোকসকলৰ বাবে সমগ্ৰ উত্তৰ খণ্ডত এক ৰাজনৈতিক গোট গঠনৰ বাবে দাবী জনায়। অসমৰ পৰা পৃথক হোৱাৰ দাবীত পাৰ্বত্য নেতাসকলৰ দ্বাৰা গঠিত সদৌ পাৰ্বত্য নেতাৰ পৰিষদ (All Parties Hill Leaders Conference- APHLC)ৰ দ্বাৰা প্ৰভাৱিত হৈ ভৈয়াম জনজাতীয় নেতাসকলেও সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত অসম ৰাজ্যৰ ভিতৰতে এক স্বায়ত্ব শাসিত অঞ্চল গঠনৰ বাবে দাবী জনায়, যাক উদয়াচল নামেৰে নামকৰণ কৰা হয়। উদয়াচল গঠনৰ মূলতে আছিল জনজাতীয় লোকসকলে যাতে তেওঁলোকৰ নিজ ভূমিক সুৰক্ষা প্ৰদান কৰিব পাৰে আৰু তেওঁলোকৰ নিজস্ব ভাষিক, সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিচয় সুৰক্ষিত কৰি ৰাখিব পাৰে। আন্দোলনৰ এইটো স্তৰত পূৰ্ণ স্বায়ত্ব শাসন লাভ কৰিবৰ বাবে অহিংসাত্মক পন্থা গ্ৰহণ কৰা হৈছিল। আন্দোলনৰ সমৰ্থনকাৰীসকলে ১৯৬৭ চনৰ জুলাই মাহত আৰু ১৯৬৮ চনৰ মে' মাহত কোকৰাঝাৰ জিলাৰ পৰা লোকসভা আসনৰ বাবে অনুষ্ঠিত উপ-নিৰ্বাচন বৰ্জন কৰে। উদয়াচল গঠনৰ বাবে অনুষ্ঠিত আন্দোলনে বড়ো জনসাধাৰণৰ কনিষ্ঠ প্ৰজন্মক বাৰুকৈয়ে প্ৰভাৱিত কৰে আৰু তেওঁলোকক নিজৰ জাতীয় পৰিচয়ৰ প্ৰতি অধিক সচেতন কৰি তোলে।

১৩.৩.২ বড়োভূমি গঠনৰ দাবী

ঊনৈশ সোতৰ দশকৰ শেষৰফালে ভৈয়াম জনজাতি পৰিষদ অসমে তেওঁলোকৰ পূৰ্বৰ কেন্দ্ৰীয় শাসিত অঞ্চলৰ দাবীক তল পেলাই নতুনকৈ স্বায়ত্ব শাসিত অঞ্চলৰ দাবী জনায়। এই দাবীয়ে তেওঁলোকৰ দলৰ মাজতে বিবাদৰ সৃষ্টি কৰে আৰু বিনয় খুংগুৰ বসুমতাৰীৰ দ্বাৰা পৰিচালিত ভৈয়াম জনগোষ্ঠীয় পৰিষদে অসমৰ পৰা পৃথক

হোৱাৰ দাবী জনায়। একেসময়তে ১৯৭৯ চনত বড়োসকলে অসম আন্দোলনত সক্রিয়ভাৱে জড়িত হৈ পৰে। উপেন্দ্রনাথ ব্রহ্মৰ নেতৃত্বৰ অধীনত বড়োসকলে অসম আন্দোলনত সক্রিয়ভাৱে অংশগ্রহণ কৰে। ইয়াৰ উপৰিও আন্দোলনৰ পিছত যেতিয়া অগপ চৰকাৰ ক্ষমতালৈ আহে, উপেন্দ্রনাথ ব্রহ্মৰ সৈতে আন বড়ো নেতাসকলক কেবিনেটত কোনো স্থান প্রদান কৰা নহয়। যিটো বড়ো সম্প্রদায়ৰ লোকসকলে সহজে মানি ল'ব নোৱাৰে। একেসময়তে অসমৰ জনসাধাৰণক পৰিচালিত কৰাৰ ক্ষেত্রত অসম আন্দোলনৰ নেতাসকলৰ সফলতাই বড়োসকলৰ বিশেষকৈ যুৱকসকলৰ দৃষ্টি আকর্ষণ কৰে। উপেন্দ্রনাথ ব্রহ্মই সদৌ বড়ো ছাত্র সন্থাৰ (All Bodo Students' Union– ABSU বা আবছু) সভাপতিত্ব গ্রহণ কৰাটোৱে বড়োসকলৰ ৰাজনৈতিক ইতিহাসত এক নতুন যুগৰ সূচনা কৰে। ১৯৮৭ চনৰ শেষৰ ফালে আবছুৱে বড়োভূমি নামেৰে বড়োসকলৰ এক পৃথক ভূমিৰ দাবী জনাবৰ বাবে এক গণ আন্দোলন গঢ়ি তোলাৰ প্রস্তুতি সম্পূর্ণ কৰি তোলে। ১৯৮৭ চনৰ ২ মার্চত উপেন্দ্রনাথ ব্রহ্মৰ অধীনত আবছুৱে ব্রহ্মপুত্রৰ উত্তৰ পাৰত অসমৰ বাহিৰত এক পৃথক বড়োভূমি গঠনৰ বাবে এক গণতান্ত্রিক আৰু শান্তিপূর্ণ গান্ধীবাদী গণ আন্দোলনৰ আৰম্ভণি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। আবছুৱে এই আন্দোলন আগবঢ়াই নিবলৈ বড়ো পিপলচ্ একশ্বন কমিটি (Bodo Peoples' Action Committee BPAC) নামেৰে এক ৰাজনৈতিক সংগঠনৰ সৃষ্টি কৰে। আবছু আৰু BPAC-এ আন্দোলন এই শ্লোগানেৰে আৰম্ভ কৰে— 'অসমক ৫০-৫০ ভাগত ভাগ কৰক। জাতীয় পৰিচয়ৰ এই আন্দোলন ৭০ চনৰ উদয়াচল আন্দোলনতকৈ অধিক সক্রিয় আৰু তীক্ষ্ণ আছিল, যিটোৱে অসমৰ সকলো পার্বত্য জনগোষ্ঠীৰ বাবে এখন মাতৃভূমিৰ দাবী জনাইছিল। কিন্তু বড়োভূমিৰ আন্দোলনে 'এক বৃহৎ জাতীয়তাবাদ' গঠনৰ দিশে আগবাঢ়িছিল য'ত অসমৰ সকলো পার্বত্য জনগোষ্ঠীৰ লগতে অ-বড়ো জনগোষ্ঠীৰ লোকসকলকো অর্ন্তভুক্ত কৰিছিল।

আবছুৱে অসমৰ ভৈয়াম জনগোষ্ঠীয় লোকসকলৰ বাবে ব্রহ্মপুত্রৰ উত্তৰ পাৰত এখন পৃথক ৰাজ্য গঠনৰ বাবে দাবী জনাইছিল। ইয়াৰ উপৰিও আবছুৱে কার্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ অ-কার্বি জনগোষ্ঠীৰ বাবে এক আঞ্চলিক পৰিষদ গঠনৰ বাবেও দাবী জনাইছিল। সদৌ অসম সংখ্যালঘু ছাত্র সন্থা (আমছু) আৰু সদৌ কাছাৰ কৰিমগঞ্জত ছাত্র সন্মিলনে আবছুৰ আন্দোলনলৈ নৈতিক সহাঁৰি প্রদান কৰিছিল। অসম চাহ জনগোষ্ঠীয় ছাত্র সংগঠন আৰু ৰাভা ছাত্র সংগঠনকে ধৰি আন বহুতো সংগঠনে বড়ো লোকসকলৰ ওপৰত হোৱা আৰক্ষীৰ আতিশায্যক ভৎর্সনা দিছিল। প্রদর্শনী, বিৰোধিতা, ধর্মঘট, পথ অৱৰোধ আদি কার্যসূচী আবছুকে ধৰি আন বহুতো সংগঠনেও পালন কৰিছিল। আবছুৱে জিলা আৰু উপ-মহকুমাধিপতিৰ কার্যালয়ৰ লগতে জিলা উপায়ুক্ত, অতিৰিক্ত জিলা উপায়ুক্তৰ কার্যালয়ৰ সন্মুখত এক গণ অনশন ধর্মঘটৰ কার্যসূচী গ্রহণ

কৰিছিল। ইয়াৰ লগে লগেই আবছুৱে অসম চৰকাৰৰ সৈতে এক আলোচনাত মিলিত হয় আৰু অসমৰ মুখ্যমন্ত্রী প্রফুল্ল কুমাৰ মহন্তৰ সৈতে আলোচনাৰ পিছত আবছুৱে ইয়াৰ দাবীসমূহ কম কৰি কেৱল তিনিটা দাবীতহে মনোযোগ দিবলৈ সিদ্ধান্ত গ্রহণ কৰে। এই দাবীসমূহৰ ভিতৰত প্রধান দাবীটো হৈছে— ভৈয়াম জনজাতীয় লোকসকলৰ বাবে ব্রহ্মপুত্রৰ উত্তৰ পাৰত "বড়োভূমি" (Bodoland) নামেৰে এক পৃথক ৰাজ্য সৃষ্টি কৰা য'ত ব্রহ্মপুত্র নৈ খনক প্রাকৃতিক সীমা হিচাপে ব্যৱহাৰ কৰা হ'ব।

বড়োভূমি নামেৰে এক পৃথক ৰাজ্য গঠনৰ দাবীয়ে অসমৰ বড়ো অধিকৃত অঞ্চলৰ বড়োসকলৰ সহাঁৰি লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ পিছৰ পর্যায়ত বড়ো আন্দোলনে এক হিংসাত্মক ৰূপ ল'বলৈ আৰম্ভ কৰে। বড়ো যুৱকসকলৰ এটা অংশই লগে লগেই হাতত অস্ত্র তুলি লয়।সেই একে সময়তে বড়ো চিকিউৰিটি ফ'র্চ (Bodo Security Force-BdSF)-ৰ যাক বর্তমান নেচনেল ডেমক্রেটিক ফ্রণ্ট অফ আসাম (National Democratic Front of Assam NDFB বুলি জনা যায়) গঠনে ইতিমধ্যেই ৰাজনৈতিক প্রচেষ্টাৰ উপৰিও সমান্তৰালকৈ এক সশস্ত্র আন্দোলনৰ আৰম্ভণি কৰিছিল।

বহু কেইবছৰৰ হিংসাত্মক আন্দোলনৰ পিছত ভাৰতবর্ষৰ চৰকাৰ আৰু অসম চৰকাৰে কেইটামান মুখ্য বড়ো সংগঠনৰ সৈতে এক চুক্তিৰ মাজেৰে বুজাবুলিলৈ আহে। ১৯৯৩ চনৰ ২০ ফেব্রুৱাৰীৰ দ্বিপাক্ষিক বড়ো সন্ধিৰ মতে অসমৰ ভিতৰতে এক বড়ো স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হয় যাৰ ফলত পৰিষদে ভাৰতীয় সংবিধানৰ গাঁথনিৰ অধীনত সর্বোচ্চ স্বায়ত্ব শাসন লাভ কৰে। এইটো প্রস্তাৱ কৰা হৈছিল যে বড়ো স্বায়ত্ব শাসিত পৰিষদে চাংকাচ মাজবাট আৰু পানচৈ নদীৰ মাজৰ নিকটৱর্তী অঞ্চলসমূহো অর্ন্তভুক্ত কৰিব। এই চুক্তিখন সফল হ'ব নোৱাৰিলে কাৰণ ইয়াৰ কিছুমান দৰকাৰী সুবিধা ৰূপায়ণ কৰা নহয় আৰু লগতে বড়ো নেতা আৰু ভিন্ন বড়ো দলৰ মাজত হোৱা কাজিয়াই বড়ো স্বায়ত্ব শাসিত পৰিষদৰ মাজত স্থিৰতা অনাত অসন্তুৰ কৰি তোলে। সন্ধিখন চুক্তি হোৱাৰ পাঁচ বছৰ পিছত বড়ো স্বায়ত্ব শাসিত পৰিষদৰ বাবে কোনো নির্বাচন অনুষ্ঠিত হোৱা নাছিল (পৰিষদৰ প্রাৰম্ভিক কার্যকৰী সময় কেতিয়াবাই শেষ হৈছিল)। স্বায়ত্ব শাসিত জনগোষ্ঠীয় অঞ্চলৰ সীমা সম্পর্কে কোনো উপযুক্ত সীমা যুগুত কৰা হোৱা নাছিল (চংকোচ আৰু মাজবাট পাচনৈ নদীৰ মাজৰ নিকটৱর্তী ভৌগোলিক অঞ্চলসমূহ সামৰি)। ইয়াৰ ফলস্বৰূপে বড়ো স্বায়ত্ব শাসিত পৰিষদৰ চৰকাৰী সীমা অনিশ্চিত হৈ ৰয়। ১৯৯৬ চনত বড়ো নেতাসকলে বড়ো স্বায়ত্ব শাসিত পৰিষদৰ ধাৰণাটো পৰিত্যাগ কৰে আৰু তাৰ সলনি এক পৃথক বড়ো ভূমিৰ প্রতিহে অধিক মনোযোগ দিয়ে।

এই চুক্তিৰ পৰৱর্তী সময়ছোৱাত একাংশ বড়ো যুৱকে অস্ত্র পৰিত্যাগ কৰিবলৈ অস্বীকাৰ কৰে কাৰণ তেওঁলোকে সন্ধিত স্বাক্ষৰিত হোৱা আঁচনিসমূহ মানি ল'ব পৰা

নাছিল আৰু যাৰ ফলত অন্য এক বৃহৎ ৰাজনৈতিক স্বায়ত্ব শাসন লাভৰ অৰ্থে প্ৰেম সিং ব্ৰহ্মৰ নেতৃত্বত বড়ো লিবাৰেচন টাইগাৰচ্ ফ'ৰ্চ (Bodo Liberation Tigers Force-BLTF) গঠন কৰা হয়। এই দুই সশস্ত্ৰ বিদ্রোহী বাহিনী- BdSF আৰু BLTF বড়ো সম্প্রদায়ৰ দুখ-কষ্ট আৰু দাবীসমূহক লৈ আৰু বড়ো সম্প্রদায়ৰ বাবে এক পৃথক মাতৃভূমিৰ আন্দোলন গঢ়ি তোলাৰ বাবে আঁচনি প্রস্তুত কৰাৰ ক্ষেত্রত ইটোৱে-সিটোৰ পৰা পৃথক আছিল। BLTF-এ বড়োসকলৰ বাবে অসম ৰাজ্যৰ ভিতৰতে এক পৃথক বড়োভূমিৰ দাবী জনাইছিল, আনহাতে BdSF-এ ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন হৈ সাৰ্বভৌমত্ব দাবী কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত আন্দোলনে এক একচেটীয়া ভূমিকা পালন কৰিবলৈ আৰম্ভ কৰিছিল। বড়োভূমিৰ চুক্তি সোনকালেই ভাঙি পৰে আৰু লগে লগেই বড়ো অঞ্চলসমূহত হিংসা বিয়পি পৰে। আন্দোলন বাঢ়ি যোৱাৰ লগে লগে হিংসাৰ পৰিমাণো বৃদ্ধি হয়। আক্রান্ত অঞ্চলসমূহত বিদ্যালয়, বজাৰ, দলং আদিত হোৱা আক্রমণে মানুহৰ সাধাৰণ জীৱন-যাপন বিষময় কৰি তোলে। বড়ো সশস্ত্ৰ বাহিনীয়ে প্রস্তাৱিত বড়োভূমিৰ অঞ্চলসমূহত হিংসাত্মক কাৰ্যকলাপ, বলপূৰ্বক ধন দাবী, অপহৰণ আদিৰ দ্বাৰা এক সন্ত্রাসৰ অভিযান আৰম্ভ কৰিছিল। সিহঁতে কেন্দ্রীয় তথা ৰাজ্য চৰকাৰৰ ওপৰত হেঁচা দিবলৈ বিদ্যালয় গৃহ, বজাৰ, ৰেল ষ্টেচন, ৰাস্তা, ঘাট ইত্যাদিত আক্রমণ চলাইছিল। বাছ, বজাৰ আৰু জন আস্থানসমূহত বোমা বিস্ফোৰণৰ ফলত বহুতো নিৰীহ জনতাই প্রাণ হেৰুৱাবলগীয়া হৈছিল। ১৯৯৬ চনৰ মে' মাহত আদিবাসী সম্প্রদায়ৰ ওপৰত হোৱা আক্রমণত কোকৰাঝাৰ, বঙাইগাঁও আৰু ধুবুৰী জিলাৰ একলাখতকৈও অধিক লোকে নিজৰ ঘৰ-বাৰী হেৰুৱাব লগাত পৰিছিল। এইখিনিতে উল্লেখনীয় যে ইংৰাজসকলে আদিবাসীসকলক ভাৰতবৰ্ষৰ মধ্য আৰু পূব প্রান্তৰ পৰা অসমলৈ চাহ বাগিচাসমূহত কাম কৰিবলৈ অনা সময়ৰে পৰাই আদিবাসীসকলে বড়োসকলৰ সৈতে সহ অৱস্থান কৰি আহিছে। ১৯৯৮ চনত হোৱা দ্বিতীয় পৰ্যায়ৰ আক্রমণে আৰু অধিক লোকক স্থানান্তৰিত কৰে। ইয়াৰ উপৰিও বড়ো সশস্ত্ৰ বাহিনীৰ মাজত ভাতৃঘাতী ঘটনাও সংঘটিত হৈছিল। ইয়াৰ ফলত, বহুত বড়ো লোকেও এই হিংসাত্মক কাৰ্য-কলাপত মৃত্যুবৰণ কৰাৰ লগতে ঘৰ-বাৰী হেৰুৱাব লগাত পৰে। ইয়াৰ লগতে আদিবাসী আৰু অ-বড়োসকলৰ একাংশই প্রতিযুদ্ধ কৰিবলৈ অস্ত্র হাতত লয়। ইয়াৰ ফলত বড়োসকলৰ সংখ্যা কম থকা অঞ্চলসমূহত বড়ো লোকসকলে ভয়ত ঘৰ এৰি গুচি যায়। এই সমগ্র ঘটনাসমূহৰ ফলতেই আন্তঃব্যক্তিগত আৰু আন্তঃসাম্প্রদায়িক সম্পৰ্ক কলুষিত হৈ পৰে। এই পটভূমিৰ পৰিপ্রেক্ষিতত, অ-বড়ো সম্প্রদায়ৰ লোকসকলে বড়োভূমি আন্দোলনক একচেটিয়া বুলি গণ্য কৰিবলৈ লয় আৰু যাৰফলত আবছুৰ এই আন্দোলনৰ প্রতি অ-বড়ো লোকসকলৰ সমৰ্থন লাহে লাহে কমি আহে। এই বৃহৎ পৰিমাণৰ হিংসাত্মক কাৰ্য-কলাপে কৱল হত্যা, ধৰ্ণা, ব্যক্তিগত আৰু জন সম্পত্তিৰ

ধ্বংস আৰু জনসাধাৰণৰ আভ্যন্তৰীণভাৱে হোৱা স্থানান্তৰণৰ মাজেৰেই নহয়, আনকি জনজীৱনৰ আন আন ক্ষেত্রসমূহৰ মাজেৰেও প্রতিফলিত হৈছিল। কেন্দ্রীয় চৰকাৰে সেয়েহে সশস্ত্র বিদ্রোহী বাহিনীসমূহৰ সৈতে এক আলোচনাত মিলিত হোৱাৰ সিদ্ধান্ত গ্রহণ কৰে। দুয়োটা সশস্ত্র বিদ্রোহী বাহিনী (BLTF আৰু NDFB)য়ে এই আলোচনা প্রক্রিয়াত অংশগ্রহণ কৰিছিল। কেন্দ্র চৰকাৰে পোন প্রথমতে Bodo Liberation Tiger Force-ৰ সৈতে আলোচনাত মিলিত হৈছিল যিয়ে এক পৃথক বড়োভূমিৰ বাবে এক সশস্ত্র সংগ্রাম গঢ়ি তুলিছিল। এই আলোচনা ২০০০ চনতে আৰম্ভ হৈছিল আৰু ২০০১ চনৰ নৱেম্বৰ মাহলৈকে ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু Bodo Liberation Tiger Force-ৰ মাজত কেইবাটাও স্তৰত এই ত্রিপাক্ষিক আলোচনা অনুষ্ঠিত কৰা হৈছিল। এই আলোচনাত BLTF-এ ষষ্ঠ অনুসূচীৰ দাবী কৰে। ই সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত এক প্রশাসনিক গাঁথনি সৃষ্টিৰ বাবে প্রস্তাৱ দাঙি ধৰে যিটোৱে বড়ো স্বায়ত্ব শাসিত পৰিষদৰ সলনি স্থান ল'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বড়ো সাহিত্য সভা কোন চনত গঠন কৰা হৈছিল?

.....

প্রশ্ন ২ ঃ ১৯৭৫ চনৰ এপ্রিলতকোনখন লিপি ভৈয়াম জনজাতীয় পৰিষদ, অসম সাহিত্য সভা আৰু বড়ো সাহিত্য সভাই গ্রহণ কৰিবলৈ মান্তি হৈছিল?

.....

প্রশ্ন ৩ ঃ ১৯৬০ চনত অসমৰ ভৈয়াম জনগোষ্ঠীৰ নেতাসকলে দাবী জনোৱা স্বায়ত্ব শাসিত অঞ্চলটোৰ নাম কি আছিল?

.....

প্রশ্ন ৪ ঃ MISA ৰ সম্পূর্ণ নাম কি ?

.....

প্রশ্ন ৫ ঃ কাৰ নেতৃত্বত আবছুৱে এক পৃথক বড়োভূমি সৃষ্টিৰ বাবে এক গান্ধীবাদী আন্দোলনৰ আৰম্ভণি ঘোষণা কৰিছিল?

.....

প্রশ্ন ৬ ঃ বড়ো স্বায়ত্ব শাসিত পৰিষদ গঠনৰ বাবে প্রদান কৰা দ্বি-পাক্ষিক চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল?

.....

১৩.৩.৩ নিষ্পত্তিৰ স্মাৰকপত্ৰ (Memorandum of Settlement) আৰু বড়োভূমি ক্ষেত্ৰীয় পৰিষদৰ (Bodoland Territorial Council BTC) গঠন

২০০৩ চনৰ ফেব্ৰুৱাৰী মাহৰ ১০ তাৰিখে BLTF-ৰ সৈতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা স্বাক্ষৰিত হোৱা নিষ্পত্তিৰ স্মাৰকপত্ৰৰ ফলস্বৰূপে বড়োভূমিৰ আন্দোলনে অৱশেষত অন্তিম পৰ্যায়ত উপনীত হয় আৰু লগে লগে অসমত বড়োভূমি ক্ষেত্ৰীৰ পৰিষদ (Bodoland Territorial Council-BTC) নামৰ এক স্বায়ত্ব শাসিত পৰিচালন পৰিষদ গঠন কৰা হয় আৰু এই পৰিষদক সাংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত এক সাংবিধানিক সুৰক্ষা প্ৰদান কৰা হয়। এইটোও উল্লেখ কৰিব পাৰি যে অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰামৰ জনগোষ্ঠীয় অঞ্চলবোৰ ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত সংলগ্নিত তালিকাত উল্লেখ কৰা হৈছে। অসমৰ জনগোষ্ঠীয় অঞ্চলসমূহ উত্তৰ কাছাৰ পাৰ্বত্য জিলা আৰু কাৰ্বি আংলং জিলাৰ অন্তৰ্গত। সেই অনুসৰি, ষষ্ঠ অনুসূচী কেৱল অসমৰ পাহাৰীয়া অঞ্চলবোৰৰ কাৰণেহে প্ৰযোজ্য হয়। সেয়েহে ষষ্ঠ অনুসূচীৰ কিছু সংশোধনী ঘটোৱা হৈছিল কাৰণ বড়োসকল আছিল ৰাজ্যখনৰ ভৈয়ামত বসবাস কৰা এটা জনগোষ্ঠীয় সম্প্ৰদায়। বড়োভূমি ক্ষেত্ৰীয় পৰিষদৰ অধীনৰ অঞ্চলসমূহক বড়োভূমি ক্ষেত্ৰীয় জিলা (Bodo Territorial Area Districts-BTAD) নামেৰে জনা যায়। এই পৰিষদে ২০০৩ চনৰ বড়ো স্বায়ত্ব শাসিত পৰিষদত উল্লেখ কৰা অনুসৰি ইয়াৰ অধীনস্থ বিভাগসমূহৰ ওপৰত শাসন আৰু ক্ষমতা প্ৰকাশ কৰিব পাৰে, কিন্তু ই জিলা প্ৰশাসনক নিয়ন্ত্ৰণ নকৰে। BLTF-ক ২০০৩ চনত এক সশস্ত্ৰ সংগঠন হিচাপে বৰ্জন কৰা হয়। সন্ধিমতে এক অন্তৰ্বৰ্তীকালীন বড়ো স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হৈছিল আৰু ই হাগ্ৰামা মহিলাৰীৰ দ্বাৰা পৰিচালিত হৈছিল।

বিভিন্ন অনাবড়ো সংগঠনে BTC-ৰ গঠনক লৈ বিৰোধিতা কৰিছিল আৰু ১৮টা অনাবড়ো সংগঠনে একেলগে স্বাক্ষৰিত সন্ধিটোৰ বিৰোধিতা কৰিবলৈ সন্মিলিত জনগোষ্ঠীয় সংগ্ৰাম সমিতি (STSS) গঠন কৰিছিল। সন্ধি স্বাক্ষৰিত হোৱাৰ পিছতো তেওঁলোকে BTC অঞ্চলৰ অনাবড়োসকলৰ সহযোগিতাত কেতবোৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল। অনাবড়োসকলে আঙুলিয়াই দিছিল যে প্ৰস্তাৱিত BTC অঞ্চলৰ মুঠ জনসংখ্যাৰ অধিকাংশই অনাবড়োসকলৰ দ্বাৰা গঠিত। অনাবড়োসকলে দাবী কৰে যে অনাবড়ো সম্প্ৰদায়ৰ অধিকাৰ আৰু দাবীৰ নিৰাপত্তাৰ স্বাৰ্থত উপযুক্ত সুৰক্ষা সুনিশ্চিত কৰিব লাগে।

BTC-ৰ প্ৰথম নিৰ্বাচন অনুষ্ঠিত হৈছিল ২০০৫ চনৰ ১৩ মে'ত। নিৰ্বাচনৰ এমাহ আগত বড়োলেণ্ড পিপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (Bodoland Peoples Progressive Front-BPPF) নামৰ এটা ৰাজনৈতিক দল গঠিত হৈছিল। আবছু আৰু ভংগ হোৱা BLT-

ৰ কিছুসংখ্যক সদস্যৰ দ্বাৰা এই ৰাজনৈতিক দলটো গঠিত হৈছিল। BPPF-ৰ প্ৰথমজন সদস্য আছিল ৰবিৰাম নাৰ্জাৰী। যি কি নহওঁক, BPPF-ৰ নিজৰ দলৰ মাজতে মতবিৰোধ ঘটাৰ ফলত দলটো দুই ভাগত বিভক্ত হৈ পৰে— ইয়াৰে এটা গোট পৰিচালনা কৰে আবছুৰ পূৰ্বৰ সদস্যসকলে আৰু আনটো পৰিচালনা কৰে BLT-ৰ পূৰ্বৰ সদস্যসকলে। BPPF-ৰ এই গোটটো BTC-ৰ পূৰ্বৰ মুখ্য নেতা আৰু অন্তৰ্ৱৰ্তীকালীন BTC-ৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা হিলাৰীৰ দ্বাৰা পৰিচালিত হয়। ইয়াৰ পৰৱৰ্তী নিৰ্বাচনত হাগ্ৰামা মহিলাৰী নৱ-নিৰ্বাচিত BTC-ৰ নেতা হিচাপে নিৰ্বাচিত হয়।



জানি থোৱা ভাল

বড়োভূমি ক্ষেত্ৰীয় পৰিষদ (BTC)ৰ নিষ্পত্তিৰ স্মাৰকপত্ৰ (Memorandum of Settlement) মতে BTC-ত এখন কাৰ্যবাহী পৰিষদ থাকিব। ইয়াৰ কাৰ্যবাহী সদস্যৰ সংখ্যা ১২ জনতকৈ অধিক হ'ব নোৱাৰিব। সদস্যসকলৰ মাজৰে এগৰাকী মুৰব্বী আৰু আন এগৰাকী উপ-মুৰব্বী হ'ব। কাৰ্যবাহী পৰিষদত উপযুক্তসংখ্যক অনাবড়ো সদস্য থাকিব। BTC এলেকাত স্বীকৃত সন্মানবিধিৰ ক্ষেত্ৰত (protocol purposes) পৰিষদৰ মুৰব্বী আৰু উপ-মুৰব্বীৰ আনুষ্ঠানিক পদমৰ্যাদা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰীৰ সমপৰ্যায়ৰ হ'ব। অন্য সদস্যসকলৰ আনুষ্ঠানিক পদমৰ্যাদা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰীৰ সমপৰ্যায়ৰ হ'ব। অসম চৰকাৰে BTC-ক অৰ্পণ কৰা কিছুমান কাৰ্যবিভাগ হ'ল— ক্ষুদ্ৰ, কুটীৰ আৰু গ্ৰাম্য উদ্যোগ, পশুপালন আৰু পশুচিকিৎসা, বন, কৃষি, গড়কাপ্তানি ইত্যাদি। BTC-ক উন্নয়নমূলক কাম-কাজ চলাই নিবৰ বাবে অসম চৰকাৰে জনসংখ্যাৰ অনুপাতৰ আধাৰত প্ৰতিবছৰে অনুদানৰ পৰিমাণ নিৰ্ণয় কৰিব। এই অনুদান দুটা সমান কিস্তিত আদায় দিয়া হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ ২০০৩ চনৰ নিষ্পত্তিৰ স্মাৰকপত্ৰ কাৰ মাজত স্বাক্ষৰিত হৈছিল?

.....

প্ৰশ্ন ৮ ঃ বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ অধিকাৰগত অঞ্চলক কি বুলি জনা যায়?

.....

.....



১৩.৪ অধ্যায়টিৰ পৰা কি শিকিলোঁ

- অসমত জনগোষ্ঠীয় স্বার্থক কেন্দ্র কৰি গঢ় লৈ উঠা অস্তিত্বৰ ৰাজনীতিৰ বিষয়টো হ'ল একপ্রকাৰ এক জটিল বিষয়।
- ৰাজনৈতিক আন্দোলনৰ লগতে সশস্ত্র আন্দোলনো হৈছে অসমৰ জাতীয়তাৰ পৰিচয়ভিত্তিক ৰাজনীতিৰ এক উল্লেখনীয় বৈশিষ্ট্য।
- ৰাজনৈতিক স্বায়ত্ব শাসনৰ অর্থে বড়ো সম্প্রদায়ৰ সমূহীয়া জাগৰণ আৰু এখন পৃথক বড়োভূমিৰ দাবী হ'ল প্রাক্-স্বাধীনতা কালৰ অসমৰ ৰাজনৈতিক ইতিহাসৰ এক উল্লেখযোগ্য ঘটনা।
- আৰম্ভণিতে, বড়ো জাতীয় পৰিচয়ৰ বিষয়টো ভাষাৰ সৈতেহে জড়িত আছিল। ১৯৫২ চনত কোকৰাঝাৰৰ ওচৰৰ বাসুগাঁওত বড়ো সাহিত্য সভা গঠন কৰা হয়।
- ১৯৬০ চনৰ অসম চৰকাৰী ভাষা আইনে অসমত অসমীয়াক একমাত্র চৰকাৰী ভাষা হিচাপে ঘোষণা কৰাৰ লগতে ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহত অসমীয়াক একমাত্র শিক্ষাৰ মাধ্যম হিচাপে প্রচলন কৰাত দাবী জনায়। যিটোৱে বড়ো নেতাসকলক পুনৰ ওভতাই দিয়ে।
- শেষত, কেন্দ্রীয় চৰকাৰৰ অনুৰোধত ভৈয়াম জনজাতি পৰিষদ, অসম আৰু বড়ো সাহিত্য সভাই ১৯৭৫ চনৰ এপ্রিলত দেৱনাগিৰি লিপি গ্রহণ কৰিবলৈ মান্তি হয়।
- অসম চৰকাৰে বড়ো ভাষাক কোকৰাঝাৰ আৰু ওদালগুৰি উপ মহকুমাত সহযোগী চৰকাৰী ভাষা হিচাপে ঘোষণা কৰে।
- ১৯৬৭ চনৰ ২৭ ফেব্রুৱাৰীত মদোৱাম ব্রহ্মৰ সভাপতিত্বত জনজাতীয় যুৱ নেতাসকলে কোকৰাঝাৰত ভৈয়াম জনজাতি পৰিষদ, অসম গঠন কৰে।
- ভৈয়াম জনজাতীয় নেতাসকলে সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত অসম ৰাজ্যৰ ভিতৰতে এক স্বায়ত্ব শাসিত অঞ্চল গঠনৰ বাবে দাবী জনায়, যাক উদয়াচল নামেৰে নামকৰণ কৰা হয়।
- ১৯৮৭ চনৰ শেষৰ ফালে আবছুৱে বড়োভূমি নামেৰে বড়োসকলৰ এক পৃথক ভূমিৰ দাবী জনাবৰ বাবে এক গণ আন্দোলন গঢ়ি তোলাৰ প্রস্তুতি সম্পূর্ণ কৰি তোলে।
- ১৯৮৭ চনৰ ২ মার্চত উপেন্দ্রনাথ ব্রহ্মৰ অধীনত আবছুৱে ব্রহ্মপুত্রৰ উত্তৰ পাৰত অসমৰ বাহিৰত এক পৃথক বড়োভূমি গঠনৰ বাবে এক গণতান্ত্রিক আৰু শান্তিপূর্ণ গান্ধীবাদী গণ আন্দোলনৰ আৰম্ভণি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। আবছুৱে এই আন্দোলন আগবঢ়াই নিবলৈ Bodo Peoples' Action Committe (BPAC) নামেৰে এক ৰাজনৈতিক

সংগঠনৰ সৃষ্টি কৰে। আবছু আৰু BPAC-এ আন্দোলন এই শ্লোগানেৰে আৰম্ভ কৰে— 'অসমক ৫০-৫০ ভাগত ভাগ কৰক।'

- আবছুৱে অসমৰ ভৈয়াম জনগোষ্ঠীয় লোকসকলৰ বাবে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত এক পৃথক ৰাজ্য গঠনৰ বাবে দাবী জনাইছিল। ইয়াৰ উপৰিও আবছুৱে কার্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ অ-কার্বি জনগোষ্ঠীৰ বাবে এক আঞ্চলিক পৰিষদ গঠনৰ বাবেও দাবী জনাইছিল।
- Bodo Security Force-BdSF) ৰ (যাক বৰ্তমান National Democratic Front of Assam বুলিও জনা যায়) গঠনে ৰাজনৈতিক প্ৰচেষ্টাৰ উপৰিও সমান্তৰালকৈ এক সশস্ত্ৰ আন্দোলনৰ আৰম্ভণি কৰিছিল।
- বহু কেইবছৰৰ হিংসাত্মক আন্দোলনৰ পিছত ভাৰতবৰ্ষৰ চৰকাৰ আৰু অসম চৰকাৰে কেইটামান মুখ্য বড়ো সংগঠনৰ সৈতে এক চুক্তিৰ মাজেৰে বুজাবুজিলৈ আহে। ১৯৯৩ চনৰ ২০ ফেব্ৰুৱাৰীৰ দ্বি-পাক্ষিক বড়ো সন্ধিৰ মতে অসমৰ ভিতৰতে এক বড়ো স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হয়।
- এই চুক্তিখনে সফলতা লাভ কৰিব নোৱাৰিলে কাৰণ ইয়াৰ কিছুমান দৰকাৰী সুবিধা ৰূপায়ণ কৰা নহয় আৰু লগতে বড়ো নেতা আৰু ভিন্ ভিন্ বড়ো দলৰ মাজত হোৱা কাজিয়াই বড়ো স্বায়ত্ব শাসিত পৰিষদৰ মাজত স্থিৰতা অনাত অসম্ভৱ কৰি তোলে।
- এই চুক্তিৰ পৰৱৰ্তী সময়ছোৱাত ৰাজনৈতিক স্বায়ত্ব শাসন লাভৰ অৰ্থে প্ৰেম সিং ব্ৰহ্মৰ নেতৃত্বত Bodo Liberation Tigers Force (BLTF) গঠন কৰা হয়।
- BLTF-এ বড়োসকলৰ বাবে অসম ৰাজ্যৰ ভিতৰতে এক পৃথক বড়োভূমিৰ দাবী জনাইছিল, আনহাতে BdSF-এ ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন হৈ সাৰ্বভৌমত্ব দাবী কৰিছিল।
- কেন্দ্ৰীয় চৰকাৰে সশস্ত্ৰ বিদ্ৰোহী বাহিনীসমূহৰ সৈতে এক আলোচনাত মিলিত হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। দুয়োটা সশস্ত্ৰ বিদ্ৰোহী বাহিনীয়ে এই আলোচনা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছিল। কেন্দ্ৰীয় আলোচনা প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছিল। কেন্দ্ৰীয় চৰকাৰে পোন প্ৰথমতে Bodo Liberation Tiger Force-ৰ সৈতে আলোচনাত মিলিত হৈছিল যিয়ে এক পৃথক বড়োভূমিৰ বাবে সশস্ত্ৰ সংগ্ৰাম গঢ়ি তুলিছিল।
- ২০০৩ চনৰ ফেব্ৰুৱাৰী মাহৰ ১০ তাৰিখে BLTF-ৰ সৈতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা স্বাক্ষৰিত হোৱা নিষ্পত্তিৰ স্মাৰক-পত্ৰৰ ফলস্বৰূপে বড়োলেণ্ডৰ আন্দোলনে অৱশেষত শেষ পৰ্যায়ত উপনীত হৈছিল আৰু ইয়াৰ লগে লগেই অসমত বড়োভূমি ক্ষেত্ৰীয় পৰিষদ (Bodoland Territorial Council-BTC) নামৰ এক স্বায়ত্ব শাসিত পৰিষদ গঠন হৈছিল আৰু এই স্বায়ত্ব শাসিত পৰিষদক সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত এক সাংবিধানিক সুৰক্ষা প্ৰদান কৰা হৈছিল।

- বড়োসকলক প্রদান কৰা ষষ্ঠ অনুসূচীৰ কিছু সংশোধনী ঘটোৱা হৈছিল কাৰণ বড়োসকল আছিল ৰাজ্যখনৰ ভৈয়ামত বসবাস কৰা জনগোষ্ঠীয় সম্প্রদায়সমূহৰ ভিতৰত এটা সম্প্রদায়। বড়ো স্বায়ত্ব শাসিত পৰিষদৰ অধীনৰ অঞ্চলসমূহক বড়োভূমি ক্ষেত্রীয় জিলা (Bodo Territorial Area Districts-BTAD) নামেৰে জনা যায়। এই পৰিষদে ২০০৩ চনৰ বড়ো স্বায়ত্ব শাসিত পৰিষদৰ স্মাৰকপত্রত উল্লেখ কৰা অনুসৰি ইয়াৰ অধীনস্থ বিভাগসমূহৰ ওপৰত শাসন আৰু ক্ষমতা প্রকাশ কৰিব পাৰে। কিন্তু জিলা প্রশাসনৰ ওপৰত ই কোনো ক্ষমতা খটুৱাব নোৱাৰে।
- ২০০৩ চনত BLTF-ক এক সশস্ত্র সংগঠন হিচাপে বর্জন কৰা হয়। সন্ধিমতে, এক অন্তৰ্বর্তীকালীন বড়ো স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হয়। ই পূর্বৰ BLT-ৰ মুখ্য সচিব হাগ্রামা মহিলাৰীৰ দ্বাৰা পৰিচালিত হৈছিল।
- BTC-ৰ প্রথম নির্বাচন হৈছিল ২০০৫ চনৰ ১৩ মে'ত। হাগ্রামা মহিলাৰী নৱ-নির্বাচিত BTC-ৰ নেতা হিচাপে নির্বাচিত হয়।



১৩.৫ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Kundu, Dilip Kumar, Triparthy, Ajay & Agarwal, Bhavna. (2010). *The State and the Bodo Movement in Assam*. APH Publishing Corporation.
2) Sonowal, Khema. 2012. *Why Bodo Movement?* Guwahati: Eastern Book House.

অসমীয়া গ্রন্থ ঃ

১) কলিতা, তি. চি. (২০০৬)। *অসমৰ সমাজ আৰু ৰাজনীতি।* গুৱাহাটী ঃ মৃত্যুঞ্জয় প্রকাশন।
২) মহন্ত, ড° প্রফুল্ল (২০১১)। *জনজাতীয় স্বধিকাৰ আন্দোলন আৰু বড়ো জাতিসত্বা।* গুৱাহাটী ঃ ভৱানী প্রিণ্ট ন পাব্লিকেছনচ্।

১৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯৫২

২ নং প্রশ্নৰ উত্তৰ ঃ দেৱনাগিৰি

৩ নং প্রশ্নৰ উত্তৰ ঃ উদয়াচল

৪ নং প্রশ্নৰ উত্তৰ ঃ আভ্যন্তৰীণ সুৰক্ষা আইন (Maintenance of Internal Security Act) (MISA)

৫ নং প্রশ্নৰ উত্তৰ ঃ উপেন্দ্রনাথ ব্রহ্ম

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৯৯৩ চনৰ ২০ ফেব্রুৱাৰী

৭ নং প্রশ্নৰ উত্তৰ ঃ BLTF, কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ

৮ নং প্রশ্নৰ উত্তৰ ঃ বড়োভূমি ক্ষেত্রীয় জিলা (BTAD)



১৩.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ ১৯৫২ চনত বড়ো সাহিত্য সভা ক'ত গঠিত হৈছিল?

প্রশ্ন ২ঃ ভাৰতীয় সংবিধানৰ কোনটো অনুসূচীৰ অধীনত উদয়াচল নামেৰে এক স্বায়ত্ব শাসিত অঞ্চল গঠনৰ দাবী জনোৱা হৈছিল?

প্রশ্ন ৩ঃ বড়োভূমিৰ আন্দোলন আগবঢ়ায় নিবলৈ আবছুৱে সৃষ্টি কৰা ৰাজনৈতিক সংগঠনটোৰ নাম উল্লেখ কৰক।

প্রশ্ন ৪ঃ বড়োভূমিৰ ক্ষেত্রীয় পৰিষদ অর্থাৎ BTC গঠনৰ বাবে নিষ্পত্তিৰ স্মাৰকপত্রখন কেতিয়া স্বাৰক্ষিত হৈছিল?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ৰোমান লিপি আন্দোলনটো আলোচনা কৰক।

প্রশ্ন ২ঃ উদয়াচল গঠনৰ দাবীৰ বিষয়ে আলোচনা আগবঢ়োওক।

প্রশ্ন ৩ঃ আবছুৱে বড়োভূমি গঠনৰ বাবে কৰা দাবীৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৪ঃ বড়োভূমি ক্ষেত্রীয় পৰিষদ (BTC) আৰু নিষ্পত্তিৰ স্মাৰকপত্রৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ বড়োভূমি আন্দোলনৰ ইতিহাসিক পটভূমি ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ ২০০৩ চনৰ নিষ্পত্তিৰ স্মাৰক পত্র স্বাক্ষৰিত হোৱালৈকে বড়োভূমি গঠনৰ দাবীৰ লগত জড়িত বিভিন্ন ঘটনাসমূহ আলোচনা কৰক।

****

অধ্যায় ১৪ ঃ অসমত আঞ্চলিকতাবাদৰ বিকাশ ঃ আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান— অসম গণ পৰিষদ (AGP) আৰু বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (BPPF)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ আঞ্চলিকতাবাদৰ পটভূমি

১৪.৩.১ ভাৰতত আঞ্চলিকতাবাদৰ বিকাশ

১৪.৩.২ অসমত আঞ্চলিকতাবাদ

১৪.৪ অসমত আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান

১৪.৪.১ অসম গণ পৰিষদ (AGP)

১৪.৪.২ বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (বিপিপিএফ-BPPF)

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৬ অধিক জানিবলৈ

১৪.৭ অগ্ৰগতিৰ খতিয়ান

১৪.৮ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আঞ্চলিকতাবাদৰ বিকাশ আলোচনা কৰিব পাৰিব
- অসমত আঞ্চলিকতাবাদৰ প্ৰকৃতি আৰু বিকাশ ব্যাখ্যা কৰিব পাৰিব
- অসমত আঞ্চলিক ৰাজনৈতিক দলবোৰৰ উত্থান সম্পৰ্কে আলোচনা কৰিব পাৰিব
- অসমৰ ৰাজনীতিত অগপৰ গঠন, বিকাশ আৰু ভূমিকা বৰ্ণনা কৰিব পাৰিব
- বড়োলেণ্ড আৰু অসমৰ ৰাজনীতিত বিপিপিএফ-ৰ গঠন, বিকাশ আৰু ভূমিকা আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ভাৰতৰ দৰে বৃহৎ দেশ এখনত আঞ্চলিকতাবাদক সকলো সময়তে উৎকণ্ঠা সৃষ্টিকাৰী পৰিঘটনা বুলি গণ্য কৰা নহয়। কাৰণ বেছিভাগ সময়তে আঞ্চলিক পৰিচয় আৰু প্ৰত্যাশা

সুৰক্ষিত আৰু সংৰক্ষিত ৰখাৰ স্বাৰ্থত জন্ম লাভ কৰা বৈচিত্ৰ্যময় আঞ্চলিক আকাংক্ষাবোৰেই এটা সময়ত ৰাজনৈতিক কাৰ্য-কলাপৰ ৰূপ লয়। ভাৰতৰ দৰে বৈচিত্ৰ্যময় দেশ এখনৰ বাবে ই এক স্বাভাৱিক কথা। স্বাধীনোত্তৰ কালৰে পৰাই এই বিষয়বোৰৰ আধাৰত ভাৰতীয়সকলক ঐক্যৱদ্ধ কৰাৰ দাবী উত্থাপিত হৈ আহিছে। এই সকলো দাবীক ন্যায্যতা প্ৰদান কৰিবলৈ আঞ্চলিকতাবাদে কেন্দ্ৰীয় ভূমিকা লৈ আহিছে। অৰ্থাৎ— আঞ্চলিক পৰিচয় প্ৰতিষ্ঠা কৰাত আঞ্চলিক বৈচিত্ৰ্যই বিভিন্ন প্ৰকাৰে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে।

ভাৰতত আঞ্চলিক ৰাজনীতি নতুন পৰিঘটনা নহয়। স্বাধীনতা আন্দোলন চলি থকা সময়ত আৰু স্বাধীনতাৰ পিছত আঞ্চলিক ৰাজনীতিয়ে কেন্দ্ৰীয় ভূমিকা লৈছিল। উদাহৰণস্বৰূপে অসমৰ ৰাইজে কেবিনেট মিছনৰ আঁচনিৰ বিৰুদ্ধে গৈ গ্ৰুপিং পদ্ধতিৰ তীব্ৰ প্ৰতিবাদ কৰিছিল আৰু অঞ্চলটোৰ ৰাইজে মিছনৰ এনে বিভাজনৰ ৰাজনীতিৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছিল। এই অধ্যায়টিৰ দ্বাৰা আপোনালোকক অসমত আঞ্চলিকতাবাদৰ বিকাশ সম্পৰ্কে বিশেষ উল্লেখৰ সহায়ত ভাৰতৰ দৰে সংযুক্ত চৰকাৰৰ ৰাজনৈতিক ব্যৱস্থা থকা দেশ এখনত আঞ্চলিকতাবাদৰ বিকাশৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব। লগতে অসমত আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান, অসম গণ পৰিষদ আৰু বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিফ ফ্ৰণ্টৰ গঠন আৰু বিকাশ আদি বিষয়ৰ আলোচনাকো অধ্যায়টিত সামৰি লোৱা হৈছে।

১৪.৩ আঞ্চলিকতাবাদৰ পটভূমি

এতিয়া আঞ্চলিকতাবাদৰ বিষয়টো বিতংভাৱে আলোচনা কৰো আহক।

১৪.৩.১ ভাৰতত আঞ্চলিকতাবাদৰ বিকাশ

১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ দিন ধৰি ভাৰতীয় ৰাজনীতিৰ সবাতোকৈ ক্ষমতাশালী শক্তি হিচাপে আঞ্চলিকতাবাদে সদায়েই গুৰুত্ব লাভ কৰি আহিছে। ১৯৬০ৰ দশকৰ পৰা আজিলৈকে ভাৰতৰ বিভিন্ন ৰাজ্যত শাসন ক্ষমতা লাভ কৰা বহুতো ৰাজনৈতিক দলৰে বুনিয়াদ হ'ল আঞ্চলিকতাবাদ। আঞ্চলিক ৰাজনৈতিক দলৰ বৰ্ধিত প্ৰভাৱৰ উদাহৰণ আছিল ১৯৯৯ চনৰ পৰা ২০০৪ চনলৈ ৰাষ্ট্ৰীয় পৰ্যায়ত দেশৰ শাসনভাৰ লোৱা ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটৰ (NDA) চৰকাৰ। ভাৰতীয় জনতা পার্টিয়ে (BJP) নেতৃত্ব দিয়া এই চৰকাৰখন আছিল বহুকেইটা আঞ্চলিক ৰাজনৈতিক দলৰ মিত্ৰজোঁট।

ভাৰতৰ ভাষিক, সাংস্কৃতিক, সাম্প্ৰদায়িক, জনগোষ্ঠীয়, ধৰ্মীয় আৰু আন বহুতো উপাদানৰ বৈচিত্ৰ্যতাতে আঞ্চলিকতাবাদৰ ঘাইশিপা প্ৰোথিত হৈ আছে। প্ৰায়ে আঞ্চলিক বঞ্চনাৰ অনুভৱে আঞ্চলিকতাবাদ বৃদ্ধিত ইন্ধন যোগায় আহিছে। বৃটিছ ঔপনিৱেশিক শাসকসকলে ভাৰতৰ অঞ্চলবোৰক বহলভিত্তিত দুটা ভাগত

ভগাইছিল। এই ভাগ দুটা হ'ল— প্ৰত্যক্ষভাৱে শাসিত প্ৰদেশ আৰু বিভিন্ন আকাৰ, ধৰ্ম, জনগোষ্ঠী আৰু ভাষাৰ ভিত্তিত গঠিত প্ৰায় ৫৬০ খন ৰাজশাসিত ৰাজ্য বা princely states (পৰোক্ষভাৱে শাসিত)। এই কাৰকবোৰে ভাৰতৰ আঞ্চলিকতাবাদক আৰু অধিক জটিল কৰি তুলিছিল। ভাৰতত আঞ্চলিকতাবাদ অথবা কোনো এক নিৰ্দিষ্ট অঞ্চলৰ প্ৰতি চৰম আনুগত্যৰ ভাব বিভিন্ন পন্থা আৰু ৰূপেৰে প্ৰকাশিত হৈ আহিছে। আঞ্চলিকতাবাদৰ সৈতে বঞ্চনাৰ কথা সাঙোৰ খাই থাকে। এই বঞ্চনাৰ অনুভৱ সৃষ্টি হয় দীৰ্ঘদিনীয়া অৱহেলা আৰু অনুন্নয়ন, আৰু সম্পদৰ অসমান বিতৰণৰ বাবে।

১৪.৩.২ অসমত আঞ্চলিকতাবাদ


এই কথা অস্বীকাৰ কৰিব নোৱাৰি যে অসমত জাতীয়তাবাদৰ উত্থান ঘটাৰ সদায়ে যথেষ্ট অৱকাশ আছিল। বৃটিছ শাসনৰ সময়ত আৰু ইয়াৰ পৰৱৰ্তী কালত অসমত আঞ্চলিকতাবাদে গা কৰি উঠাৰ মূল কাৰণ আছিল যে সমগ্ৰ ইতিহাসজুৰি অসম আছিল এখন কেন্দ্ৰৰ পৰা দূৰত অৱস্থিত অঞ্চল। অসমক ঔপনিৱেশিক আৰু স্বাধীন উভয় শাসকেই দূৰৰ পৰা নিয়ন্ত্ৰণ কৰাৰ চেষ্টা চলাই আহিছে। স্বাধীনতাৰ পিছত অসমৰ অঞ্চলকেন্দ্ৰিক অসন্তুষ্টি আৰু ক্ষোভসমূহৰ বেছিভাগেই চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিব নোৱাৰিলে। ইয়াৰ পৰিণতিতে গণ আন্দোলনবোৰৰ সূত্ৰপাত হ'ল। অৰ্থনৈতিক ক্ষেত্ৰৰ বিভিন্ন দিশত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় স্তৰত থকা বৈষম্যতাই এসময়ত অসমীয়াসকলক অসন্তুষ্ট কৰি তুলিলে। অবৈধ বিদেশী নাগৰিকৰ সমস্যাটোৱে এটা সময়ত এক আবেগিক আৰু গণ আন্দোলনৰ মাত্ৰা লাভ কৰিলে। ইয়াৰ ফলতে ৰাজ্যখনৰ পৰা অবৈধ বিদেশী নাগৰিকক বহিষ্কাৰ কৰা 'অসম আন্দোলন'ৰ সূত্ৰপাত ঘটিছিল। এই আন্দোলন ছবছৰ কাল চলিছিল (১৯৭৯-১৯৮৫)। এই আন্দোলনৰ পিছত অসম গণ পৰিষদৰ গঠন, ১৯৮৫ চনত অসম গণ পৰিষদৰ শাসন ক্ষমতা লাভ কৰা আৰু আন বহুতো এনে ঘটনাৰ পৰা অসমত আঞ্চলিকতাবাদৰ অস্তিত্ব প্ৰমাণিত হয়।

অসম আন্দোলনৰ সময়ছোৱাত আঞ্চলিকতাবাদে ভিন্ন ৰূপ ধা�ৰণ কৰিলে তথা 'নৃগোষ্ঠীয়' ধাৰণাটোৰ লগত সম্পৃক্ত হৈ পৰে। নৃগোষ্ঠীয়তা আঞ্চলিকতাবাদৰ এটা গুৰুত্বপূৰ্ণ উপাদান। নৃগোষ্ঠীয়তা বুলিলে এটা জাতি বা সম্প্ৰদায়ক বুজা যায় যি এক উমৈহতীয়া সাংস্কৃতিক পৰম্পৰা আৰু ঐতিহ্যৰ দ্বাৰা পৰিচালিত হয়। যি গোটসমূহে ব্যাপক অৰ্থত অসমীয়া জাতীয় পৰিচয় আৰু সংস্কৃতিৰ সুৰক্ষা আৰু ৰক্ষণাবেক্ষণৰ বাবে গণতান্ত্ৰিক যুঁজত অৱতীৰ্ণ হৈছিল, তেওঁলোকৰ এইটো বিশ্বাস আছিল যে দেশৰ বা ভাৰতীয় যুক্তৰাষ্ট্ৰীয় সাংবিধানিক ব্যৱস্থাৰ ভিতৰতে তেওঁলোকৰ আশা-আকাংক্ষাসমূহ

পূৰণ কৰাৰ সামৰ্থ আছে। তেওঁলোকে ৰাজ্যখনৰ বাবে অধিক স্বায়ত্ব শাসনৰ দাবী জনাইছিল। অন্যহাতেদি ৰাজনীতিক পৰিমণ্ডলৰ সিটো পাৰে বিভিন্ন সন্ত্ৰাসবাদী গোটে মূৰ দাঙি উঠিছিল, যিয়ে অসমবাসীৰ বাবে এখন পৃথক ৰাষ্ট্ৰ বিচাৰিছিল। সংযুক্ত মুক্তি বাহিনী, অসমে (ULFA) ভাৰতৰ পৰা সম্পূৰ্ণৰূপে অসমখনক বিচ্ছিন্ন কৰাৰ পোষকতা কৰিছিল আৰু তেওঁলোকে আত্মগোপন কৰিলে। ১৯৮৫ চনত 'অসম চুক্তি' স্বাক্ষৰিত হোৱা সময়লৈকে অসমৰ সামাজিক আৰু ৰাজনৈতিক পৰিবেশ-পৰিস্থিতি অশান্ত হৈ থাকিল।

১৯৭৯ৰ পৰা ১৯৮৫লৈ অসমত ৰাজনৈতিক অস্থিৰতা বিৰাজ কৰিছিল। ৰাষ্ট্ৰপতি শাসন বলবৎ, দীৰ্ঘদিনৰ বাবে ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন, হিংসা, আন্দোলন, সঘনাই হোৱা ধৰ্মঘট, আইন অমান্য অভিযান আদিয়ে সুদীৰ্ঘ সময়ৰ বাবে সাধাৰণ জীৱন ব্যাহত কৰিছিল। কেন্দ্ৰীয় চৰকাৰে ১৯৮৩ চনত সাংবিধানিক আজ্ঞাপত্ৰৰ জৰিয়তে নিৰ্বাচন অনুষ্ঠিত কৰাৰ চেষ্টা কৰিছিল।

অৱশেষত ১৯৮৫ চনৰ ১৫ আগষ্টত ৰাজীৱ গান্ধী চৰকাৰে অসম আন্দোলনৰ নেতাসকলৰ লগত অসম চুক্তি স্বাক্ষৰিত কৰিছিল। চুক্তিত এই কথাত সন্মতি প্ৰকাশ কৰা হৈছিল যে ২৫ মাৰ্চ, ১৯৭১ চনৰ পিছত অসমত প্ৰৱেশ কৰা সকলো বিদেশীকে চিনাক্ত কৰি দেশান্তৰ কৰা হ'ব। অসম চুক্তিৰ অধীনত ৰাজ্যখনৰ উন্নয়নৰ বাবে সমান্তৰালভাৱে অৰ্থনৈতিক অনুদান (economic package)ৰ ব্যৱস্থা কৰা হৈছিল। লগতে চুক্তিত অসমত দ্বিতীয়টো তেল শোধনাগাৰ স্থাপন, এটা কাগজকল স্থাপন আৰু এখন প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপনৰ পৰিকল্পনাও কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে এইবোৰৰ উপৰি অসমীয়া মানুহৰ 'সাংস্কৃতিক, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্য সুৰক্ষিত ৰাখিবলৈ বিধানসংগত আৰু প্ৰশাসনিক সুৰক্ষা' প্ৰদান কৰা হ'ব বুলিও প্ৰতিশ্ৰুতি দিছিল। ১৯৮৫ চনৰ ডিচেম্বৰ মাহত বিধান সভা ভংগ কৰি নতুন নিৰ্বাচন পতা হৈছিল। বিদেশী খেদা আন্দোলনৰ নেতাসকলৰ দ্বাৰা গঠিত অসম গণ পৰিষদ দলে (AGP) এই নিৰ্বাচনত বিজয়ী হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰীয় পৰ্যায়ত দেশৰ শাসনভাৰ লোৱা এনে এক চৰকাৰৰ নাম উল্লেখ কৰক যি আঞ্চলিক ৰাজনৈতিক দলৰ বৰ্ধিত প্ৰভাৱৰ এক উদাহৰণ প্ৰতিফলিত কৰে।

.....

প্ৰশ্ন ২ ঃ ..... চনত অসম আন্দোলন আৰম্ভ হৈছিল। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন ৩ ঃ অসম চুক্তি কোন চনত স্বাক্ষৰিত হৈছিল?

.....

প্ৰশ্ন ৪ ঃ অসম চুক্তিৰ অধীনত এক কথাত সন্মতি প্ৰকাশ কৰা হৈছিল যে ২৫ মাৰ্চ ১৯৭১ চনৰ পিছত প্ৰবেশ কৰা সকলো বিদেশীক দেশান্তৰ কৰা হ'ব। (শুদ্ধ/অশুদ্ধ)

.....

১৪.৪ অসমত আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান

বিগত দুটা দশকত আঞ্চলিক দলবোৰৰ উত্থানে কেৱল ৰাজ্যৰ ৰাজনীতিকেই প্ৰভাৱিত কৰা নাই, ই ৰাষ্ট্ৰীয় দল তথা ৰাষ্ট্ৰীয় নীতিতো প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। নিৰ্বাচনত অভিলেখকাৰী সমৰ্থন লাভ কৰি এনে দলবোৰে জয়লাভ কৰাৰ লগতে বহুতো ৰাজ্যত চৰকাৰ গঠন কৰিছে আৰু ৰাষ্ট্ৰীয় ৰাজনীতিক প্ৰভাৱিত কৰিছে। অসমতো অসম আন্দোলনৰ পিছত বহুকেইটা আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান হৈছে। অসম গণ পৰিষদ (AGP), সদৌ ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা (AIUDF) বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (BPF) হ'ল অসমৰ এনে দুটামান উল্লেখযোগ্য দল।

১৪.৪.১ অসম গণ পৰিষদ

সদৌ অসম ছাত্ৰ সস্থা (আছু/AASU) আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদ (AAGSP)ৰ নেতৃত্বত গঢ় লৈ উঠা ছবছৰীয়া অসম আন্দোলনৰ ফলশ্ৰুতিত অসম গণ পৰিষদৰ (AGP) জন্ম হৈছিল। অসমীয়া ৰাইজৰ দাবী আছিল বিশেষকৈ বাংলাদেশ (অতীতৰ পূব পাকিস্তান)ৰ পৰা অবৈধ উপায়েৰে সীমা পাৰ হৈ অসমত প্ৰৱেশ কৰাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা। কাৰণ এই অবৈধ অনুপ্ৰৱেশকাৰীয়ে বিশাল বিশাল অঞ্চল দখল কৰাৰ ফলত ৰাজ্যখনৰ থলুৱা বাসিন্দাৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক অস্তিত্ব বিপদাপন্ন হৈ পৰিছিল। ১৯৭৮ চনত মঙ্গলদৈ লোকসভা সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পিছত যেতিয়া সমষ্টিটোত পুনৰ নিৰ্বাচনৰ আগে আগে ভোটাৰ তালিকাৰ পুনৰীক্ষণ কৰা হৈছিল তেতিয়া সমগ্ৰ অসমৰ আগত এই সত্য উন্মোচিত হৈছিল যে তালিকাত লাখ লাখ অবৈধ অনুপ্ৰৱেশকাৰীৰ নাম অৰ্ন্তভুক্ত হৈছে। লগে লগে প্ৰফুল্ল কুমাৰ মহন্ত (সভাপতি) আৰু প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ (সম্পাদক) নেতৃত্বাধীন সদৌ অসম ছাত্ৰ সস্থাই এই অনুপ্ৰৱেশকাৰীসকলৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ দাবী কৰিলে। মঙ্গলদৈ লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন স্থগিত ৰখাৰ দাবীত আছুৱে আৰম্ভ কৰা আন্দোলনলৈ অসমৰ ৰাইজে সমৰ্থন জনালে। আছুৱে সমান্তৰালভাৱে উত্থাপন কৰা আন দাবীবোৰ আছিল বিদেশী প্ৰব্ৰজনকাৰী চিনাক্ত কৰিবলৈ ৰাজ্যখনৰ সকলো সমষ্টিৰে ভোটাৰ তালিকাৰ পুনৰীক্ষণ কৰা, চিনাক্ত কৰা বিদেশীৰ নাম তালিকাৰ

পৰা বাদ দিয়া আৰু তেওঁলোকক নিজ দেশলৈ ঘূৰাই পঠোৱা। অসমবাসীয়ে আছুৰ দাবীসমূহক সম্পূৰ্ণ সমৰ্থন জনোৱাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ আন্দোলনটোৱে এক গণ আন্দোলনৰ ৰূপ ল'লে। ১৯৭৯ চনৰ পৰা চলা এই আন্দোলন অসম আন্দোলন নামেৰে বিখ্যাত হৈপৰিল। অসম সাহিত্য সভা, পূৰ্বাঞ্চলীয় লোক পৰিষদ (PLP), অসম জাতীয়তাবাদী দল (AJD), সদৌ অসম কৰ্মচাৰী পৰিষদ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, অসম যুৱক সমাজ, সদৌ অসম কেন্দ্ৰীয় আৰু অৰ্ধ-কেন্দ্ৰীয় কৰ্মচাৰী সংস্থা আদিৰ দৰে বিভিন্ন দল-সংগঠনে আছুৰ প্ৰতি সমৰ্থন জনালে। ইয়াৰ পিছতেই আন্দোলনটোক নেতৃত্ব দিবলৈ সদৌ অসম গণ সংগ্ৰাম পৰিষদ (AAGSP) গঠন কৰা হৈছিল। প্ৰায় ছবছৰ ধৰি চলা এই আন্দোলনত কেইবা শতাধিক দলীয় কৰ্মীয়ে প্ৰাণ আহুতি দিছিল। কেন্দ্ৰীয় চৰকাৰ আলোচনাত বহিবলৈ বাধ্য হৈছিল। সমস্যাটোৰ সমাধান উলিয়াবলৈ কেন্দ্ৰীয় চৰকাৰ, আছু আৰু গণ সংগ্ৰাম পৰিষদৰ নেতৃবৰ্গৰ সৈতে আলোচনাত বহিছিল। অসমৰ নেতাসকলৰ সৈতে পৰৱৰ্তী কেন্দ্ৰীয় চৰকাৰখনেও বহুকেইলানি আলোচনা চলাইছিল। এই আলোচনাৰ পৰিণামত তেতিয়াৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উপস্থিতিত কেন্দ্ৰীয় চৰকাৰ আৰু আছু তথা গণ সংগ্ৰাম পৰিষদৰ নেতাসকলে ১৯৮০ চনৰ ১৫ আগষ্টত অসম চুক্তিত চহী কৰিছিল। অসম চুক্তি অনুসৰি ৰাজ্যখনৰ বিধান সভা ভংগ কৰি দিয়া হৈছিল। লগে লগে অসমত গণতান্ত্ৰিক নিৰ্বাচনৰ পথ প্ৰশস্ত হৈ পৰিছিল। ১৯৮৫ চনৰ ১৩-১৪ অক্টোবৰত আছুৱে গোলাঘাটত এখন জাতীয় সন্মিলন অনুষ্ঠিত কৰিছিল। এই সন্মিলনতে অসম গণ পৰিষদ নামৰ আঞ্চলিক ৰাজনৈতিক দল এটা গঠনৰ সিদ্ধান্ত লোৱা হৈছিল। ১৯৮৫ চনৰ ১৪ অক্টোবৰৰ দিনা আনুষ্ঠানিকভাৱে গোলাঘাটতেই অগপই জন্মলাভ কৰিছিল। ইয়াৰ কিছুদিন আগতে ১৯৮০ চনৰ ছেপ্টেম্বৰ মাহত লখিমপুৰত অনুষ্ঠিত হোৱা এখন বৈঠকত আছুৰ প্ৰফুল্ল কুমাৰ মহন্ত আৰু প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ নেতৃত্বাধীন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক কমিটিখনে পদত্যাগ কৰি নতুন নেতাৰ হাতত আছুৰ দলীয় বিষয়বাব অৰ্পণ কৰিছিল। অগপৰ প্ৰথম সভাপতিৰূপে প্ৰফুল্ল কুমাৰ মহন্তই আৰু এজন সাধাৰণ সম্পাদকৰূপে প্ৰয়াত ভৃগু কুমাৰ ফুকনে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। ছবছৰীয়া অসম আন্দোলনে এইদৰেই ৰাজ্যৰ প্ৰথমটো বাটকটীয়া আঞ্চলিক ৰাজনৈতিক দলৰ উত্থানৰ কাৰক হিচাপে কাম কৰিছিল। ১৯৮০ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হোৱা নিৰ্বাচনত অগপই মুঠ ১২৬ খন আসনৰ ৬৭ খনতেই জয়লাভ কৰিছিল। ইয়াৰ উপৰি দলটোৱে ১৪ খন লোকসভা আসনৰ ৭ খনত জয়লাভ কৰিছিল। প্ৰফুল্ল কুমাৰ মহন্ত মাত্ৰ বত্ৰিশ বছৰ বয়সতে মুখ্যমন্ত্ৰী হৈ স্বাধীন ভাৰতৰ সৰ্বকালৰ কনিষ্ঠ মুখ্যমন্ত্ৰী হিচাপে পৰিগণিত হৈছিল। জন্মৰ মাত্ৰ দুমাহৰ পিছতে অগপ দল চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হোৱাৰ অন্তৰালত বহুতো কাৰণ আছে।

- দলে এটা ৰাষ্ট্ৰীয় সমস্যা, অসমৰ পৰা বিদেশী বিতাড়নক ভিত্তি কৰি নিৰ্বাচনী যুঁজখনত অৱতীৰ্ণ হৈছিল। এই গুৰুত্বপূৰ্ণ বিষয়টোৱে দলক জনসাধাৰণৰ প্ৰৱল সমৰ্থন লাভ কৰাত সহায় কৰে।
- জনসাধাৰণৰ অফুৰন্ত সমৰ্থন লাভ কৰিবলৈ সমৰ্থ হোৱা অসম আন্দোলনৰ নেতাসকলক লৈ গঠিত হোৱাৰ বাবে অগপৰ প্ৰাৰ্থীসকলেও জনসাধাৰণৰ সহানুভূতিসূচক সমৰ্থন লাভ কৰিবলৈ সক্ষম হয়।
- ছাত্ৰসকলৰ সমৰ্থনো অগপৰ কৃতকাৰ্যতাৰ অন্যতম কাৰণ।
- সেই সময়ত অসমত ভৈয়াম জনজাতি পৰিষদ, অসম (Plains Tribal Council of Assam-PTCA) আৰু সংযুক্ত সংখ্যালঘু মৰ্চা (United Minorities Front-UMF) নিচিনা কিছুমান আঞ্চলিক দলো আছিল যদিও সেই দলসমূহৰ সমৰ্থকৰ পৰিসৰ সীমিত হোৱাৰ বাবে তুলনামূলকভাৱে অগপতকৈ তেওঁলোকে কম সমৰ্থন লাভ কৰিছিল।

ওপৰত উল্লেখ কৰা সমূহ কাৰণে অগপৰ কৃতকাৰ্যতা পথাৰখন সাৱঁৰা কৰি তুলিছিল। কিন্তু অগপই অসম চুক্তিত থকা অবৈধ অনুপ্ৰৱেশকাৰী চিনাক্ত আৰু বহিষ্কাৰ কৰা কামটো সফলভাৱে কাৰ্যকৰী কৰিব পৰা নাছিল। ইয়াৰ এক অন্যতম কাৰণ হৈছিল সংসদে গৃহীত কৰা অবৈধ প্ৰব্ৰজনকাৰী (ট্ৰাইব্যুনেলৰ দ্বাৰা নিৰ্ধাৰণ) আইনে (IMDT Act) অবৈধ বিদেশী চিনাক্ত কৰা প্ৰক্ৰিয়াটো অধিক জটিল কৰি তুলিছিল। তদুপৰি অসমত আইন-শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটে। অৱশেষত ১৯৯০ চনত অগপ চৰকাৰখন বৰ্খাস্ত কৰি ৰাজ্যত ৰাষ্ট্ৰপতি শাসন বলবৎ কৰা হ'ল। পৰৱৰ্তী বিধান সভাৰ নিৰ্বাচনত অগপই ক্ষমতা ধৰি ৰাখিব নোৱাৰিলে। ১৯৯১ চনৰ মাৰ্চ মাহত নেতৃত্বৰ মাজত দেখা দিয়া সংঘাতে দলৰ বিভাজন নিশ্চিত কৰি তোলে। ইয়াৰ ফলত ভৃগু কুমাৰ ফুকন, দীনেশ গোস্বামী, পুলকেশ বৰুৱা আদি নেতাসকলে দলৰ পৰা ওলাই গৈ 'নতুন অসম গণ পৰিষদ' নামৰ দলৰ জন্ম দিয়ে। অৱশ্যে শীঘ্ৰেই নতুনকৈ জন্ম হোৱা 'নতুন অসম গণ পৰিষদ' আৰু অগপৰ মাজৰ মনোমালিন্যৰ অৱসান ঘটিল আৰু ১৯৯২ চনত দুয়োটা দল একত্ৰিত হ'ল। কিন্তু ২০০০ চনত পুনৰ দলটো বিভাজনৰ সন্মুখীন হয়। 'তৃণমূল গণ পৰিষদ'ৰ সৃষ্টি কৰি অতুল বৰাই এক বিভাজন আনে। ২০০৫ চনত অগপ আন এটা সংকটৰ মুখামুখি হয়, দলৰ অন্যতম মুখ্য সদস্য প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক দলৰ পৰা বহিষ্কাৰ কৰা হয়। মহন্তই 'প্ৰগতিশীল অসম গণ পৰিষদ' নামৰ এটা নতুন দলৰ জন্ম দিয়ে। মুমূৰ্ষ অগপ দলৰ প্ৰাণ সঞ্জীৱিত কৰাৰ উদ্দেশ্যে ২০০৮ চনৰ ১৪ অক্টোবৰৰ দিনা প্ৰগতিশীল অসম গণ পৰিষদ দলে অসম গণ পৰিষদৰ লগত পুনৰ লগ লাগে। অগপৰ মুখ্য কাৰ্যালয় গুৱাহাটীৰ আমবাৰীত অৱস্থিত। ২০১৬ চনত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ নিৰ্বাচনত অগপ ই ১৪ খন আসনত জয় লাভ কৰিছিল।

১৪.৪.২ বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (বিপিপিএফ-BPPF)

বড়োলেণ্ড পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্টৰ (BPPF) বিষয়ে আলোচনা কৰাৰ আগতে দলটোৰ উত্থানৰ পটভূমিৰ বিষয়ে কিছু কথা জানি থওঁ আহক।

আমি ইয়াৰ আগৰ অধ্যায়ত আলোচনা কৰিছো যে বড়োভূমি আন্দোলনৰ পৰিসমাপ্তিত ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে বড়ো লিবাৰেশ্যন টাইগার্ছ ফ'র্চ (BLTF)ৰ সৈতে এখন নিষ্পত্তিৰ সন্ধিপত্ৰ অথবা বড়ো চুক্তি স্বাক্ষৰিত হৈছিল। দলটোৰ সৈতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰেও এই চুক্তিত স্বাক্ষৰ কৰিছিল। এই চুক্তি অনুসৰি অসম ৰাজ্যৰ চাৰিসীমাৰ ভিতৰতে বড়োভূমি ক্ষেত্ৰীয় পৰিষদ (Bodoland Territorial Council) নামৰ এক স্বায়ত্ব শাসিত প্ৰশাসনীয় গাঁথনি সৃষ্টি কৰা হৈছিল। উক্ত স্বায়ত্ব শাসিত গাঁথনিটোক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুচ্ছেদৰ অধীনত সাংবিধানিক সুৰক্ষা প্ৰদান কৰা হৈছিল।

২০০৩ চনৰ বড়ো চুক্তি অনুসৰি বড়ো আন্দোলনৰ নেতাসকলে এইটো নিশ্চিত কৰিব লাগিছিল যে তেওঁলোকৰ সমৰ্থকসকলে অস্ত্ৰ-শস্ত্ৰ, গুলী-বাৰুদ আদি জমা দিব লগতে আত্মগোপন কৰি থকা আন্দোলনকাৰীসকল ৰাষ্ট্ৰীয় ঘাইসুঁতিলৈ ঘূৰি আহিব। সকলো আনুষ্ঠানিকতা সম্পূৰ্ণ হোৱাৰ পিছত দেশে সবাতোকৈ বিশাল উগ্ৰপন্থী আত্মসমৰ্পণ অনুষ্ঠানটো প্ৰত্যক্ষ কৰিছিল। ২০০৩ চনৰ ৬ ডিচেম্বৰ তাৰিখে দুহেজাৰতকৈও অধিক বড়ো লিবাৰেশ্যন টাইগার্ছ (BLT) উগ্ৰপন্থীয়ে বিভিন্ন অত্যাধুনিক মৰণাস্ত্ৰসহ আত্মসমৰ্পণ কৰি চিৰদিনৰ বাবে হিংসাৰ পথ পৰিহাৰ কৰিছিল। BLT নেতাসকলে সদৌ বড়ো ছাত্ৰ সন্থাৰ (আবছু/ABSU) নেতাসকলৰ সৈতে মিলি বড়ো পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (বিপিপিএফ-BPPF) নামৰ ৰাজনৈতিক দলটো গঠন কৰিছিল। কিন্তু বড়োভূমি ক্ষেত্ৰীয় পৰিষদ (Bodoland Territorial Council বা BTC)ৰ নিৰ্বাচনৰ প্ৰাক্-মুহূৰ্তত BPPF দলত ভাঙোনৰ সৃষ্টি হৈছিল। ইয়াৰ পৰিণামস্বৰূপে BPPF দলত দুটা গোটৰ সৃষ্টি হৈছিল— BPPF (হাগ্ৰামা) আৰু BPPF (ৰবিৰাম) গোট। BPPF (হাগ্ৰামা) গোটৰ নেতৃত্ব দিছিল অধুনালুপ্ত BLTF সংগঠনৰ মুৰব্বী আৰু BTC-ৰ মধ্যৱৰ্তী পৰিষদখনৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। BPPF (ৰবিৰাম) গোটৰ নেতৃত্ব দিছিল প্ৰাক্তন আবছু সভাপতি ৰবিৰাম নাৰ্জাৰীয়ে। ইয়াৰ পিছত BTC নিৰ্বাচনত BPPF (হাগ্ৰামা) গোটে জয়লাভ কৰিছিল। এই গোটটোৱে পিছলৈ দলৰ নাম সলনি কৰি বড়োলেণ্ড পীপলচ্ ফ্ৰণ্ট (BPF) নামে�ৰে পৰিচিত হয়। অৱশ্যে BPPF (ৰবিৰাম) গোটে এখনো আসনত জয়লাভ কৰিব সক্ষম নহ'ল।

২০০৬ চনৰ এপ্ৰিলত অনুষ্ঠিত হোৱা অসম বিধান সভা নিৰ্বাচনত BPPF (হাগ্ৰামা)য়ে কংগ্ৰেছ দলৰ সৈতে মিত্ৰতা স্থাপন কৰে আৰু ১১ খন আসনত জয়লাভ

কৰে আৰু এইদৰে অসমত কংগ্ৰেছ দলে গঠন কৰা সংযুক্ত চৰকাৰৰ এক মিত্ৰ দল হিচাপে পৰিগণিত হয়। ২০০৯ চনৰ পঞ্চদশতম সাধাৰণ নিৰ্বাচনত কোকৰাঝাৰ সমষ্টিৰ পৰা BPF-ৰ প্ৰাৰ্থী চানচুমা খুংগুৰ বসুমতাৰী বিজয়ী হৈছিল। ২০০৮ চনৰ মে' মাহত অনুষ্ঠিত হোৱা ৰাজ্যসভা নিৰ্বাচনত BPF-ৰ বিশ্বজিৎ দৈমাৰী বিজয়ী হৈছিল। দলটোৱে অসমত কংগ্ৰেছ দলৰ সহযোগী হিচাপে কাম কৰিছিল। ২০১১ চনৰ অসম বিধানসভা নিৰ্বাচনত BPF-এ ১২ খন আসন লাভ কৰিছিল। বড়োভূমি ক্ষেত্ৰীয় পৰিষদ এলেকাধীন জিলাবোৰৰ উন্নয়নৰ লগত জড়িত কিছুমান বিষয়ত গঢ় লৈ উঠা অসন্তুষ্টিৰ বাবে BPF-এ কংগ্ৰেছৰ সৈতে ১৩ বছৰীয়া মিত্ৰতা ভংগ কৰিছিল। ৰাজ্য চৰকাৰৰ সৈতে মিত্ৰতা ভংগ কৰা আগলৈকে, BPF-ৰ মাত্ৰ এগৰাকী সদস্য চন্দন ব্ৰহ্মাইহে ৰাজ্য চৰকাৰৰ মন্ত্ৰীসভাৰ পৰিবহন, পৰ্যটন, ভৈয়াম জনজাতিৰ কল্যাণ আৰু বড়োভূমি ক্ষেত্ৰী পৰিষদ অঞ্চলৰ জিলাবোৰৰ পিছপৰা সম্প্ৰদায়ৰ কল্যাণ বিভাগসমূহৰ মন্ত্ৰী হৈ আছিল। ২০১৬ চনত অনুস্থিত হোৱা অসম বিধান সভা নিৰ্বাচনত বি পি এফ দলে ১২ খন আসনত জয়যুক্ত হৈছিল আৰু অসমৰ সংযুক্ত চৰকাৰৰ অংশীদাৰ হৈছিল।

উপৰোক্ত আলোচনা বিশ্লেষণ কৰিলে ইয়াকে ক'ব পাৰি যে নৃগোষ্ঠীয় আৰু ভাষিক বিভিন্নতাৰে ভৰপূৰ ভাৰতবৰ্ষৰ দৰে দেশত, বিভিন্ন অঞ্চলত বিৰাজ কৰা অৰ্থনৈতিক অসমতা দূৰ কৰণৰ আৰু প্ৰত্যেক অঞ্চলৰ বাবে প্ৰাপ্য সম্পদৰ আবণ্টন আৰু বিতৰণ সুনিশ্চিত কৰাৰ প্ৰচেষ্টাৰ জৰিয়তে আঞ্চলিকতাবাদে জাতীয় উন্নয়নৰ লক্ষ্যসমূহ সাধন কৰাত এক অতি শক্তিশালী মাধ্যম হিচাপে পৰিগণিত হ'ব পাৰে। প্ৰকৃততে আঞ্চলিক ৰাজনৈতিক দলসমূহে বিভিন্ন অঞ্চলৰ স্থানীয় বিষয়সমূহ দাঙি ধৰি, কেন্দ্ৰীয় চৰকাৰক দেশৰ সকলো অঞ্চলৰে সমান উন্নয়ন ঘটাব পৰাকৈ আৰু বিভিন্ন সম্প্ৰদায়ৰ নৃগোষ্ঠীয় আৰু ভাষিক অস্তিত্ব সুৰক্ষিত কৰিব পৰাকৈ ৰাষ্ট্ৰীয় পৰিকল্পনা নিৰ্ধাৰণ কৰাত সহায় কৰে। গতিকে এনেদৰে সমগ্ৰ ৰাষ্ট্ৰৰ কল্যাণ সাধনৰ জৰিয়তে, আঞ্চলিকতাবাদে জাতীয় উন্নয়নৰ পথ প্ৰশস্ত কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ অসম গণ পৰিষদ গঠন হোৱাৰ সময়ত দলটোৰ প্ৰথমগৰাকী সভাপতি কোন হৈছিল?

.....

প্ৰশ্ন ৬ ঃ নতুন গণ পৰিষদ কোন চনত গঠন হৈছিল?

.....

প্ৰশ্ন ৭ ঃ BPPF-ৰ কোনটো গোটে BTC-ৰ প্ৰথমটো নিৰ্বাচনত জয়ী হৈছিল?

.....

প্ৰশ্ন ৮ ঃ ২০১১ চনৰ অসম বিধান সভা নিৰ্বাচনত BPF-এ কেইখন আসন লাভ কৰিছিল ?

.....



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ দিন ধৰি ভাৰতীয় ৰাজনীতিৰ সবাতোকৈ ক্ষমতাশালী শক্তি হিচাপে আঞ্চলিকতাবাদে সদায়েই গুৰুত্ব লাভ কৰি আহিছে। ১৯৬০ৰ দশকৰ পৰা আজিলৈকে ভাৰতৰ বিভিন্ন ৰাজ্যত শাসন ক্ষমতা লাভ কৰা বহুতো ৰাজনৈতিক দলৰে বুনিয়াদ হ'ল আঞ্চলিকতাবাদ।
- ভাৰতৰ ভাষিক, সাংস্কৃতিক, সাম্প্ৰদায়িক, জনগোষ্ঠীয়, ধৰ্মীয় আৰু আন বহুতো উপাদানৰ বৈচিত্ৰ্যতাতে আঞ্চলিকতাবাদৰ ঘাইশিপা প্ৰোথিত হৈ আছে। প্ৰায়ে আঞ্চলিক বঞ্চনাৰ অনুভৱে আঞ্চলিকতাবাদ বৃদ্ধিত ইন্ধন যোগায় আহিছে।
- অবৈধ বিদেশী নাগৰিকৰ সমস্যাটোৱে এটা সময়ত এক আবেগিক আৰু গণ আন্দোলনৰ মাত্ৰা লাভ কৰিলে। ইয়াৰ ফলতে ৰাজ্যখনৰ পৰা অবৈধ বিদেশী নাগৰিকক বহিষ্কাৰ কৰা 'অসম আন্দোলন'ৰ সূত্ৰপাত ঘটিছিল। এই আন্দোলন ছবছৰ কাল চলিছিল (১৯৭৯-১৯৮৫)। এই আন্দোলনৰ পিছত অসম গণ পৰিষদৰ গঠন, ১৯৮৫ চনত অসম গণ পৰিষদৰ শাসন ক্ষমতা লাভ কৰা আৰু আন বহুতো এনে ঘটনাৰ পৰা অসমত আঞ্চলিকতাবাদৰ অস্তিত্ব প্ৰমাণিত হয়।
- অসম আন্দোলনৰ সময়ছোৱাত আঞ্চলিকতাবাদে ভিন্ন ৰূপ ধাৰণ কৰিলে তথা 'নৃগোষ্ঠীয়' ধাৰণাটোৰ লগত সম্পৃক্ত হৈ পৰে। নৃগোষ্ঠীয়তা আঞ্চলিকতাবাদৰ এটা গুৰুত্বপূৰ্ণ উপাদান। নৃগোষ্ঠীয়তা বুলিলে এটা জাতি বা সম্প্ৰদায়ক বুজা যায়। যি উমৈহতীয়া সাংস্কৃতিক পৰম্পৰাৰ অধীন। যি গোটসমূহে ব্যাপক অৰ্থত অসমীয়া জাতীয় পৰিচয় আৰু সংস্কৃতিৰ সুৰক্ষা আৰু ৰক্ষণাবেক্ষণৰ বাবে গণতান্ত্ৰিক যুঁজত অৱতীৰ্ণ হৈছিল, তেওঁলোকৰ এইটো বিশ্বাস আছিল যে দেশৰ বা ভাৰতীয় যুক্তৰাষ্ট্ৰীয় সাংবিধানিক ব্যৱস্থাৰ ভিতৰতে তেওঁলোকৰ আশা-আকাংক্ষাসমূহ পূৰণ কৰাৰ সামৰ্থ আছে। তেওঁলোকে প্ৰদেশখনৰ বাবে অধিক স্বায়ত্ব শাসনৰ দাবী জনাইছিল।
- ১৯৮০ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হোৱা নিৰ্বাচনত অগপই মুঠ ১২৬ খন আসনৰ ৬৭ খনতেই জয়লাভ কৰিছিল। ইয়াৰ উপৰি দলটোৱে ১৪ খন লোকসভা আসনৰ ৭খনত জয়লাভ কৰিছিল। প্ৰফুল্ল কুমাৰ মহন্ত মাত্ৰ বত্ৰিশ বছৰ বয়সতে মুখ্যমন্ত্ৰী হৈ স্বাধীন ভাৰতৰ সৰ্বকালৰ কনিষ্ঠ মুখ্যমন্ত্ৰী হিচাপে পৰিগণিত হৈছিল।

- ১৯৯১ চনৰ মাৰ্চ মাহত নেতৃত্বৰ মাজত দেখা দিয়া সংঘাতে দলৰ বিভাজন নিশ্চিত কৰি তোলে। ইয়াৰ ফলত ভৃগু কুমাৰ ফুকন, দীনেশ গোস্বামী, পুলকেশ বৰুৱা আদি নেতাসকলে দলৰ পৰা ওলাই গৈ 'নতুন অসম গণ পৰিষদ' নামৰ দলৰ জন্ম দিয়ে। অৱশ্যে শীঘ্ৰেই নতুনকৈ জন্ম হোৱা 'নতুন অসম গণ পৰিষদ' আৰু অগপৰ মাজৰ মনোমালিন্যৰ অৱসান ঘটিল আৰু ১৯৯২ চনত দুয়োটা দল একত্ৰিত হ'ল।
- ২০০০ চনত পুনৰ দলটো বিভাজনৰ সন্মুখীন হয়। 'তৃণমূল গণ পৰিষদ'ৰ সৃষ্টি কৰি অতুল বৰাই এক বিভাজন আনে। ২০০৫ চনত অগপ আন এটা সংকটৰ মুখামুখি হয়, দলৰ অন্যতম মুখ্য সদস্য প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক দলৰ পৰা বহিষ্কাৰ কৰা হয়। মহন্তই 'প্ৰগতিশীল অসম গণ পৰিষদ' নামৰ এটা নতুন দলৰ জন্ম দিয়ে।
- মুমূৰ্ষ অগপ দলৰ প্ৰাণ সঞ্জীৱিত কৰাৰ উদ্দেশ্যে ২০০৮ চনৰ ১৪ অক্টোবৰৰ দিনা প্ৰগতিশীল অসম গণ পৰিষদ দলে অসম গণ পৰিষদৰ লগত পুনৰ লগ লাগে। অগপৰ মুখ্য কাৰ্যালয় গুৱাহাটীৰ আমবাৰীত অৱস্থিত।
- ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে বড়ো লিবাৰেশ্যন টাইগাৰ্ছ ফ'ৰ্চৰ (BLTF) সৈতে এখন নিষ্পত্তিৰ সন্ধিপত্ৰ অথবা বড়ো চুক্তি স্বাক্ষৰিত হৈছিল। BLT নেতাসকলে সদৌ বড়ো ছাত্ৰ সস্থাৰ (আবছু/ABSU) নেতাসকলৰ সৈতে মিলি বড়ো পীপলচ্ প্ৰগ্ৰেছিভ ফ্ৰণ্ট (BPPF) নামৰ ৰাজনৈতিক দলটো গঠন কৰিছিল। কিন্তু বড়োভূমি ক্ষেত্ৰীয় পৰিষদ (Bodoland Territorial Council বা BTC)ৰ নিৰ্বাচনৰ প্ৰাক্-মুহূৰ্তত BPPF দলত ভাঙোনৰ সৃষ্টি হৈছিল। ইয়াৰ পৰিণামস্বৰূপে BPPF দলত দুটা গোটৰ সৃষ্টি হৈছিল— BPPF (হাগ্ৰামা) আৰু BPPF (ৰবিৰাম) গোট। BPPF (হাগ্ৰামা) গোটৰ নেতৃত্ব দিছিল অধুনালুপ্ত BLTF সংগঠনৰ মুৰব্বী আৰু BTC-ৰ মধ্যৱৰ্তী পৰিষদখনৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। BPPF (ৰবিৰাম) গোটৰ নেতৃত্ব দিছিল প্ৰাক্তন আবছু সভাপতি ৰবিৰাম নাৰ্জাৰীয়ে। ইয়াৰ পিছত BTC নিৰ্বাচনত BPPF (হাগ্ৰামা) গোটে জয়লাভ কৰিছিল। অৱশ্যে BPPF (ৰবিৰাম) গোটে এখনো আসনত জয় লাভ কৰিব সক্ষম নহয়।
- BPPF (হাগ্ৰামা) গোটটোৱে পিছলৈ দলৰ নাম সলনি কৰি বড়োলেণ্ড পীপলচ্ ফ্ৰণ্ট (BPF) নামেৰে পৰিচিত হয়।



১৪.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Das, Samir Kumar. (1997). *Regionalism in Power- The Case of Asom Gana Parishad*. New Delhi: Omsons Publications.

2) Kalita, Haren Chandra. (2011). *Regional Politics- The Role of Asom Gana Parishad*. Guwahati: E.B.H.Publishers.

3) Baruah, Sanjib. (2001). *India Against Itself.* New Delhi: Oxford University Press.

4) Kundu, Dilip Kumar, Triparthy, Ajay & Agarwal, Bhavna. (2010). *The State and the Bodo Movement in Assam*. APH Publishing Corporation.

অসমীয়া গ্ৰন্থ ঃ

১) কলিতা, ত. চি. (২০০৬)। *অসমৰ সমাজ আৰু ৰাজনীতি।* গুৱাহাটী ঃ মৃত্যুঞ্জয় প্ৰকাশন।

১৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁট

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৯

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আগষ্ট, ১৯৮৫

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰফুল্ল কুমাৰ মহন্ত

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯১

৭ নং প্ৰশ্নৰ উত্তৰ ঃ BPPF (হাগ্ৰামা)

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ১২

১৪.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ অসম গণ পৰিষদ কোন ঠাইত গঠিত হৈছিল?

প্ৰশ্ন ২ঃ ১৯৮৫ চনত অনুষ্ঠিত হোৱা অসমৰ বিধান সভা নিৰ্বাচনত অগপই কেইখন আসনত জয়লাভ কৰিছিল?

প্ৰশ্ন ৩ঃ BPPF-ৰ গোট দুটা উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ BPPF (হাগ্ৰামা)ক পিছলৈ কি ৰূপে পৰিচিত হয়?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ অসম গণ পৰিষদে প্ৰথমবাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হোৱা যিকোনো চাৰিটা কাৰণ উল্লেখ কৰক।

প্ৰশ্ন ২ঃ BPPF দল গঠনৰ পটভূমিৰ বিষয়ে লিখক।

প্ৰশ্ন ৩ঃ ভাৰতত আঞ্চলিকতাবাদৰ বিকাশৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৪ঃ অসমত আঞ্চলিকতাবাদৰ বিষয়ে চমুকৈ লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ অসম গণ পৰিষদৰ ওপৰত এটা টোকা লিখক।

প্ৰশ্ন ২ঃ BPPF দলৰ ওপৰত এটা টোকা লিখক।

****

অধ্যায় ১৫ ঃ অসমত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণ

১৫.৪ অসম ৰাজ্যৰ প্রসংগত ভাৰতৰ স্বাধীনতা সংগ্রামত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণ

১৫.৫ স্বাধীনতাৰ পাছৰ সময়ছোৱাত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণ

১৫.৫.১ অসম আন্দোলনত মহিলাসকলৰ অংশগ্রহণ

১৫.৫.২ বড়োভূমি আন্দোলনত মহিলাসকলৰ অংশগ্রহণ

১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৭ অধিক জানিবলৈ

১৫.৮ অগ্রগতিৰ খতিয়ান

১৫.৯ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বহল পৰিসৰত ৰাজনৈতিক অংশগ্রহণৰ অর্থ জানিব পাৰিব
- অসম ৰাজ্যৰ প্রসংগত ভাৰতৰ স্বাধীনতা সংগ্রামৰ সময়ত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণৰ পর্য্যায়ৰ/ স্তৰৰ বিষয়ে জানিব পাৰিব
- অসম আন্দোলনত মহিলাসকলৰ ভূমিকা আলোচনা কৰিব পাৰিব
- বড়োভূমি আন্দোলনত মহিলাসকলৰ অংশগ্রহণৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৫.২ পৰিচয়

ভাৰতৰ দৰে দেশত য'ত সমাজখন স্বভাৱগতভাৱে ৰক্ষণশীল আৰু পিতৃতান্ত্রিক, ৰাজহুৱা আৰু ৰাজনৈতিক ক্ষেত্রত মহিলাসকলৰ অংশগ্রহণ দীর্ঘ সময় ধৰি এক পৰিধিৰ (Peripheral) বিষয় । ভাৰতৰ স্বাধীনতাৰ পাছত গণতান্ত্রিক সংবিধান প্রণয়নৰ লগে লগে অৱস্থাৰ পৰিৱর্তন হৈছে । সংবিধানে কোনো প্রকাৰৰ বিভেদ নৰখাকৈ পুৰুষ আৰু মহিলা সকলো নাগৰিককে সম সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক অধিকাৰ আৰু স্বাধীনতাৰ নিশ্চিতি প্রদান কৰিছে। এই অধ্যায়টিৰ লক্ষ্য হৈছে অসম ৰাজ্যৰ প্রেক্ষাপটত মহিলা সকলৰ ৰাজনৈতিক অংশগ্রহণ পৰীক্ষা কৰা।

১৫.৩ মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণ

ৰাজনৈতিক অংশগ্রহণৰ আমাৰ আলোচনাৰ প্রথম পদক্ষেপ হ'ব ৰাজনৈতিক অংশগ্রহণ শব্দটো স্পষ্টকৈ বুজা। মাইৰন ৱেইনাৰ (Myron Weiner)ৰ মতে, "ৰাজনৈতিক অংশগ্রহণ ধাৰণাটোৱে যি কোনো স্বেচ্ছাসেৱী কাম, কৃতকার্য আৰু অকৃতকার্য, সংগঠিত আৰু অসংগঠিত, বিক্ষিপ্ত ঘটনা অথবা নিৰৱচ্ছিন্ন, বাচি লোৱা ৰাজহুৱা নীতিসমূহক প্রভাৱিত কৰাৰ উদ্দেশ্যে প্রয়োগ কৰা বৈধ অথবা অবৈধ পন্থা, ৰাজহুৱা বিষয়ৰ প্রশাসন আৰু চৰকাৰৰ যি কোনো স্তৰৰ ৰাজনৈতিক নেতাৰ বাচি লোৱা কার্য/নীতি"। এই সংজ্ঞাটোৰ ওপৰত ভিত্তি কৰি মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণে কেৱল দলীয় কার্য্যালয়ত পদবী গ্রহণ কৰা, নির্বাচনত প্রতিদ্বন্দিতা কৰা, ভোটাধিকাৰ সাব্যস্ত কৰা, নির্বাচনত জয়ী হৈ সাংসদ অথবা বিধায়ক হিচাবে বিভিন্ন দপ্তৰ গ্রহণ কৰাকেই নুবুজায় , লগতে ৰাজনৈতিক সিদ্ধান্ত গ্রহন কৰাত প্রভাৱিত কৰাৰ লক্ষ্যৰে মহিলাসকলৰ অন্যান্য সামাজিক আৰু ৰাজনৈতিক কার্যত জড়িত হোৱাকো বুজায়। বহল ভিত্তিত, মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণে ঘৰুৱা হিংসা, যৌন শোষন, বলাৎকাৰৰ আদিৰ বিৰুদ্ধে নাগৰিক সমাজৰ আন্দোলনত অংশগ্রহণেৰে সংস্কাৰমূলক নীতি প্রণয়নত অংশগ্রহণ বুজায় । সেয়েহে মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণে আইনী, সামাজিক আৰু ৰাজনৈতিক মঞ্চৰ সকলো কার্যকে আগুৰি থাকে য'ত মহিলাসকলে কৃতকার্য অথবা অকৃতকার্যভাৱে, ব্যৱস্থাটোৰ অংশ হৈ অথবা বাহিৰৰ পৰা, চৰকাৰী প্রশাসন আৰু বিধানমণ্ডলীয় সিদ্ধান্ত গ্রহণত প্রভাৱিত কৰাৰ চূড়ান্ত লক্ষ্যৰে দাবী উত্থাপন কৰে । ৰাজনৈতিক অংশগ্রহণ শব্দটোৰ বহল পৰিসৰৰ ওপৰত ভিত্তি কৰি অসমৰ প্রেক্ষাপটত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণৰ স্তৰক দুটা ঢৌত (Wave) অধ্যয়ন কৰিব পৰি। প্রথম ঢৌটো স্বাধীনতাৰ পূর্বৰ সময়ছোৱাত গঢ় লৈ উঠিছিল য'ত অসমীয়া মহিলাসকলে সমগ্র ভাৰতৰ দৃশ্যপটৰ প্রৱণতা ৰাখি বৃটিছ সাম্রাজ্যবাদৰ পৰা ভাৰতৰ স্বাধীনতাৰ কাৰণে জাতীয় সংগ্রামত অংশগ্রহণ কৰিছিল। অসমত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণৰ দ্বিতীয় ঢৌৱে ভাৰতৰ স্বাধীনতাৰ পাছৰ সময়ছোৱাত অসম ৰাজ্যক প্রভাৱিত কৰা বিভিন্ন বিষয়সমূহক লৈ জড়িত জনপ্রিয় আন্দোলনসমূহত অংশগ্রহণক সূচায় ।

১৫.৪ অসম ৰাজ্যৰ প্রসংগত ভাৰতৰ স্বাধীনতা সংগ্রামত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণ

বহুতো ভাৰতীয় মহিলা নেত্রীয়ে ভাৰতক ঔপনিৱেশিক দাসত্বৰ পৰা মুক্ত কৰাৰ বাবে কৰা সংগ্রামত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি তেওঁলোকে নিজে এক সুকীয়া স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। বৃটিছ শাসনৰ বিৰুদ্ধে ভাৰতৰ সংগ্রামৰ প্রাথমিক পর্য্যায়ত ৰাজকীয় পৰিয়ালৰ মহিলাইহে এক সাহসী ভূমিকা পালন কৰিছিল। তেওঁলোকৰ ভিতৰত উল্লেখনীয় হৈছে ঝাঁন্সিৰ ৰাণী লক্ষ্মীবাঈ, ৰামগড়ৰ ৰাণী, জেতপুৰৰ ৰাণী, অউধৰ বেগম হজৰত মহল

ইত্যাদি। ১৯২০ চনৰ পৰা আৰম্ভ হোৱা পিছৰ পর্য্যায়ৰ ভাৰতৰ স্বাধীনতা সংগ্রামত মহাত্মা গান্ধীৰ সবল নেতৃত্ব আৰু উদগনিত (Motivation) সাধাৰণ জনতাৰ মাজৰ যথেষ্ট পৰিমাণৰ মহিলা ভাৰতৰ স্বাধীনতা সংগ্রামত জড়িত হৈ পৰিছিল। এই পর্য্যায়টোৰ সময়ছোৱাত অসমৰ মহিলাসকলেও সমগ্র ভাৰতৰ ধাৰাটোৰ একেধৰণৰ এক বিপ্লৱী সচেতনাৰ প্রৱণতা প্রদর্শন কৰা আৰম্ভ কৰিছিল আৰু শোষণকাৰী-দমনমূলক ঔপনিবেশিক শাসনৰ বিৰুদ্ধে বিভিন্ন গণ সংগ্রামত এক সক্রিয় অংশগ্রহণ কৰিছিল। বৃটিছ বিৰোধী সংগ্রামৰ স্মৰণীয় ঘটনাসমূহত অসমীয়া মহিলাসকলৰ অংশগ্রহণৰ ক্ষেত্রত অসমত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণৰ প্রথম টোটোৰ বিষয়ে তলত আলোচনা কৰা হৈছে।

অসহযোগ আন্দোলনত, যাক ভাৰতৰ স্বাধীনতা সংগ্রামৰ প্রথম শক্তিশালী স্মৰণীয় ঘটনা হিচাবে গণ্য কৰা হয়, অসমৰ মহিলাসকলে প্রৱল সাফল্যৰে নিজৰ উপস্থিতি প্রদর্শন কৰিছিল। এইটো ইয়াত উল্লেখ কৰিবই লাগিব যে মহাত্মা গান্ধীয়ে মহিলাসকলৰ প্রতি জনোৱা আহ্বানৰ এক তাৎক্ষণিক প্রভাৱ মহিলাসকলৰ ওপৰত পৰিছিল আৰু তেওঁ বৃহৎ সংখ্যক মহিলাক সংগ্রামটোলৈ উলিয়াই আনিবলৈ সক্ষম হৈছিল। আৰম্ভণিতে, কম সংখ্যক অসমীয়া মহিলাই সংগ্রামত অংশগ্রহণ কৰিছিল, যেনে- বিদ্যুৎপ্রভা দেৱী, গিৰিজা দেৱী, হেমন্ত কুমাৰী দেৱী, ধর্মদা দেৱী, নলিনীৱালা দেৱী, পুষ্পলতা দাস, গুণেশ্বৰী নাথ আৰু চন্দ্রপ্রভা শইকীয়ানী। তেওঁলোকে গাওঁ আৰু নগৰ দুয়ো অঞ্চলতে বার্তা প্রচাৰ কৰিবলৈ আৰু অসহযোগ স্বদেশী আৰু গঠনমূলক কামৰ প্রচাৰৰ উদ্দেশ্যেৰে সভাৰ আয়োজন কৰিছিল। ১৯২১ চনত গান্ধীজীৰ অসম ভ্রমণে তেওঁলোকৰ কার্যত উদগনি যোগাইছিল। অসমৰ মহিলাসকলৰ ৰাজনৈতিক সচেতনতাত গান্ধীৰ প্রভাৱৰ এটা উদাহৰণ দাঙি ধৰি মুংগৰী (Mongri) নামৰ চাহ বাগিচাৰ শ্রমিক আৰু সু�ৰা সেৱনকাৰী এগৰাকীয়ে সুৰা বাদ দি সুৰা বিৰোধী আন্দোলনত সক্রিয়ভাৱে অংশগ্রহণ কৰিছিল। সুৰাৰ দোকানৰ সন্মুখত পিকেটিং কৰাৰ সময়ত সংঘটিত এক সংঘর্ষত মুংগৰী শ্বহীদ হৈছিল আৰু অসহযোগ আন্দোলনত অংশগ্রহণ কৰা কাৰণে অসমৰ প্রথম মহিলা শ্বহীদ হিচাপে পৰিগণিত হৈছিল। কামৰূপৰ এক ভিতৰুৱা গাওঁ গোদেবৰী (Godebari) ৰ ভানুমতী তালুকদাৰ (৩ টা সন্তানৰ মাতৃ) কংগ্রেছৰ এক বিখ্যাত পূর্ণকালীন কর্মী আছিল যিগৰাকীক স্থানীয় লোকসকলে তেওঁক 'ভলুনটীয়াৰাণী বাই' (Volunteerani Bai)আখ্যা দিছিল আৰু মহান মহাত্মা গান্ধীয়ে নিজে তেওঁক "অসমৰ সৰোজনী" হিচাপে নামকৰণ কৰিছিল। গোলাঘাটৰ মিচিং সম্প্রদায়ৰ প্রমিলা মেদকে তেওঁৰ সম্প্রদায়টোৱে যোগাযোগ বিছিন্ন কৰা সত্বেও সমাজৰ সকলো বদ্ধমূল ধাৰণা আৰু বাধা অমান্য কৰি স্বাধীনতা আন্দোলনত সক্রিয় অংশগ্রহণ কৰি গৈছিল। এইসমূহ মাত্র কেইটামান উদাহৰণহে, এই সমূহৰ উপৰিও সমগ্র অসমৰ মহিলাসকলে প্রত্যক্ষ অথবা পৰোক্ষভাৱে স্বাধীনতা আন্দোলনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছিল ।

অসমত আইন অমান্য আন্দোলনতো মহিলাসকলৰ সক্রিয় অংশগ্রহণ দেখা যায়। ১৯৩০ চনত পুষ্পলতা দাসে সৰলা চাক্সেনা, পূণ্যপ্রভা বৰুৱা আৰু জ্যোৎস্না মজুমদাৰৰ সৈতে লগলাগি মহিলাসকলক জাতীয় আন্দোলনৰ বাবে একত্রিত কৰিবলৈ "মুক্তি সংঘ" প্রতিষ্ঠা কৰিছিল। তেওঁলোকৰ উদ্যমী ভাষণে বহুতো ডেকা মনক প্রজ্বলিত কৰি তু লিছিল যি পূর্ণ স্বৰাজৰ কাৰণে যুঁজ দিবলৈ অংগীকাৰবদ্ধ হৈছিল। এই আন্দোলনৰ সময়ছোৱাত অসমৰ বিভিন্ন ঠাইত পিকেটিংৰ কার্যসূচী ৰূপায়ন কৰিবলৈ "নাৰী বাহিনী" (Women Squad) গঠন কৰা হৈছিল। এই পর্য্যায়টোত মহিলাসকলে অতি শক্তিশালী ৰূপত কানি বিৰোধী অভিযান সম্পন্ন কৰিছিল । বৃহৎ সংখ্যক পুৰুষ জেলত বন্দী হৈ থকাত হাজাৰ হাজাৰ মহিলা ওলাই আহি আইন ভংগ কৰি লোণ সত্যাগ্রহত তেওঁলোকৰ সমর্থন দেখু�ৱাইছিল। আন্দোলনৰ এই সময়ছোৱাত অসম প্রদেশ কংগ্রেছ সমিতিৰ ১৯৩০ চনৰ প্রতিবেদনত নগৰীয়া অঞ্চলৰ লগতে গ্রাম্য অঞ্চলৰ মহিলাসকলৰ বৃহৎ অংশগ্রহণক প্রশংসাৰ সৈতে তথ্য সন্নিবিষ্ট কৰা হৈছে।

ভাৰত ত্যাগ আন্দোলনত অসমৰ বৃহৎ সংখ্যক মহিলা ওলাই আহিছিল। ১৯৪০ ৰ সময়ত ৰাষ্ট্রীয় আৰু প্রাদেশিক দুয়োটা পর্য্যায়ত মহিলা কোষক ভাৰতীয় জাতীয় কংগ্রেছৰ অবিচ্ছেদ্য অংগ হৈ পৰিছিল। অসমত পুষ্পলতা দাস আৰু অমলপ্রভা দাসক যুটীয়া সচিব হিচাবে লৈ ১৯৪০ চনৰ চেপ্তেম্বৰত অসম মহিলা কংগ্রেছ প্রতিষ্ঠা কৰা হৈছিল। পিছৰ বছৰত শ্বিলঙত সদৌ অসম ছাত্রী সমিতি (All Assam Girl Students' Committee) গঠন কৰা হৈছিল। পুলিচৰ নজিৰবিহীন দমনৰ সন্মুখত আৰু বৃহৎ সংখ্যক পুৰুষ বন্দী হৈ থকা অৱস্থাত বিখ্যাত মহিলা নেত্রীসকলে নিজে কামসমূহৰ সমন্বয় ৰক্ষাৰ দায়িত্ব লৈছিল। মহিলাসকলৰ মাজত চন্দ্রপ্রভা শইকীয়ানী প্রধান পথ প্রদর্শনকাৰী আছিল। ১৯৪২ চনত কূটাঘাতমূলক কার্যকলাপ চলাবলৈ মৃত্যু বাহিনীক বেছি সংগঠিত ৰূপত গঠন কৰা হৈছিল। ভাৰত ত্যাগ আন্দোলনে মহিলা সংগ্রামীৰ এক মহান ঢৌৰ উত্থানক প্রদর্শন কৰিছিল। কনকলতা, ৰত্নাৱালা ফুকন, বুদ্ধেশ্বৰী হাজৰিকা, কাহুলী নাথ আৰু দময়ন্তী বৰা মৃত্যু বাহিনীৰ সক্রিয় সদস্য আছিল আৰু চৰম সাহসী জাতীয়তাবাদী মহিলা হিচাপে প্রশংসিত হৈছিল। তেওঁলোকৰ উপৰিও, অসমীয়া সমাজৰ সাধাৰণ মহিলাইও অস্ত্র- শস্ত্র , পলাতক লোকক লুকুৱাত সহায় কৰি কুটাঘাতমূলক আৰু বিপ্লৱী কার্যকলাপত সমর্থন কৰিবলৈ তেওঁলোকৰ ঘৰুৱা ভূমিকাৰ ব্যৱহাৰ আদি উপায়ৰ যোগেদি যথেষ্ট অৱদান আগবঢ়াইছিল। আন বহুতো মহিলাই চোৰাং-চোৱা, ধন সংগ্রহ কৰা, কূটাঘাতী কার্য কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ভাৰতৰ স্বাধীনতা সংগ্রামত গুৰুত্বপূর্ণ ভূমিকা পালন কৰা কেইগৰাকীমান বিখ্যাত অসমীয়া মহিলা নেত্রীৰ নাম লিখক।

.....

.....

.....

প্রশ্ন ২ ঃ মাইৰন ৱেইনাৰে (Myron Weiner) আগবঢ়োৱা ৰাজনৈতিক অংশগ্রহণৰ সংজ্ঞাটো লিখক।

.....

.....

.....

.....

প্রশ্ন ৩ ঃ মহাত্মা গান্ধীয়ে কাক অসমৰ সৰোজনী নাম দিছিল?

.....

১৫.৫ স্বাধীনতাৰ পাছৰ সময়চোৱাত মহিলা সকলৰ ৰাজনৈতিক অংশগ্রহণ

১৯৪৭ চনৰ পাছত অসমত আৰম্ভ হোৱা মহিলাৰ ৰাজনৈতিক অংশগ্রহণৰ দ্বিতীয় টোটোক তিনিটা স্পষ্ট ভাগত ভাগ কৰিব পাৰি।

প্রথমটো হৈছে ৰাজ্যখনৰ সামাজিক, ৰাজনৈতিক, অর্থনৈতিক আৰু ভাষিক বিষয়সমূহক কেন্দ্র কৰি হোৱা জনপ্রিয় আন্দোলনত মহিলাসকলৰ অংশগ্রহণ। স্বাধীনোত্তৰ যুগত অসম বিভিন্ন জনপ্রিয় সংগ্রামৰ এক ভূমিত পৰিণত হৈছিল। পৰৱর্তী বহুতো নাগৰিক সমাজ আন্দোলনৰ মাজত প্রথম আছিল অসমৰ চৰকাৰী ভাষা আন্দোলন যি ১৯৫০ ৰ প্রথম ভাগতেই আৰম্ভ হৈছিল আৰু ১৯৬০ চনলৈকে বর্তি আছিল । অসমৰ চৰকাৰী ভাষা আন্দোলনৰ এক বৈশিষ্ট্য হ'ল মহিলাসকলৰ অংশগ্রহণ। উল্লেখযোগ্য অন্যান্য আন্দোলনসমূহ হৈছে ১৯৬৭ চনৰ শোধনাগাৰ আন্দোলন, ১৯৭২ চনৰ মাধ্যম (Medium) বিষয়ক আন্দোলন। যি কি নহওক, অসম আন্দোলন (১৯৭৯-১৯৮৫) হৈছে এতিয়ালৈকে অসমৰ আটাইতকৈ শক্তিশালী গণ আন্দোলন যিয়ে মহিলাসকলৰ এক বহল ভিত্তিত তীব্র অংশগ্রহণৰ বাট মোকলাই দিছিল। এই আন্দোলনত মহিলাসকলৰ অংশগ্রহণ অধ্যায়টোৰ পাছৰ অংশত দীঘলীয়াকৈ আলোচনা কৰা হ'ব।

মহিলাসকলৰ বৃহৎ অংশগ্রহণৰ লগত জড়িত দ্বিতীয় অংশটো বড়ো, মিচিং, কার্বিসকলৰ নৃগোষ্ঠীয় পৰিচিতিৰ লগত জড়িত আন্দোলন যিয়ে মূলতঃ সংখ্যাগৰিষ্ঠৰ হেচাৰ (Pressure) বিৰুদ্ধে তেওঁলোকৰ অতুলনীয় নৃগোষ্ঠীয় পৰিচিতিক সংবিধান স্বীকৃত ৰাজনৈতিক আৰু সাংস্কৃতিক স্বায়ত্ব শাসনৰ সঠিক ব্যৱস্থাৰ দ্বাৰা সুৰক্ষা দিয়াৰ বাবে জোৰ দিছিল। এই অধ্যায়টোৰ এটা শাখা বড়োভূমি আন্দোলনত মহিলাসকলৰ অংশগ্রহণৰ আৰ্হি বুজিবলৈ বিশেষভাৱে অর্পিত।

তৃতীয় অংশটোৱে স্বাধীনতাৰ পাছত নির্বাচনী ৰাজনীতিত অসমীয়া মহিলাৰ অংশগ্রহণৰ বিষয়ে আলোচনা কৰিছে। এইটো দুর্ভাগ্যজনক যে যদিও ভাৰতৰ স্বাধীনতা সংগ্রামত মহিলাসকলৰ অংশগ্রহণ ব্যাপক আছিল য'ত বহুতো মহিলা নেত্রীয়ে নেতৃত্ব পৰিচালনা, বুদ্ধিমত্তা, ৰাষ্ট্রসংগঠক/ৰাষ্ট্রনেতা আদিত তেওঁলোকৰ প্রকৃত ৰাজনৈতিক প্রতিভা প্রদর্শন কৰিছিল; স্বাধীনতাৰ পাছত গণতান্ত্রিক প্রতিনিধিৰ অনুষ্ঠানসমূহলৈ এনেকুৱা অংশগ্রহণ ব্যাপক হাৰত হোৱা নাছিল। অসম আৰু ভাৰত দুয়োটাতে নির্বাচনী ৰাজনীতিত তাৎক্ষণিকভাৱে স্বাধীনতাৰ পাছত মহিলাৰ অংশগ্রহণ নিচেই নগন্য আছিল আৰু আনকি আজিকালিও এইটো বৰ গুৰুত্বপূর্ণ নহয়।

১৫.৫.১ অসম আন্দোলনত মহিলাৰ অংশগ্রহণ

অসম আন্দোলন, যাৰ দাবী আছিল - অবৈধ প্ররজনকাৰীক চিনাক্তকৰণ আৰু অসমৰ পৰা বহিষ্কাৰকৰণ, ৰাজ্যখনৰ অর্থনৈতিক বিকাশ, বৃহৎ অসমীয়া সমাজৰ ভাষিক আৰু সাংস্কৃতিক পৰিচিতিক সুৰক্ষা প্রদান কৰা , ৰাজ্যখনৰ আন্তঃগাথনিৰ বিকাশ, এই অসম আন্দোলনত মহিলাসকলৰ অংশগ্রহণ পুৰুষসকলৰ সমানেই আছিল। বিভিন্ন শ্রেণী, জাতি আৰু সাম্প্রদায়িক পটভূমিৰ মহিলাসকলৰ অংশগ্রহণ ১৯৭৯-৮৫ চনৰ বিদেশী বিৰোধী আন্দোলনৰ এক আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্য আছিল। এই অসম আন্দোলনত মহিলাসকলে স্বতঃস্ফুটভাৱে অংশগ্রহণ কৰিছিল, সত্যাগ্রহ, পিকেটিং আৰু শোভাযাত্রা সকলো কার্যতে অংশ লৈছিল। এই আন্দোলনটো মূলত ছাত্র সম্প্রদায়ক লৈ ছাত্রৰ নেতৃত্বত হোৱা আন্দোলন আছিল, আৰু ল'ৰা আৰু ছোৱালী একেধৰণে বৃহৎ অনুপাতত অংশগ্রহণ কৰিছিল। এই আন্দোলনটোত মহিলাসকলে পালন কৰা এটা গুৰুত্বপূর্ণ ভূমিকা আছিল আন্দোলনটো বর্তি থকাৰ কাৰণে ধন সংগ্রহ। আন্দোলনটোৰ সময়ত সৃষ্টি হোৱা অগণন মহিলা সমিতি (Women's Association) য়ে আন্দোলনটো চলাই নিয়াৰ বাবে সদৌ অসম ছাত্র সন্থা (আছু/AASU)ক টকা পইছাৰ বৰঙণী যোগাইছিল আৰু প্রক্রিয়াটো আন্দোলনটোৰ শেষলৈকে বর্তি আছিল। অসমৰ মহিলা লেখক সন্থাইও অসম আন্দোলনৰ উদ্দেশ্যক সমর্থন জনাইছিল আৰু ভোটাৰ তালিকাৰ শুধৰণী নকৰাকৈ নির্বাচন অনুষ্ঠিত নকৰিবলৈ চৰকাৰক আহ্বান জনাইছিল।

অসমৰ প্রত্যেক স্থানৰে প্রায় প্রত্যেকটো চুকতে মহিলা সংগঠন গঠন কৰা হৈছিল আৰু মহিলাসকলে কেৱল আন্দোলনটো সমর্থন কৰাই নহয়, তেওঁলোকে স্ব-নিয়োজন আৰু আত্মনির্ভৰশীলতাৰ নতুন পথৰ সৃষ্টি কৰিছিল। তেওঁলোকে হস্ততাঁত - তেওঁলোকৰ পৰম্পৰাগত আহিলাক 'আনৰ' বিৰুদ্ধে যুঁজ চলাই নিয়াৰ আহিলা হিচাপে ব্যৱহাৰ কৰিছিল। বাতৰি কাকতৰ প্রতিবেদনবোৰ মহিলাসকলে হিংসাৰ বলীসকলক আগবঢ়োৱা সহায়, পিকেটিংকাৰীসকলক আহাৰ আৰু সহায় প্রদান কৰা, তেওঁলোকে নিজকেও পিকেটিংত জড়িত কৰা আৰু একে সময়তে তেওঁলোকে কাপোৰ বৈ উলিওৱা যি

বহুতো পৰিয়ালৰ উপার্জনৰ প্রধান পথ আছিল- ইত্যাদি বাতৰিৰে ভ ৰপূৰ আছিল। অসম আন্দোলনত গুৰুত্বপূর্ণ ভূমিকা পালন কৰা আন এটা উল্লেখনীয় মহিলা সংগঠন আছিল অসম জাগ্রত মহিলা পৰিষদ। ই মহিলাসকলৰ ৰাজনৈতিক একত্রীকৰণত এক গুৰুত্বপূর্ণ সহায় আগবঢ়াইছিল। তেওঁলোকে মহিলাসকলক মাতৃ হিচাপে প্রতীকীকৰণ কৰিছিল আৰু তেওঁলোকৰ প্রেৰণাক কঠিনতাৰ সন্মুখীন হৈও আন্দোলনটো চলাই নিয়াত এক শক্তিৰ উৎস হিচাপে গণ্য কৰিছিল। অসমৰ বিদেশী বিৰোধী আন্দোলনৰ এটা গুৰুত্বপূর্ণ ফলাফল আছিল আন্দোলনৰ সময়ত মহিলা নেতৃত্বৰ উত্থান। আছুৰে নেতৃত্ব দিয়া আন্দোলনটোত ছাত্র জড়িত হোৱা কার্যই ছাত্রীসকলক সন্মুখৰ পৰা আন্দোলনটোৰ নেতৃত্ব দিয়াৰ সুযোগ প্রদান কৰিছিল। নেতৃবৃন্দৰ এনে এক উদাহৰণ আছিল জনজাতীয় নেত্রী ৰেখা ৰাণী বড়ো । তেওঁ ১৯৮২ চনত সদৌ অসম জনজাতীয় মহিলা সংগঠনৰ সভানেত্রী হিচাপে নির্বাচিত হৈছিল আৰু তেওঁ আছুৰো অংশ আছিল।

অসম আন্দোলনত মহিলাসকলে 'শান্তি বাহিনী'ৰ যোগেদি আন এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। অসমৰ বিদেশী বিৰোধী আন্দোলনত হাজাৰ হাজাৰ মহিলা আন্দোলনৰ সমর্থনত ৰাজপথলৈ ওলাই আহিছিল আৰু তেওঁলোকৰ বহুতো হিংসাৰ বলী হৈছিল। আন্দোলনৰ সময়ছোৱাত বহুতো মহিলা সংগঠনৰ সৃষ্টি হৈছিল যিয়ে শান্তিৰ বাবে আহ্বান জনাইছিল । আন্দোলনৰ সময়ত পীড়িতসকলক সহায় কৰিবলৈ বহুতো মাতৃ বাহিনী (Mother Force)ৰ সৃষ্টি হৈছিল। সমাজসেৰী মাতৃবাহিনী (Social Worker Mother Force) এনে এক সংগঠন আছিল যি এনেকুৱা মহিলাক সহায় আগবঢ়াইছিল যিসকল হয় কেন্দ্রীয় সংৰক্ষিত পুলিচ বাহিনীৰ (CRPF) জোৱানৰ যৌন শোষণৰ বলী হৈছিল অথবা পৰিয়ালৰ সদস্যক হেৰুৱাইছিল, অর্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ এনে মহিলাক হস্ততাঁত প্রদান কৰিছিল । আন্দোলনত পীড়িতসকলক সহায় কৰাৰ সৈতে জড়িত আন এটা সংগঠন আছিল পূর্বাঞ্চলীয় মহিলা সংস্থা (Northeastern Women's Association)। এই সংগঠনটোত জড়িত মহিলাসকলে ঠায়ে ঠায়ে গৈ পুলিচ/চি.আৰ.পি আৰু প্রতিবাদকাৰীৰ মাজত হোৱা সংঘাতত আঘাতপ্রাপ্তসকলক চিকিৎসা আৰু বস্তু বাহিনীৰে সমর্থন জনাইছিল। ১৯৮১ চনলৈ সমাজত শান্তি বর্তাই ৰখাত বহুতো মহিলা সংগঠন জড়িত হৈ আছিল। তেওঁলোকে আন্দোলনকাৰীৰ ওপৰত সেনা আৰু পুলিচৰ অত্যাচাৰৰ প্রতিবাদ কৰিছিল।

শেষত, যদি আমি আন্দোলনৰ গোটেই সময়ছোৱা লক্ষ্য কৰোঁ , তেন্তে আমি দেখিম যে মহিলাসকলৰ অংশগ্রহণৰ প্রৱলতা সমান নাছিল। আৰম্ভণীতে, নগৰ অঞ্চলত বসবাস কৰা মধ্যবিত্ত মহিলাসকল আন্দোলনটোৰ সমর্থক আছিল। তেওঁলোকে শোভাযাত্রা আৰু পিকেটিংৰ কাৰণে স্বতঃস্ফূতভাৱে ঘৰৰ পৰা বাহিৰলৈ ওলাই আহিছিল। গ্রাম্য অঞ্চলৰ বয়সীয়াল মহিলা আৰু ছোৱালীসকলে আন্দোলনটো সমর্থন কৰিছিল

আৰু পথলৈ ওলাই আহিছিল। কিন্তু যেতিয়া আন্দোলনটো বেছি তীব্র হৈ পৰিছিল, বিভিন্ন নৃগোষ্ঠীয় মহিলাসকলেও আন্দোলনটোত যোগ দিছিল। আন্দোলনটোৰ সার্বজনীন ধাৰণা আছিল যে অসমী আই বিপদাপন্ন, সেয়েহে আইক অবৈধ অনুপ্রৱেশকাৰীৰ পৰা ৰক্ষা কৰিবলৈ সকলো ঘৰৰ পৰা ওলাই অহাটো উচিত।

অসম আন্দোলনে মহিলাসকলৰ জীৱনলৈ অনা এক ধনাত্মক পৰিৱর্তন আছিল তেওঁলোকৰ ৰাজনৈতিক সচেতনতা বৃদ্ধি। ই বহুতো মহিলা সংগঠন আৰু মহিলা সংঘ গঠিত হোৱাত সহায় কৰিছিল, এই সংগঠনসমূহৰ ভিতৰত - মূলা গাভৰু সস্থা, সংযুক্ত মহিলা সংঘ (United Women's Association), সত্য সন্ধ্যা মহিলা সংঘ (Satya Sandhya Mahila Sangha), শংকৰী সমাজ মহিলা সমিতি (Sankari Society Women's Committee) আদিৰ বিষয়ে উল্লেখ কৰিব পাৰি। যদিও আন্দোলনৰ পাছত ইয়াৰ বেছিভাগেই ভংগ হৈছিল, ইয়াৰে বহু সংখ্যক সংগঠনে কার্য চলাই গৈছিল। ই মহিলাসকলক ঐক্যবদ্ধ, একেলগ হোৱাৰ চেতনা দিছিল আৰু বিভিন্ন বিষয়ত যেনে- ঘৰুৱা হিংসা আৰু মদাপীৰ কাৰণে হোৱা সামাজিক অশান্তিৰ বিৰুদ্ধে একেলগে থিয় দিবলৈ শক্তি দিছিল। বহুতো মহিলা সংগঠনে আন্দোলনটো শেষ হোৱাৰ পাছত আত্মসহায়ক গোট হিচাপে আৰু মহিলাৰ সামাজিক আৰু ৰাজনৈতিক সৱলীকৰণৰ সংগঠন হিচাপে কাম কৰি আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ অসম আন্দোলনৰ সময়ত গঠন হোৱা দুটা মহিলা সংগঠনৰ নাম লিখক।

.....

.....

প্রশ্ন ৫ ঃ অসম আন্দোলনলৈ মহিলাসকলে আগবঢ়োৱা অৱদানৰ দুটা গুৰুত্বপূর্ণ পন্থা উল্লেখ কৰক।

.....

.....

১৫.৫.২ বড়োভূমি আন্দোলনত মহিলাসকলৰ অংশগ্রহণ

বড়োভূমি আন্দোলন হৈছে সমসাময়িক অসমৰ আটাইতকৈ উল্লেখযোগ্য জনজাতীয় আন্দোলন। এই আন্দোলনৰ বীজ ঔপনিবেশিক শাসনৰ সময়তে আৰম্ভ হৈছিল কিন্তু ১৯৮০ৰ দশকত এক চৰম ৰাজনৈতিক, সাংস্কৃতিক আৰু চৰমপন্থী দাবী হৈ পৰিছিল। বড়োভূমি আন্দোলনৰ উত্থানৰ প্রধান কাৰণসমূহৰ কিছুমান আছিল—

বৈষম্যতাৰ অনুভূতি, বড়ো সম্প্রদায়ে অসমত বঞ্চিত আৰু অন্যায়ৰ সন্মুখীন হোৱা অভিজ্ঞতা। আন্দোলনৰ সময়ত বড়োভূমি আন্দোলনৰ নেতাসকলে ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক স্বাধীনতাৰ কাৰণে জোৰ দি কৈছিল যে বড়োসকল বর্তমান সময়ৰ অসমৰ বাকী লোকসকলৰ পৰা নৃগোষ্ঠীয়ভাৱে পৃথক আৰু সেয়েহে তেওঁলোকক এক পৃথক ৰাজ্য বড়োলেণ্ডৰ ৰূপত ৰাজনৈতিক অধিকাৰ প্রদান কৰিব লাগে।

এই আন্দোলনটোত মূলতঃ সদৌ বড়ো ছাত্র সস্থা (ABSU) ই নেতৃত্ব দিছিল আৰু এই আন্দোলনটোৰ এক বৈশিষ্ট্য আছিল বড়ো মহিলাসকলৰ ব্যাপক অংশগ্রহণ। বড়োভূমি আন্দোলনে বড়ো মহিলাসকলৰ মাজত ৰাজনৈতিক সচেতনতাৰ সৃষ্টি কৰিছিল। ১৯৮৬ চনত সদৌ অসম জনজাতীয় মহিলা কল্যাণ সংঘ (All Assam Tribal Women's Welfare Federation/ AATWWF) গঠন কৰা হৈছিল , যাক ১৯৯৩ চনত সদৌ বড়ো মহিলা কল্যাণ সংঘ (All Bodo Women's Welfare Federation/ABWWF) নামেৰে পুনৰ নামকৰণ কৰা হৈছিল আৰু সমাজৰ সকলো শ্রেণীৰ মহিলাৰ বাবে ইয়াৰ সদস্যপদ মুকলি আছিল। গাৱৰ পৰা নগৰলৈ বৃহৎ মাত্রাত মহিলাসকলে এই সংগঠনটোৰ সদস্য হিচাপে যোগ দিছিল। প্রমীলা ৰাণী ব্রহ্ম সদৌ অসম জনজাতীয় মহিলা কল্যাণ সংঘ (AATWWF) ৰ প্রথম সভানেত্রী হিচাপে নির্বাচিত হৈছিল। এই সংঘটোৰ প্রতিষ্ঠাৰ লগে লগে ই সদৌ বড়ো ছাত্র সস্থাৰ মহিলা গোট হিচাপে বড়োভূমি আন্দোলনটো আগুৱাই নিয়াত সহায় কৰিছিল ।

এই মহিলা সংঘই বড়ো মহিলাৰ মাজত ৰাজনৈতিক আৰু সাংস্কৃতিক সচেতনতা বৃদ্ধি কৰাত এক অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল আৰু আন্দোলনৰ সময়ছোৱাত মহিলাসকলৰ একত্রীকৰণত এক ডাঙৰ ভূমিকা পালন কৰিছিল। বড়ো মহিলাসকলে এই সংগঠনটোৰ বেনাৰত বড়োভূমি আন্দোলনটোক সমর্থন আৰু বর্তাই ৰাখিবলৈ এক বহল পৰিসৰৰ কার্য সম্পন্ন কৰিছিল। তেওঁলোকে পুলিচ আৰু সেনাৰ নিষ্ঠুৰতা আৰু ৰাষ্ট্রৰ অত্যাচাৰৰ বিৰুদ্ধে প্রতিবাদ, ধর্ণা, ঘেৰাও আৰু শোভাযাত্রাত ব্যাপক হাৰত অংশগ্রহণ কৰিছিল। সংগঠনটোৰ মহিলাসকলৰ এটা ভাগে সক্রিয় সদস্যসকলক আহাৰ, শুশ্রূষা আৰু স্বাস্থ্য যত্নৰ যোগান ধৰি আন্দোলনটোত পৰোক্ষভাৱে সমর্থন যোগাইছিল। সেয়েহে, বড়োভূমি আন্দোলনত মহিলাসকলৰ অংশগ্রহণে বড়ো মহিলাৰ বিভিন্ন ভূমিকা প্রতিফলিত কৰিছিল। জ্ঞানী আৰু শিক্ষিত বড়ো মহিলাৰ এটা ভাগে, যি পৰিচালক (Managerial) আৰু নেতৃত্বৰ কৌশল গুণৰ বিষয়ে অৱগত আছিল, উদ্বাত্ত ভাষণ আৰু কৌশলপূর্ণভাৱে লোকক সমবেত কৰাৰ যোগেদি বড়ো উপ-জাতীয়তাবাদী প্রমূল্যৰ প্রচাৰ কৰাত সহায় কৰিছিল। বড়ো মহিলাসকলৰ এটা শাখাই বড়ো স্বেচ্ছাসেৱী বাহিনীৰ সদস্য হিচাপে নিজকে জড়িত কৰিছিল। বড়ো স্বেচ্ছাসেৱী বাহিনী সদৌ বড়ো ছাত্র সস্থা (ABSU) ৰ সামৰিক বিভাগ আছিল। বড়ো স্বেচ্ছাসেৱী বাহিনীটোৰ গোপন বার্ত্তাবাহকৰ প্রয়োজন আছিল। সদৌ অসম জনজাতীয় মহিলা কল্যাণ সংঘ (AATWWF) ৰ বিভিন্ন

গাওঁ পৰিষদ আৰু জিলা সমিতিৰ বহুতো সদস্য এই কামটোত জড়িত আছিল। সদৌ বড়ো ছাত্র সন্থা(ABSU) ৰ বাবে টকা সৰবৰাহ কৰাটোও তেওঁলোকৰ কামৰ এটা অংশ আছিল। আন্দোলনটোৰ বহল পৰিসৰৰ কৌশল হিচাপে বহুতো বড়ো মহিলাই চিকিৎসকৰ পৰা শুশ্রূষা পৰিচর্য্যা আৰু স্বাস্থ্য যত্নৰ প্রশিক্ষণ গ্রহণ কৰিছিল। এই মহিলাসকলে আঘাতপ্রাপ্ত সক্রিয় সদস্যসকলক শুশ্রূষা আৰু তাৎক্ষণিক চিকিৎসা সেৱা প্রদান কৰিব লাগিছিল। ১৯৮৯ চনৰ পৰা মহিলাসকলে বন্দুক ব্যৱহাৰৰ প্রশিক্ষণ লৈছিল। এনেকুৱা প্রশিক্ষণ ভিতৰুৱা বড়ো বসতিপ্রধান গাওঁসমূহত দিয়া হৈছিল। এই প্রশিক্ষণৰ উদ্দেশ্য আছিল তেওঁলোকৰ নিৰাপত্তাৰ কাৰণে কিছুমান ব্যৱস্থা আগবঢ়োৱা। সশস্ত্র কার্যত তেওঁলোকক জড়িত কৰাৰ কোনো পৰিকল্পনা নাছিল। কিন্তু তেওঁলোকক কোৱা হৈছিল যে যদি পৰিস্থিতিয়ে দাবী কৰে তেন্তে তেওঁলোকক মতা হ'ব । ইয়াৰ উপৰিও আন্দোলনৰ সময়ছোৱাত বড়ো মহিলাসকলৰ মাজত সাহিত্য চর্চাৰ এক পৰিৱেশ গঢ়ি উঠিছিল। বড়ো মহিলাৰ, বড়ো মহিলাৰ দ্বাৰা আৰু বড়ো মহিলাৰ কাৰণে প্রথম আলোচনী চংদান (Songdan) সদৌ অসম জনজাতীয় মহিলা কল্যাণ সংঘ (AATWWF) ৰ দ্বাৰা ১৯৯১ চনত প্রকাশ কৰা হৈছিল। একে বছৰতে ৰেইখনুথী (Raikhnuthi) নামৰ আলোচনীখন প্রকাশ কৰা হৈছিল। এই আলোচনীসমূহ বছৰত এবাৰকৈ প্রকাশ কৰা হৈছিল আৰু এই আলোচনীসমূহৰ মূল আলোচনাৰ বিষয় আছিল মহিলাৰ লগত জড়িত বিষয়সমূহ , যদিও সেইসমূহে মহিলাৰ অন্যান্য লিখনীও প্রকাশ কৰিছিল। যদিও এই আলোচনীসমূহৰ সম্পাদকীয় সমিতিৰ সদস্যসকল মহিলা আছিল লেখকসকল মহিলা হোৱাতো প্রয়োজনীয় নাছিল। এই আলোচনীসমূহত বহুতো বিখ্যাত বড়ো বুদ্ধিজীৱি, কবি, আবছু কর্মী ইত্যাদিয়ে মহিলাৰ লগত জড়িত বিষয়সমূহৰ ওপৰত লিখিছিল। সেই প্রৱন্ধসমূহে বড়োসকলৰ উন্নতিৰ কাৰণে মহিলাসকলৰ অৱদান, ৰাজনীতিত বড়ো মহিলাৰ জড়িত হোৱা কার্য, বড়ো সমাজৰ বিকাশলৈ মহিলাসকলৰ অৱদান ইত্যাদি আলোচনা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ বড়োভূমি আন্দোলনত প্রধান ভূমিকা পালন কৰা মূখ্য মহিলা সংগঠনৰ নাম লিখক।

.....

প্রশ্ন ৭ ঃ বড়ো স্বেচ্ছাসেৱী বাহিনী আৰু ইয়াত মহিলাসকলৰ নিয়োজনৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

.....



১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ দৰে দেশত য'ত সমাজখন স্বভাৱগতভাৱে ৰক্ষণশীল আৰু পিতৃতান্ত্রিক, ৰাজহুৱা আৰু ৰাজনৈতিক ক্ষেত্রত মহিলাসকলৰ অংশগ্রহণ দীর্ঘ সময় ধৰি এক পৰিধিৰ (Peripheral) বিষয় । ভাৰতৰ স্বাধীনতাৰ পাছত গণতান্ত্রিক সংবিধান প্রণয়নৰ লগে লগে অৱস্থাৰ পৰিৱর্তন হৈছে । সংবিধানে কোনো প্রকাৰৰ বিভেদ নৰখাকৈ পুৰুষ আৰু মহিলা সকলো নাগৰিককে সম সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক অধিকাৰ আৰু স্বাধীনতাৰ নিশ্চিতি প্রদান কৰিছে।
- মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণে কেৱল দলীয় কার্য্যালয়ত পদবী গ্রহণ কৰা, নির্বাচনত প্রতিদন্দিতা কৰা, ভোটাধিকাৰ সাব্যস্ত কৰা, নির্বাচনত জয়ী হৈ সাংসদ অথবা বিধায়ক হিচাবে বিভিন্ন দপ্তৰ গ্রহণ কৰাকেই নুবুজায় , লগতে ৰাজনৈতিক সিদ্ধান্ত গ্রহন কৰাত প্রভাৱিত কৰাৰ লক্ষ্যৰে মহিলাসকলৰ অন্যান্য সামাজিক আৰু ৰাজনৈতিক কার্যত জড়িত হোৱাকো বুজায়।
- অসমৰ প্রেক্ষাপটত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণৰ স্তৰক দুটা ঢৌত (Wave) অধ্যয়ন কৰিব পৰি। প্রথম ঢৌটো স্বাধীনতাৰ পূর্বৰ সময়ছোৱাত গঢ় লৈ উঠিছিল য'ত অসমীয়া মহিলাসকলে সমগ্র ভাৰতৰ দৃশ্যপটৰ প্রৱণতা ৰাখি বৃটিছ সাম্রাজ্যবাদৰ পৰা ভাৰতৰ স্বাধীনতাৰ কাৰণে জাতীয় সংগ্রামত অংশগ্রহণ কৰিছিল। অসমত মহিলাসকলৰ ৰাজনৈতিক অংশগ্রহণৰ দ্বিতীয় ঢৌৰে ভাৰতৰ স্বাধীনতাৰ পাছৰ সময়ছোৱাত অসম ৰাজ্যক প্রভাৱিত কৰা বিভিন্ন বিষয়সমূহক লৈ জড়িত জনপ্রিয় আন্দোলনসমূহত অংশগ্রহণক সূচায় ।
- অসহযোগ আন্দোলনত, যাক ভাৰতৰ স্বাধীনতা সংগ্রামৰ প্রথম শক্তিশালী স্মৰণীয় ঘটনা হিচাবে গণ্য কৰা হয়, অসমৰ মহিলাসকলে প্রৱল সাফল্যৰে নিজৰ উপস্থিতি প্রদর্শন কৰিছিল। আৰম্ভণিতে, কম সংখ্যক অসমীয়া মহিলাই সংগ্রামত অংশগ্রহণ কৰিছিল, যেনে- বিদ্যুৎপ্রভা দেৱী, গিৰিজা দেৱী, হেমন্ত কুমাৰী দেৱী, ধর্মদা দেৱী, নলিনীৰালা দেৱী, পুষ্পলতা দাস, গুণেশ্বৰী নাথ আৰু চন্দ্রপ্রভা শইকীয়ানী।
- অসমত আইন অমান্য আন্দোলনতো মহিলাসকলৰ সক্রিয় অংশগ্রহণ দেখা যায়। ১৯৩০ চনত পুষ্পলতা দাসে সৰলা চাক্সেনা, পূণ্যপ্রভা বৰুৱা আৰু জ্যোৎস্না মজুমদাৰৰ সৈতে লগলাগি মহিলাসকলক জাতীয় আন্দোলনৰ বাবে একত্রিত কৰিবলৈ "মুক্তি সংঘ" প্রতিষ্ঠা কৰিছিল। তেওঁলোকৰ উদ্যমী ভাষণে বহুতো ডেকা মনক প্রজ্বলিত কৰি তুলিছিল যি পূর্ণ স্বৰাজৰ কাৰণে যুঁজ দিবলৈ অংগীকাৰবদ্ধ হৈছিল।

- ভাৰত ত্যাগ আন্দোলনে মহিলা সংগ্রামীৰ এক মহান ঢৌৰ উত্থানক প্রদর্শন কৰিছিল। কনকলতা, ৰত্নাৱালা ফুকন, বুদ্ধেশ্বৰী হাজৰিকা, কাহুলী নাথ আৰু দময়ন্তী বৰা মৃত্যু বাহিনীৰ সক্রিয় সদস্য আছিল আৰু চৰম সাহসী জাতীয়তাবাদী মহিলা হিচাপে প্রশংসিত হৈছিল।
- বিভিন্ন শ্রেণী, জাতি আৰু সাম্প্রদায়িক পটভূমিৰ মহিলাসকলৰ অংশগ্রহণ ১৯৭৯-৮৫ চনৰ বিদেশী বিৰোধী আন্দোলনৰ এক আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্য আছিল। এই অসম আন্দোলনত মহিলাসকলে স্বতস্ফুটভাৱে অংশগ্রহণ কৰিছিল, সত্যাগ্রহ, পিকেটিং আৰু শোভাযাত্রা সকলো কার্যতে অংশ লৈছিল।
- বড়োভূমি আন্দোলনত মূলতঃ সদৌ বড়ো ছাত্র সন্থা (ABSU) ই নেতৃত্ব দিছিল আৰু এই আন্দোলনটোৰ এক বৈশিষ্ট্য আছিল বড়ো মহিলাসকলৰ ব্যাপক অংশগ্রহণ। বড়োভূমি আন্দোলনে বড়ো মহিলাসকলৰ মাজত ৰাজনৈতিক সচেতনতাৰ সৃষ্টি কৰিছিল। ১৯৮৬ চনত সদৌ অসম জনজাতীয় মহিলা কল্যাণ সংঘ (All Assam Tribal Women's Welfare Federation/ AATWWF) গঠনৰ লগে লগে, যাক ১৯৯৩ চনত সদৌ বড়ো মহিলা কল্যাণ সংঘ (All Bodo Women's Welfare Federation/ABWWF) নামেৰে পুনৰ নামকৰণ কৰা হৈছিল, মহিলাসকলৰ বৃহৎ মাত্রাত আন্দোলনটোত জড়িত হোৱাৰ আৰম্ভণি হৈছিল।



১৫.৮ অধিক জানিবলৈ

1. Baishya, D. D. (n.d). *Political Participation of Women of Assam with Special Reference to Nalbari District*, International Research Journal of Interdisciplinary & Multidisciplinary Studies (IRJIMS), II (VIII), 87-95.
2. Goswami, P. (2012). *The History of Assam: From Yandabo to Partition, 1826- 1947*. New Delhi: Orient Blackswan.
3. Kunjakkan, K.A. (2002). *Feminism and Indian Realities*. New Delhi : Mittal Publications.
4. Pathak, G. (2008). *Assamese Women in Indian Independence Movement: With Special Emphasis on Kanaklata Barua*. New Delhi: Mittal Publications.
5. Sharma, Nabanita. (2017). *Role of Women during the Anti-Foreigners' Agitation in Assam 1979-1985*, Journal of North East India Studies, 7(2): 18-32.
6. Sen, Sujata. (2012). *Gender Studies.* Dorling Kindersly (India) Pvt. Ltd.

১৫.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কনকলতা বৰুৱা, পুষ্পলতা দাস ইত্যাদি

২ নং প্রশ্নৰ উত্তৰ ঃ মাইৰন ৱেইনাৰ (Myron Weiner)ৰ মতে, "ৰাজনৈতিক অংশগ্রহণ ধাৰণাটোৱে যি কোনো স্বেচ্ছাসেৱী কাম, কৃতকার্য আৰু অকৃতকার্য, সংগঠিত আৰু অসংগঠিত, বিক্ষিপ্ত ঘটনা অথবা নিৰৱচ্ছিন্ন, বাচি লোৱা ৰাজহুৱা নীতিসমূহক প্রভাৱিত কৰাৰ উদ্দেশ্যে প্রয়োগ কৰা বৈধ অথবা অবৈধ পন্থা, ৰাজহুৱা বিষয়ৰ প্রশাসন আৰু চৰকাৰৰ যি কোনো স্তৰৰ ৰাজনৈতিক নেতাৰ বাচি লোৱা কার্য/নীতি"।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভানুমতী তালুকদাৰ।

৪ নং প্রশ্নৰ উত্তৰ ঃ মূলা গাভৰু সন্থা , সংযুক্ত মহিলা সংঘ ।

৫ নং প্রশ্নৰ উত্তৰ ঃ অসম আন্দোলনত মহিলাসকলে পালন কৰা এটা গুৰুত্বপূর্ণ ভূমিকা আছিল আন্দোলনটো বর্তি থকাৰ কাৰণে ধন সংগ্রহ। আন্দোলনটোৰ সময়ত সৃষ্টি হোৱা অগণন মহিলা সমিতি (Women's Association) য়ে আন্দোলনটো চলাই নিয়াৰ বাবে সদৌ অসম ছাত্র সন্থা (আছু/AASU)ক টকা পইছাৰ বৰঙণী যোগাইছিল আৰু প্রক্রিয়াটো আন্দোলনটোৰ শেষলৈকে বর্তি আছিল।

অসম আন্দোলনত মহিলাসকলে 'শান্তি বাহিনী'ৰ যোগেদি আন এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। অসমৰ বিদেশী বিৰোধী আন্দোলনত হাজাৰ হাজাৰ মহিলা আন্দোলনৰ সমর্থনত ৰাজপথলৈ ওলাই আহিছিল আৰু তেওঁলোকৰ বহুতো হিংসাৰ বলী হৈছিল। আন্দোলনৰ সময় ছোৱাত বহুতো মহিলা সংগঠনৰ সৃষ্টি হৈছিল যিয়ে শান্তিৰ বাবে আহ্বান জনাইছিল । আন্দোলনৰ সময়ত পীড়িতসকলক সহায় কৰিবলৈ বহুতো মাতৃ বাহিনী (Mother Force)ৰ সৃষ্টি হৈছিল। সমাজসেৱী মাতৃবাহিনী (Social Worker Mother Force) এনে এক সংগঠন আছিল যি এনেকুৱা মহিলাক সহায় আগবঢ়াইছিল যিসকল হয় কেন্দ্রীয় সংৰক্ষিত পুলিচ বাহিনীৰ (CRPF) জোৱানৰ যৌন শোষণৰ বলী হৈছিল অথবা পৰিয়ালৰ সদস্যক হেৰুৱাইছিল, অর্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ এনে মহিলাক হস্ততাঁত প্রদান কৰিছিল ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ১৯৮৬ চনত গঠিত সদৌ অসম জনজাতীয় মহিলা কল্যাণ সংঘ (All Assam Tribal Women's Welfare Federation/ AATWWF) , যাক ১৯৯৩ চনত সদৌ বড়ো মহিলা কল্যাণ সংঘ (All Bodo Women's Welfare Federation/ ABWWF) নামেৰে পুনৰ নামকৰণ কৰা হৈছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ বড়ো স্বেচ্ছাসেৱী বাহিনী সদৌ বড়ো ছাত্র সস্থা (ABSU) ৰ সামৰিক বিভাগ আছিল। বড়ো স্বেচ্ছাসেৱী বাহিনীটোৰ গোপন বার্ত্তাবাহকৰ প্রয়োজন আছিল। সদৌ অসম জনজাতীয় মহিলা কল্যাণ সংঘ (AATWWF) ৰ বিভিন্ন গাওঁ পৰিষদ আৰু জিলা সমিতিৰ বহুতো সদস্য এই কামটোত জড়িত আছিল।



১৫.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ কনকলতা বৰুৱা কোন আছিল?

প্রশ্ন ২ঃ গান্ধীজীয়ে অসমৰ সৰোজনী নাম কাক দিছিল?

প্রশ্ন ৩ঃ সদৌ অসম জনজাতীয় মহিলা কল্যাণ সংঘৰ প্রথম সভানেত্রী কোন আছিল?

প্রশ্ন ৪ঃ বড়ো স্বেচ্ছাসেৱী বাহিনী কি?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অসহযোগ আন্দোলনত অসমৰ মহিলাৰ ভূমিকাৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ চমুটোকা লিখক -

(ক) অসম আন্দোলনত শান্তিৰক্ষী হিচাপে মহিলাৰ ভূমিকা

(খ) অসম আন্দোলনত ধনসংগ্রহকাৰী হিচাপে মহিলাৰ ভূমিকা

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অসম ৰাজ্যৰ পৰিপ্রেক্ষিতত ভাৰতবর্ষৰ স্বাধীনতা সংগ্রামৰ বিভিন্ন পর্যায়ত অসমীয়া মহিলাৰ ভূমিকা পৰীক্ষা কৰক।

প্রশ্ন ২ঃ অসম আন্দোলনত মহিলাসকলৰ ভূমিকা বিশ্লেষণ কৰক।

প্রশ্ন ৩ঃ বড়োভূমি আন্দোলনত মহিলাসকলৰ ভূমিকা পৰীক্ষা কৰক।

****



প্রসংগ পুথি

কিতাপ ঃ

1) Barpujari, H.K. (1993). *The Comprehensive History of Assam*, Vol V. Publication Board, Assam.

2) Baruah, Sanjib. (2001). *India Against Itself*. New Delhi: Oxford University Press.

3) Barua, S.L. (1995). *A Comprehensive History of Assam*. New Delhi: Munshiram Monoharlal Publishers.

4) Bhattacharya, Arun (1993). *Assam in Indian Independence*. New Delhi: Mittal Publications.

5) Bhaumik, Subir. *Insurgencies in India's Northeast : Conflict, Co-option & Change*. (July, 2007 East-West Center Washington Working Papers, No. 10)

5) Chandra, Bipan (2000). *India's Struggle for Independence, 1857-1947*. New Delhi: Penguin India.

6) Das, Samir Kumar. (1997). *Regionalism in Power- The Case of Asom Gana Parishad*. New Delhi: Omsons Publications.

7) Dutta, Anuradha & Bhuyan, Ratna (ed.) (2007). *Genesis of Conflict and Peace: Understanding North East India, Views and Reviews* (2 Vols.). New Delhi: Peace Studies, OKDISCD & Akansha Publishing House.

8) Dutta, K.N. (1998). *Landmarks of the freedom Struggle in Assam*. Guwahati: Lawyers Book Stall.

9) Gohain, Hiren. (1984). *Assam: The Burning Question*. Gauhati: Spectrum publications.

10) Goswami.C. (2008). *Nationalism in Assam*. New Delhi: Mittal publication.

11) Goswami, Sandhya. 1997. *Language Politics in Assam*. Delhi: Ajanta Publications.

12) Hussain, Monirul. 1994. *The Assam Movement - Class, Ideology and Identity*. Delhi: Manak Publications.

Websites:

1) http://www.agp.org

2) www.satp.org

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দৰ্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দৰ্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? | | | |

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দৰ্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।